Language L.54

# Assamese

مركز المعلومات الإسلامي
Islamic Information Center
للتعريف بالإسلام

Version Date: March 2024




Part of the

ISLAMIC
e-LIBRARY

Learn more about Islam with our informative and educational materials, translated to over 50+ languages

@islamicicdxb

CONTENTS


ইছলাম পৰিচিতি
নবী মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম
যীচু বা ঈছা মছীহঃ আল্লাহৰ এজন ৰাছুল
ইছলামত উপাস্যৰ ধাৰণা
আল-কোৰআন
জীৱনৰ উদ্দেশ্য কি?
ইছলাম সম্পৰ্কে কিছুমান ভুল ধাৰণা
ইছলামত নাৰীৰ অধিকাৰ
কোৰআনৰ বৈজ্ঞানিক অলৌকিকতা
ইছলামৰ দৃষ্টিত মৃত্যু আৰু পৰকাল


# ইছলাম পৰিচিতি



ASSAMESE (INDIA) (01/10) نبذة عن الإسلام FREE COPY


- বাস্তৱিক আৰু সংগতিপৰায়ণ জীৱনশৈলী
- আল্লাহৰ সৈতে ঘনিষ্ঠ আৰু প্ৰত্যক্ষ সম্পৰ্ক
- উপাস্য সম্পৰ্কে বিশুদ্ধ আৰু স্পষ্ট ধাৰণা
- প্ৰতিটো স্থান আৰু প্ৰতিটো সময়ৰ বাবে প্ৰযোজ্য হ'ব পৰা সঠিক বাৰ্তা



جمعية دار البر
Dar Al Ber Society
www.daralber.ae
الإمارات
THE EMIRATES
Your Path To Peace..
مركز المعلومات الإسلامي
Islamic Information Center
التعريف بالإسلام
تصريح رقم:
(2017/139)
دائرة الشؤون الإسلامية والعمل الخيري
Islamic Affairs & Charitable Activities Department
www.islamicic.com

CONTENTS



























# ইছলাম কি?

ইছলাম হৈছে একক তথা অদ্বিতীয় সত্য উপাস্যৰ প্ৰতি ঈমান পোষণ কৰা (যাক আৰবী ভাষাত 'আল্লাহ' বুলি কোৱা হয়) আৰু একমাত্ৰ তেওঁৰেই ইবাদত কৰা, লগতে মুহাম্মদ (চাল্লাল্লাহু আলাইহি অছাল্লাম)ৰ প্ৰতি ঈমান পোষণ কৰা যে, তেওঁ হৈছে সৰ্বশেষ ৰাছুল।

প্ৰায় প্ৰতি ৪ জনৰ ভিতৰত ১ জন হৈছে (২৩%) মুছলিম – মুছলিমসকলৰ জনসংখ্যা ২ বিলিয়নতকৈও অধিক।

ইছলামৰ অনুগামীসকলক মুছলিম বুলি কোৱা হয়। যিকোনো বৰ্ণ বা যিকোনো জাতি-জনগোষ্ঠীৰ লোকেই ইছলাম গ্ৰহণ কৰিব পাৰে।

## ঈমান আৰু আক্বীদা (বিশ্বাস আৰু ধৰ্মীয় মান্যতা)

আল্লাহে আমাক তেওঁৰ বিভিন্ন নিদৰ্শনৰ দ্বাৰা তেওঁক স্বীকাৰ কৰিবলৈ তথা বিশ্বাস কৰিবলৈ আহ্বান জনাইছে, আৰু এই পৰিচিতিক তেওঁ আমাৰ দায়িত্ব তথা কৰ্তব্যসমূহৰ অন্তৰ্ভুক্ত কৰিছে। আনকি এইটো হৈছে এই পাৰ্থিৱ জীৱনত সন্মুখীন হ'বলগীয়া পৰীক্ষাৰ অন্যতম এটা অংশ। সঠিক আক্বীদাহ বিশ্বাস নোহোৱাকৈ যি পৰিমাণৰ তথ্যই নাথাকক কিয়, কোনো ব্যক্তিকেই মুমিন ব্যক্তিত পৰিণত কৰিব নোৱাৰে।

| ✓ | ✗ |
|---|---|
| বস্তুনিষ্ঠতা আৰু এটা মুকলি মন | প্ৰতিবন্ধকতা/ ঈমানৰ পৰা দূৰ কৰিব পৰা ভুল ধাৰণা। |
| বিনয়ী আৰু নিৰ্ভেজাল | অহংকাৰ আৰু গৌৰৱ |
| আমাৰ অস্তিত্বৰ উদ্দেশ্য সম্পৰ্কে চিন্তা-চৰ্চা কৰা। | কেৱলমাত্ৰ বস্তুগত দিশত গুৰুত্ব দিয়া |
| আল্লাহৰ নিদৰ্শনসমূহ গ্ৰহণ কৰা | অৰ্থ নুবুজা প্ৰতিটো বস্তুক নাকচ কৰা |

## প্ৰথম কাৰণঃ বিশ্বজগতৰ উৎপত্তি

আল্লাহক বিশ্বাস কৰাৰ প্ৰথম কাৰণটো দৰাচলতে বিশ্বজগতৰ উৎপত্তি সম্পৰ্কে চিন্তা-চৰ্চাৰ সৈতে জড়িত।

বিশ্বজগতৰ উৎপত্তি কেনেকৈ হ'ল?

- ✗ একো নথকা অৱস্থাত ই অস্তিত্ব লাভ কৰিছে নেকি? যদি একোৱেই অস্তিত্ব নাথাকে তেন্তে কোনো এটা বস্তু কেনেকৈ অস্তিত্বলৈ আহিব, গতিকে নিশ্চিতভাৱে ইয়াৰ উত্তৰ হ'ব 'নহয়'।
- ✗ ই নিজে নিজে সৃষ্টি হৈছে নেকি? নহয়, এইটোও যুক্তিসংগত নহয়। এইটো হৈছে এনেকুৱা এটা কথা যে, মাকে নিজেই নিজকে জন্ম দিছে।
- ✗ অথবা ই আগৰ পৰাই আছে নেকি অৰ্থাৎ চিৰন্তন নেকি? নহয়, আধুনিক বিজ্ঞান এই সিদ্ধান্তত উপনীত হৈছে যে, বিশ্বজগত চিৰন্তন নহয়, বৰং ইয়াৰ এটা আৰম্ভণি আছে।
- ✓ তেন্তে ইয়াক সৃষ্টি কৰা হৈছে নেকি? হয়। মুছলিমসকলে বিশ্বাস কৰে যে, বিশ্বজগতৰ বাহিৰৰ কোনো সত্তাই ইয়াক সৃষ্টি কৰিছে- তেৱেঁই হৈছে আল্লাহ, সৃষ্টিকৰ্তা তথা উপাস্য।

| তেন্তে আল্লাহক কোনে সৃষ্টি কৰিছে? | আল্লাহক কোনেও সৃষ্টি কৰা নাই। আনহাতে বিশ্বজগত আৰু অন্যান্য সকলো সৃষ্টিকেই সৃষ্টি কৰা হৈছে। আল্লাহ হৈছে অনন্ত, চিৰন্তন। তেওঁৰ কোনো আৰম্ভণিও নাই আৰু অন্তও নাই। |
|---|---|

CONTENTS






# দ্বিতীয় কাৰণঃ বিশ্বজগতৰ শৃংখলা

আল্লাহৰ প্ৰতি ঈমান পোষণ কৰাৰ আন এটা সহজ কাৰণ হৈছে তলত দিয়া যুক্তি অনুসৰি বিশ্বজগতৰ শৃংখলাৰ ওপৰত চিন্তা-চৰ্চা কৰা:

১. যিকোনো শৃংখলাবদ্ধ বস্তুৱে বুদ্ধিমত্তাৰ ইংগিত বহন কৰে।

২. আমাৰ সৌৰজগতখন চৰম পৰ্যায়ৰ ব্যৱস্থাপনা, নিয়ম আৰু আৰ্হিৰ সৈতে অতি শৃংখলাবদ্ধভাৱে সুসজ্জিত।

৩. আমাৰ বিশ্বজগতৰ শৃংখলাবদ্ধতাই সৃষ্টিকৰ্তাৰ বুদ্ধিমত্তাৰ ইংগিত বহন কৰে।

বিশ্বজগতৰ বহুতো বৈশিষ্ট্যই স্পষ্টভাৱে প্ৰমাণ কৰে যে, জীৱ-জগতৰ বাবে ইয়াক বিশেষভাৱে ডিজাইন কৰা হৈছে। এই জোখ-মাখত বৰ্তমানৰ তুলনাত যদি অকণো হেৰফেৰ হ'লহেঁতেন তেন্তে জীৱৰ অস্তিত্ব ইয়াত নাইকীয়া হ'লহেঁতেন। উদাহৰণস্বৰূপে,

- অ'জন স্তৰ
- পৃথিৱীৰ উপৰিভাগৰ ডাঠ আৱৰণ
- বতাহত অক্সিজেন %
- সূৰ্য্যৰ পৰা দূৰত্ব
- সূৰ্য্য, পৃথিৱী আৰু চন্দ্ৰৰ আপেক্ষিক আকাৰ।

দৈৱক্ৰমে, কোনো তত্বাৱধায়ন নোহোৱাকৈ এনেকুৱা এটা বৃহৎ জটিল বিশ্বজগত গঠন হোৱাটো সম্ভৱনে? জানি থোৱা উচিত যে, ইছলামে বৈজ্ঞানিক গৱেষণা আৰু এই বিষয়ে চিন্তা-চৰ্চা কৰা বিষয়টোক উৎসাহিতহে কৰে। আল্লাহে তেওঁৰ সৃষ্টিজগতৰ মাজত স্থাপন কৰা বহুতো নিদৰ্শন সম্পৰ্কে চিন্তা-চৰ্চা কৰাৰ ক্ষেত্ৰত বিজ্ঞানৰ গৱেষণাই আমাক সহায় কৰে, লগতে তেওঁৰ শক্তি-সামৰ্থ আৰু প্ৰজ্ঞাৰ পৰিসৰৰ শলাগ লোৱাতো সহায় কৰে।

# তৃতীয় কাৰণঃ অহী – আল-কোৰআন

কোৰআনে আল্লাহৰ অস্তিত্বৰ দৃঢ় প্ৰমাণ প্ৰদান কৰে। ইয়াৰ শৈলী, প্ৰজ্ঞা, পথ প্ৰদৰ্শন, বাকপটুতা আৰু অনন্যতাৰ লগতে পাঠকক কেনেকৈ সম্বোধন কৰিব লাগে তাৰ স্বকীয়তাও ইয়াৰ অতুলনীয়।

- ইয়াৰ ভিতৰত কোনো ভুল বা বৈপৰীত্য নাই
- ইয়াত আছে আল্লাহ সম্পৰ্কে বিশুদ্ধ আৰু স্পষ্ট বৰ্ণনা
- আৰবী ভাষাৰ উচ্চ পৰ্যায়ৰ সৌন্দৰ্য্যৰ বহিঃপ্ৰকাশ
- ইয়াক নবী মুহাম্মদৰ ওপৰত অৱতীৰ্ণ কৰা হৈছে, তেওঁ আছিল এজন নিৰক্ষৰ মানুহ।
- সংৰক্ষিত - ১৪০০ বছৰতকৈও অধিক সময় পাৰ হোৱাৰ পিছতো ইয়াৰ ভিতৰত কোনো পৰিৱৰ্তন হোৱা নাই।
- মানুহৰ আচৰণ সম্পৰ্কে গভীৰ উপলব্ধি।
- লাখ লাখ মানুহে ইয়াক মুখস্থ কৰিছে।
- এনেকুৱা এনেকুৱা বৈজ্ঞানিক তথ্য ইয়াৰ ভিতৰত সন্নিবিষ্ট আছে যিবোৰ সেই সময়ত কোনেও জনা নাছিল।

"সুনিশ্চিত বিশ্বাসীসকলৰ বাবে পৃথিৱীত আছে বহুতো নিদৰ্শন, আৰু তোমালোকৰ নিজৰ মাজতো আছে (বহুতো নিদৰ্শন)। তোমালোকে লক্ষ্য নকৰা নেকি?" (ছুৰা আজ-জাৰিয়াতঃ ২০-২১)

CONTENTS

ইছলাম পৰিচিতি
নবী মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম
যীচু বা ঈছা মছীহঃ আল্লাহৰ এজন ৰাছুল
ইছলামত উপাস্যৰ ধাৰণা
আল-কোৰআন
জীৱনৰ উদ্দেশ্য কি?
ইছলাম সম্পৰ্কে কিছুমান ভুল ধাৰণা
ইছলামত নাৰীৰ অধিকাৰ
কোৰআনৰ বৈজ্ঞানিক অলৌকিকতা
ইছলামৰ দৃষ্টিত মৃত্যু আৰু পৰকাল



# আল্লাহ কোন?

ইছলামৰ অন্যতম এটা মূল সৌন্দৰ্য্য হৈছে এই যে, ইছলামে কোনো আপোচ নকৰাকৈ আল্লাহৰ পূৰ্ণাংগ গুণাৱলী, মহত্ত্ব আৰু তেওঁৰ একত্ববাদক বিনাদ্বিধাই স্বীকাৰ কৰে।

- আল্লাহ হৈছে একক তথা অদ্বিতীয়, তেওঁৰ কোনো সমকক্ষ নাই, অংশীদাৰ আৰু পুত্ৰও নাই।
- মহান আল্লাহ, একমাত্ৰ তেৱেঁই প্ৰত্যক্ষভাৱে তথা এককভাৱে ইবাদতৰ যোগ্য (কোনো মধ্যস্থতাকাৰীৰ প্ৰয়োজন নাই)।
- মহান আল্লাহ হৈছে পূৰ্ণাংগ গুণাৱলীৰ অধিকাৰী, নিখুঁত আৰু ত্ৰুটিহীন – তেওঁৰ মাজত কোনো সীমাবদ্ধতা আৰু দুৰ্বলতা নাই।
- আল্লাহ হৈছে পৰম দয়ালু - তেওঁ জানে যে আমি অসম্পূৰ্ণ আৰু পাপ কৰোঁ। ইয়াৰ পিছতো তেওঁ আমাৰ স্বীকাৰোক্তিক মূল চাবিকাঠি হিচাপে ৰাখিছে, আমি যেন সদায় তেওঁৰ ওচৰত আমাৰ ভুলবোৰ স্বীকাৰ কৰোঁ আৰু আন্তৰিকতাৰে ক্ষমা বিচাৰোঁ।
- আল্লাহে কেতিয়াও তেওঁৰ সৃষ্টিৰ মাজত প্ৰৱেশ নকৰে। আনহাতে কোনো সৃষ্টিয়েই তেওঁৰ ঐশ্বৰিক বৈশিষ্ট্যৰ অংশীদাৰ নহয়।


ইছলামত আল্লাহ সম্পৰ্কে বুজিবলৈ যত্ন কৰাৰ সময়ত যীচুৰ অৱস্থান সম্পৰ্কে আলোচনা কৰাটো খুবেই প্ৰয়োজন হৈ পৰে। কাৰণ যীচু সম্পৰ্কে ব্যাপক বিভ্ৰান্তি আৰু বিভিন্ন ধৰণৰ দাবী প্ৰচাৰিত হৈ আহিছে।

ইছলামে যীচুক এজন সন্মানীয় নবী আৰু আল্লাহৰ এজন ৰাছুল হিচাপে স্বীকাৰ কৰে, কিন্তু মুছলিমসকলে তেওঁক উপাসনা নকৰে – কাৰণ ইবাদত উপাসনাৰ যোগ্য হৈছে একমাত্ৰ আল্লাহ তাআলা, যিয়ে যীচুক আৰু অস্তিত্ব লাভ কৰা সকলো বস্তুকে সৃষ্টি কৰিছে। এতেকে যীচুক আল্লাহ বুলি, বা আল্লাহৰ পুত্ৰ বুলি নাইবা তিনিৰ তৃতীয় বুলি ধাৰণা কৰা বিশ্বাসটো হৈছে ইছলামত থকা আল্লাহ সম্পৰ্কীয় বিশুদ্ধ শিক্ষাৰ স্পষ্টৰূপে পৰিপন্থী।

| যীচু নিজেই যদি আল্লাহ আছিল, তেন্তে তেওঁ কাক প্ৰাৰ্থনা কৰিছিল? | খ্ৰীষ্টান শিক্ষাত এনেকুৱা বহুতো উদাহৰণ পোৱা যায় যে, যীচুৱে পৃথক সত্তা (বা শৰীৰ) হিচাপে কথা কৈছিল আৰু বিভিন্ন কাম কৰিছিল। এইদৰে, যীচুৱে ঈশ্বৰক প্ৰাৰ্থনাও কৰিছিল। |
|---|---|
| মহান আল্লাহ সম্পূৰ্ণ আৰু অসম্পূৰ্ণ দুয়োটা কেনেকৈ হ'ব পাৰে? | যীচু জন্ম গ্ৰহণ কৰিছিল, তেওঁ আহাৰ কৰিছিল, টোপনিও মাৰিছিল আৰু তেওঁৰ ওচৰত আছিল সীমিত জ্ঞান। এই সকলোবোৰ বৈশিষ্ট্য মহান আল্লাহৰ বাবে প্ৰযোজ্য নহয়। মহান আল্লাহ হৈছে পূৰ্ণাংগ তথা পৰিপূৰ্ণ গুণাৱলীৰ অধিকাৰী, পক্ষান্তৰে মানুহৰ গুণাৱলী হৈছে অপৰিপূৰ্ণ। |
| তেন্তে "আল্লাহৰ পুত্ৰ" বুলি কোৱা পৰিভাষাটোৰ প্ৰকৃত অৰ্থ কি? | আমি দেখিবলৈ পাওঁ যে প্ৰাচীন বাইবেলৰ ভাষাত 'আল্লাহৰ পুত্ৰ' শব্দটোক 'ধাৰ্মিক ব্যক্তি'ৰ বাবে প্ৰতীকী শব্দ হিচাপে ব্যৱহাৰ কৰা হৈছিল- এইটো কেৱল যীচুৰ বাবেই নহয়, আৰু বহুতো লোকৰ ক্ষেত্ৰত ব্যৱহৃত হৈছে। মহান আল্লাহ শাৰীৰিক আৰু আক্ষৰিক পুত্ৰ গ্ৰহণৰ পৰা বহু ঊৰ্দ্ধত। |
| যদি আল্লাহে সকলো কৰিব পাৰে তেন্তে তেওঁ মানুহ হ'ব নোৱাৰে কিয়? | মহান আল্লাহে সদায় পূৰ্ণাংগ বৈশিষ্ট্য বজাই ৰাখে, তেওঁ এনেকুৱা কাম কেতিয়াও নকৰে যি কাম তেওঁৰ পূৰ্ণাংগ বৈশিষ্ট্যৰ পৰিপন্থী। 'ইলাহ' শব্দৰ সংজ্ঞা অনুসৰি ঈশ্বৰে কেতিয়াও ঐশ্বৰিক কৰ্মৰ পৰিপন্থী কোনো কাম নকৰে। গতিকে, ঈশ্বৰে যদি মানুহ হৈ মানৱীয় বৈশিষ্ট্য গ্ৰহণ কৰে, তেন্তে মানৱীয় বৈশিষ্ট্য গ্ৰহণৰ পিছত তেওঁ ঈশ্বৰ বুলি বিবেচিত হ'বই নোৱাৰে। |


CONTENTS

























বহুতো নবী আৰু ৰাছুল যেনে- আদম, নূহ, ইব্ৰাহীম, মূছা, ঈছা আৰু মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম আদি সকলোৱে এক আল্লাহৰ প্ৰতি ঈমান পোষণ কৰিবলৈ আৰু এককভাৱে তেওঁৰেই উপাসনা কৰিবলৈ মানুহক আহ্বান কৰিছিল আৰু অন্যান্য বাতিল উপাস্যবোৰক অস্বীকাৰ কৰিছিল, লগতে তেওঁলোকে স্পষ্টভাৱে বৰ্ণনা কৰিছিল যে, আল্লাহৰ ইবাদত-উপাসনা কিদৰে কৰিব লাগে।

যেনে- কিদৰে নেক কাম কৰিব লাগে আৰু মানুহৰ সৈতে কিদৰে সদাচৰণ কৰিব লাগে, আনুগত্যৰ ফলত ছোৱাব তথা জান্নাত লাভ হ'ব বুলিও স্পষ্ট কৰিছিল।

লগতে তেওঁলোকে পাপকৰ্ম আৰু অবাধ্যতাৰ পৰা মানুহক সতৰ্ক কৰিছিল, যাৰ পৰিণাম হৈছে জাহান্নাম।

এই মহান বাৰ্তা সহকাৰেই আল্লাহে যুগে যুগে প্ৰতিটো উম্মতলৈ নবীসকলক প্ৰেৰণ কৰিছিল যে, সিহঁতে যেন একমাত্ৰ আল্লাহৰেই ইবাদত কৰে। সেয়েহে, মুছলিমসকলে সকলো নবীকেই মুহাব্বত কৰে আৰু তেওঁলোকক সন্মান কৰে, কিন্তু তেওঁলোকৰ উপাসনা নকৰে আৰু তেওঁলোকক উপাসনাৰ যোগ্য বুলিও গণ্য নকৰে, কাৰণ উপাসনাৰ যোগ্য হৈছে একমাত্ৰ আল্লাহ তাআলা।

# জীৱনৰ উদ্দেশ্য

সৰ্বজ্ঞানী, প্ৰজ্ঞাৱান আল্লাহে আমাক লক্ষ্যহীনভাৱে কেৱল বিচৰণ কৰিবলৈ বা কেৱল আমাৰ প্ৰবৃত্তিৰ চাহিদা আৰু ইচ্ছা পূৰণ কৰিবলৈ সৃষ্টি কৰা নাই। বৰং আমাক সৃষ্টি কৰাৰ আছে এটা উচ্চ তথা মহৎ উদ্দেশ্য– সেয়া হৈছে আল্লাহৰ প্ৰতি ঈমান পোষণ কৰা আৰু একমাত্ৰ তেওঁৰেই উপাসনা কৰা, লগতে আমি যাতে সৃষ্টিকৰ্তাই দিয়া নিৰ্দেশনা বা চৰীয়ত অনুযায়ী জীৱন-যাপন কৰোঁ। এই হিদায়তেই হৈছে সুখী জীৱন লাভ কৰাৰ অন্যতম উপায় আৰু সকলো ক্ষেত্ৰতেই সফল হোৱাৰ অন্যতম চাবিকাঠি।

এইটো মহান আল্লাহৰ এটা ঐশ্বৰিক হিকমত যে, তেওঁ আমাক সৃষ্টি কৰিছে আৰু তেওঁক চিনি পোৱাৰ এটা সুযোগ কৰি দিছে, লগতে আমাক আমাৰ জীৱনৰ অভিজ্ঞতা লাভ কৰিবলৈ সুবিধা দিছে আৰু আমাক পছন্দ অপছন্দ কৰিবলৈ ইচ্ছা শক্তি প্ৰদান কৰিছে।

ইছলাম হৈছে এটা সম্পূৰ্ণ তথা পৰিপূৰ্ণ বাস্তৱিক জীৱনশৈলী, যিয়ে মুছলিমসকলক সমাজৰ সুষম, মান্য আৰু অৱদানকাৰী সদস্য হ'বলৈ শিক্ষা দিয়ে। ইছলামত থকা ইবাদতৰ ধাৰণাটোৰ জৰিয়তে কেৱল নামাজ পঢ়া আৰু আল্লাহৰ ওচৰত দুআ কৰাকেই বুজোৱা নহয়। বৰং এইটো হৈছে এটা বহল সংজ্ঞা, যাৰ ভিতৰত প্ৰত্যেক সেই কথা আৰু কৰ্ম অন্তৰ্ভুক্ত হৈ আছে, যিটো কৰিলে আল্লাহ সন্তুষ্ট হয় তথা যিটোক আল্লাহে পছন্দ কৰে। তাৰে কিছুমান উদাহৰণ হ'ল-

- হালাল উপায়েৰে তথা সৎ পথেৰে জীৱিকা উপাৰ্জন কৰা।
- অন্যায়-অত্যাচাৰৰ বিৰোধিতা কৰা।
- অনাথ শিশুৰ যত্ন লোৱা।
- পৰিৱেশৰ যত্ন লোৱা।
- ধৈৰ্য্য ধাৰণ কৰা আৰু বিনয়ী হোৱা।
- সমাজক উপকৃত কৰা।
- পিতৃ-মাতৃক সন্মান কৰা।
- ন্যায়ৰ পক্ষত থিয় দিয়া।
- প্ৰতিৱেশীৰ সৈতে সদ্ব্যৱহাৰ কৰা।
- আল্লাহৰ তাক্বৱা অৱলম্বন কৰা।
- নিজৰ পৰিয়ালক সুচাৰুৰূপে পৰিচালনা কৰা।
- সঁচা কথা কোৱা।

আল্লাহক সন্তুষ্ট কৰিবলৈ হ'লে ইবাদত মূলক কাৰ্য্যত নিৰ্ভেজাল নিয়্যত থকাটো খুবেই বাঞ্চনীয়, লগতে ইছলামিক নিৰ্দেশনা অনুসৰি সঠিক পদ্ধতিত পালন কৰাটোও অনিবাৰ্য।

CONTENTS







# ইছলামে কি কয়?

নাৰী সম্পৰ্কেঃ ইছলামত নাৰীৰ সন্মান সৰ্বোচ্চ। তেওঁলোকৰ সৈতে মৰম, সন্মান আৰু মৰ্যাদা সম্পন্ন ব্যৱহাৰ কৰা অনিবাৰ্য। তেওঁলোক পুৰুষৰ সমানেই মৰ্যাদা সম্পন্ন, তেওঁলোকৰ এই বাস্তৱ অধিকাৰ কোনো শক্তি-সামৰ্থ আৰু অন্যায়-অত্যাচাৰ দ্বাৰা পৰিবৰ্তন কৰাটো কোনো পধ্যেই উচিত নহয়।

সন্ত্ৰাসবাদ সম্পৰ্কেঃ ইছলামে নিৰীহ লোকক হত্যা কৰাটো হাৰাম কৰিছে, তথা ইয়াক অপৰাধ হিচাপে গণ্য কৰিছে, তাৰ ধৰ্ম আৰু বৰ্ণ যিয়েই নহওক কিয়। আনহাতে ইছলামে কেইবাটাও উচ্চ আৰু বৈধ লক্ষ্যক সন্মুখত ৰাখি যুদ্ধক অনুমতি প্ৰদান কৰিছে, যাতে সমাজ ব্যৱস্থা সুৰক্ষিত থাকে, অন্যায়-অত্যাচাৰ বিয়পি নপৰে আৰু ন্যায় প্ৰসাৰিত হয়।

হালাল উপাৰ্জন সম্পৰ্কেঃ সেইবোৰ খাদ্যক হালাল বুলি কোৱা হয়, যিবোৰ ভক্ষণ কৰা মুছলিমসকলৰ বাবে বৈধ। মাংস খাবলৈ হাঁহ-কুকুৰাক জবেহ কৰা অনিবাৰ্য, যাতে দুখ-কষ্ট কম হয়, এইটোও এটা মানৱীয়তা, লগতে জবেহ কৰাৰ সময়ত বিছমিল্লাহ বুলি কোৱাটো অনিবাৰ্য।

বিৱৰ্তন সম্পৰ্কেঃ আল্লাহে চূড়ান্ত ৰূপত সৃষ্টি কৰা প্ৰথম মানৱজন হৈছে আদম আলাইহিচ্ছালাম- তেওঁ বান্দৰৰ পৰা বিৱৰ্তন হৈ বিকশিত হোৱা নাছিল। এই বিষয়টোক বিজ্ঞানে প্ৰত্যক্ষভাৱে নিশ্চিতও কৰিব নোৱাৰে আৰু অস্বীকাৰো কৰিব নোৱাৰে, কাৰণ এইটো আছিল এটা অনন্য আৰু একক ঐতিহাসিক পৰিঘটনা- এক অলৌকিক বিষয়। গতিকে এইটো অভিজ্ঞতাভিত্তিক অনুসন্ধানৰ পৰিসীমাৰ বাহিৰৰ এটা বিষয়।



CONTENTS


ইছলাম পৰিচিতি

নবী মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম

যীচু বা ঈছা মছীহঃ আল্লাহৰ এজন ৰাছুল

ইছলামত উপাস্যৰ ধাৰণা

আল-কোৰআন

জীৱনৰ উদ্দেশ্য কি?

ইছলাম সম্পৰ্কে কিছুমান ভুল ধাৰণা

ইছলামত নাৰীৰ অধিকাৰ

কোৰআনৰ বৈজ্ঞানিক অলৌকিকতা

ইছলামৰ দৃষ্টিত মৃত্যু আৰু পৰকাল


# নবী মুহাম্মদ

## চাল্লাল্লাহু আলাইহি অছাল্লাম

ASSAMESE (INDIA) (02/10) النبي محمد عليه الصلاة والسلام FREE COPY

এই মহান ব্যক্তি সম্পৰ্কে আপুনি নিশ্চয় জনা উচিত।


جمعية دار البر
Dar Al Ber Society
www.daralber.ae

الإمارات
THE EMIRATES

Your Path To Peace..

مركز المعلومات الإسلامي
Islamic Information Center
للتعريف بالإسلام

تصريح رقم:
(2017/139)

دائرة الشؤون الإسلامية والعمل الخيري
Islamic Affairs & Charitable Activities Department


www.islamicic.com

CONTENTS
























# মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম কোন?

মহান আল্লাহে পৱিত্ৰ কোৰআনত কৈছেঃ নিশ্চয় তোমালোকৰ মাজৰ যিসকলে আল্লাহৰ (সন্তুষ্টি কামনা কৰে) আৰু আখিৰাতৰ (ভাল ফলাফল) আশা কৰে, লগতে আল্লাহক বেছি বেছি স্মৰণ কৰে, তেওঁলোকৰ বাবে আল্লাহৰ ৰাছুলৰ (চৰিত্ৰৰ) মাজত আছে উত্তম আদৰ্শ।

(ছুৰা আহঝাবঃ ২১)

মুছলিমসকলে বিশ্বাস কৰে যে, মুহাম্মদ (চাল্লাল্লাহু আলাইহি অছাল্লাম) হৈছে নবীসকলৰ ধাৰাবাহিকতাৰ সৰ্বশেষ নবী, আল্লাহে তেওঁলোকক এইকাৰণে প্ৰেৰণ কৰিছিল যে, যাতে তেওঁলোকে মানুহক একমাত্ৰ আল্লাহৰ ইবাদতৰ পিনে আহ্বান কৰে। নবীসকলৰ এই ধাৰাবাহিকতাৰ মাজৰ কিছু অন্যতম নাম হৈছে যেনে- আদম, নূহ, ইব্ৰাহীম, ইছমাঈল, ইছহাক, য়াকূব, ইউছুফ, মূছা, দাঊদ, ছুলাইমান আৰু ঈছা আলাইহিমুচ্ছালাম।

এইদৰে মুছলিমসকলে বিশ্বাস কৰে যে, মূছা আলাইহিচ্ছালামৰ ওপৰত তাওৰাত অৱতীৰ্ণ কৰা হৈছিল (মূছা আলাইহিচ্ছালামৰ ওপৰত অৱতীৰ্ণ হোৱা তাওৰাতখন আছিল অৰ্জিনেল, কিন্তু বৰ্তমান উপলব্ধ তাওৰাতখন হৈছে বিকৃত) এইদৰে ঈছা আলাইহিচ্ছালামৰ ওপৰত অৱতীৰ্ণ হৈছিল ইঞ্জীল (ঈছা বা যীচুৰ ওপৰত অৱতীৰ্ণ হোৱা ইঞ্জীলখনো আছিল অৰ্জিনেল, কিন্তু বৰ্তমান যিখন ইঞ্জীল পোৱা যায় সেইখন হৈছে বিকৃত), এইদৰে মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওপৰত অৱতীৰ্ণ হোৱা গ্ৰন্থখন হৈছে আল-কোৰআন, যাতে তেওঁ মানুহক ইয়াৰ ভিতৰত থকা বাৰ্তাসমূহ স্পষ্টভাৱে বুজাই দিয়ে। এই কোৰআনখন হৈছে আল্লাহৰ ফালৰ পৰা সংৰক্ষিত, কিয়ামত পৰ্যন্ত ইয়াত কোনো ধৰণৰ পৰিৱৰ্তন, পৰিৱৰ্ধন হোৱাটো সম্ভৱ নহয়। চৈধ্য শ বছৰতকৈ অধিক সময় পাৰ হোৱাৰ পিছতো এতিয়ালৈকে ইয়াত কোনো ধৰণৰ জবৰ, জেৰ (আকাৰ, ইকাৰ)ও পৰিৱৰ্তন হোৱা নাই।

উম্মুল মুমিনীন আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাক ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ জীৱন চৰিত সম্পৰ্কে প্ৰশ্ন কৰাত তেওঁ উত্তৰত কৈছিলঃ পৃথিৱীত চলাফুৰা কৰা তেখেত আছিল এজন জীৱন্ত কোৰআন অৰ্থাৎ তেখেতে কোৰআনৰ যাৱতীয় শিক্ষাক নিখুঁতভাৱে নিজৰ দৈনন্দিন জীৱনত কাৰ্যকৰী কৰিছিল। ইয়াত আমি এইটোৱে স্পষ্টভাৱে উল্লেখ কৰাৰ চেষ্টা কৰিম যে, তেখেতে কোৰআনৰ বাণীসমূহক কিদৰে নিজৰ কৰ্ম জীৱনত কাৰ্যকৰী কৰিছিল।

# দয়ালু ৰাছুল

মহান আল্লাহে কৈছেঃ আমি তোমাক বিশ্ববাসীৰ বাবে কেৱল ৰহমত হিচাপেহে প্ৰেৰণ কৰিছোঁ।

(ছুৰা আম্বীয়াঃ ১০৭)

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে মানুহক অকল নামাজ আৰু দান খয়ৰাতৰ প্ৰতিয়ে আহ্বান কৰা নাছিল, বৰং তেখেতে এই শিক্ষা দি গৈছে যে, আল্লাহৰ প্ৰতি ঈমান পোষণ কৰা ব্যক্তিৰ কৰ্ম দেখি যাতে অন্যান্য লোকসকলেও প্ৰভাৱিত হয় তথা ভাল ব্যৱহাৰ কৰিবলৈ শিকে, ফলত সকলোৰে জীৱন যাতে সুন্দৰ হয়। তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে: "তোমালোকৰ ভিতৰত শ্ৰেষ্ঠ হৈছে সেইজন ব্যক্তি, যিজন সৰ্বোত্তম চৰিত্ৰৰ অধিকাৰী।"

নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ বহুতো বাণীত ঈমান আৰু আমলৰ মাজৰ সম্পৰ্কৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছে, উদাহৰণস্বৰূপে তেখেতে কৈছেঃ যি ব্যক্তিয়ে আল্লাহ আৰু অন্তিম দিৱসৰ প্ৰতি ঈমান পোষণ কৰিছে, তেওঁ যেন নিজ প্ৰতিৱেশীক কষ্ট নিদিয়ে। তথা যি ব্যক্তিয়ে আল্লাহ আৰু অন্তিম দিৱসৰ প্ৰতি ঈমান পোষণ কৰিছে, তেওঁ যেন অতিথিক সন্মান কৰে। লগতে যি ব্যক্তিয়ে আল্লাহ আৰু কিয়ামত দিৱসক বিশ্বাস কৰে, তেওঁ যেন উত্তম কথা কয়, অন্যথা চুপ থাকে। (বুখাৰী, ৬০১৮)

CONTENTS




লগতে সৰ্বশেষ নবী মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লামে মানুহক এই কথাও শিকাইছে যে, সিহঁতে যেন ইজনে সিজনৰ প্ৰতি দয়া কৰে আৰু ইজনে সিজনক সন্মান কৰে। তেখেতে কৈছেঃ “যিয়ে আনৰ প্ৰতি দয়া নকৰিব, তাৰ প্ৰতিও দয়া কৰা নহ’ব”। (বুখাৰী, ৫৯৯৭)

আন এটা বৰ্ণনাত আহিছে যে, কিছুমান চাহাবাই তেখেতক অনুৰোধ কৰিছিল যে, মুশ্বৰিকসকলৰ ওপৰত শাস্তি অৱতীৰ্ণ কৰিবলৈ তেখেতে যেন আল্লাহৰ ওচৰত প্ৰাৰ্থনা কৰে, কিন্তু তেখেতে ইয়াৰ উত্তৰত কৈছিলঃ “মই অভিশাপ দিবলৈ প্ৰেৰিত হোৱা নাই, বৰং মই ৰহমত হিচাপে প্ৰেৰিত হৈছোঁ”। (মুছলিম, ২৫৯৯)

## ক্ষমাশীলতা

> মহান আল্লাহে কৈছেঃ তেওঁলোকে সিহঁতক ক্ষমা কৰি দিয়া উচিত আৰু সিহঁতৰ দোষ-ক্ৰুটিবোৰ উপেক্ষা কৰা উচিত। তোমালোকে নিবিচৰা নেকি যে, আল্লাহে তোমালোকক ক্ষমা কৰক? (ছুৰা নূৰঃ ২২)

মহা নবী চাল্লাল্লাহু আলাইহি অছাল্লাম অধিক ক্ষমাশীল আছিল, কোমল তথা সহজ-সৰল অন্তৰৰ গৰাকী আছিল। যদি কোনোবাই কেতিয়াবা তেখেতক কষ্ট দিছিল, তেখেতে তাক ক্ষমা কৰি দিছিল। মানুহে তেখেতক যিমানেই কষ্ট দিছিল, তেখেতে সিমানেই ধৈৰ্য্য ধাৰণ কৰিছিল। তেখেত অত্যন্ত ক্ষমাশীল আৰু মাৰ্জনাকাৰী আছিল। বিশেষকৈ যেতিয়া তেওঁৰ হাতত ক্ষমতা আছিল আৰু প্ৰতিশোধ লোৱাৰ শক্তি আছিল।

মহা নবী চাল্লাল্লাহু আলাইহি অছাল্লাম ক্ষমা তথা মাৰ্জনাৰ গুণেৰে বিশেষিত আছিল। আক্ৰমণ বা ক্ষতিৰ পৰিমাণ যিমানেই ডাঙৰ নহওক কিয়, তেখেতৰ ক্ষমাৰ তুলনাত কোনো ক্ৰুটিয়ে ডাঙৰ নাছিল। তেখেত চাল্লাল্লাহু আলাইহি অছাল্লাম ক্ষমা আৰু মাৰ্জনাৰ ক্ষেত্ৰত শ্ৰেষ্ঠ আদৰ্শ মানৱ আছিল। উদাহৰণস্বৰূপে কোৰআনত কোৱা হৈছেঃ

(হে মুহাম্মদ!) মানুহৰ (চৰিত্ৰ আৰু কৰ্মৰ) উৎকৃষ্ট অংশ গ্ৰহণ কৰক (অৰ্থাৎ ক্ষমা কৰক), সৎকৰ্মৰ আদেশ দিয়ক আৰু অজ্ঞসকলক এৰাই চলক। (ছুৰা আল-আ’ৰাফঃ ১৯৯)

## সমতা

> নিশ্চয় তোমালোকৰ মাজত আল্লাহৰ ওচৰত সেইজন ব্যক্তি বেছি মৰ্যাদাশীল, যিজন তোমালোকৰ মাজত বেছি তাক্বৱা সম্পন্ন (অধিক ধাৰ্মিক)। (ছুৰা আল-হুজুৰাতঃ ১৩)

তলত উল্লেখ কৰা হাদীছ কেইটাত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে শিকাইছে যে, মানৱতাৰ ক্ষেত্ৰত আল্লাহৰ দৃষ্টিত সকলো মানুহেই সমান।

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ “হে মানৱজাতি! নিশ্চয় তোমালোকৰ আদি পিতা হৈছে আদম আৰু আদমক মাটিৰে সৃষ্টি কৰা হৈছে। জানি থোৱা, কোনো অনাৰবীয়ানৰ ওপৰত আৰবীয়ানৰ, আৰু কোনো আৰবীয়ানৰ ওপৰত কোনো অনাৰবীয়ানৰ মৰ্যাদাৰ ক্ষেত্ৰত কোনো প্ৰাধান্যতা নাই, লগতে কোনো ৰঙা মানুহৰ ওপৰত নিগ্ৰো মানুহৰ, আৰু কোনো নিগ্ৰো মানুহৰ ওপৰত শুভ্ৰ মানুহৰ মৰ্যাদাৰ ক্ষেত্ৰত কোনো প্ৰাধান্যতা নাই, মৰ্যাদা লাভৰ মানদণ্ড হৈছে কেৱল তাক্বৱা বা ধাৰ্মিকতা।” (আহমদঃ ২৩৪৮৯)

তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে আৰু কৈছেঃ আল্লাহে তোমালোকৰ চেহেৰা আৰু ধন-সম্পত্তিৰ প্ৰতি চাই বিচাৰ নকৰে, বৰং তেওঁ তোমালোকৰ অন্তৰত থকা তাক্বৱাৰ প্ৰতি আৰু আমলৰ প্ৰতি চাইহে ফয়চালা কৰে।” (মুছলিম, ২৫৬৪)

হাদীছত আহিছে নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ এজন চাহাবীয়ে আন এজন চাহাবীক আপত্তিজনক নামেৰে মাতিছিল, অৰ্থাৎ এই বুলি মাতিছিল যে, “হে কৃষ্ণাংগ মহিলাৰ পুত্ৰ”, এই কথা শুনি নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ক্ৰোধান্বিত হ’ল আৰু ক’লেঃ তুমি তাৰ মাকৰ ৰং উল্লেখ কৰি তাক নিন্দা কৰিছা নেকি? তোমাৰ ভিতৰত দেখোন এতিয়াও অজ্ঞতা যুগৰ বৈশিষ্ট্য বিদ্যমান আছে। (বুখাৰী, ৩০)


CONTENTS



























# সহনশীলতা

নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ অন্যতম এটা বৈশিষ্ট্য আছিল যে, "তেখেতে কেতিয়াও অন্যায়ৰ জৰিয়তে অন্যায়ক প্ৰতিহত কৰা নাছিল, বৰং তেখেতে ক্ষমা কৰি দিছিল আৰু ভাল ব্যৱহাৰ কৰিছিল"। (বুখাৰী, ৪৮৩৮) ৰাছুল মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লামে তেখেতৰ প্ৰতি ব্যক্তিগত আক্ৰমণ আৰু গালি-শপনিৰ ক্ষেত্ৰত তেখেতে এইদৰেই প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল।

মহান আল্লাহে কৈছেঃ ভাল আৰু বেয়া কেতিয়াও সমান হ'ব নোৱাৰে। সেয়ে উৎকৃষ্ট পন্থাৰে বেয়াক প্ৰতিহত কৰা, ফলত তোমাৰ আৰু যাৰ মাজত শত্ৰুতা আছে, (এনে কৰিলে) সি হৈ যাব তোমাৰ অন্তৰঙ্গ বন্ধুৰ দৰে। (ছুৰা ফুচ্ছিলাতঃ ৩৪)

ইছলামিক উৎস গ্ৰন্থসমূহত এনে কেইবাটাও ঘটনা উল্লেখ আছে, য'ত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেখেতৰ প্ৰতি অন্যায় কৰা লোকসকলৰ ওপৰত প্ৰতিশোধ লোৱাৰ সুযোগ পাইছিল, কিন্তু তেখেতে ক্ষমতা থকাৰ পিছতো প্ৰতিশোধ লোৱা নাছিল আৰু সিহঁতক ক্ষমা কৰি দিছিল।

তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে মানুহক বিপদ-আপদত আৰু কঠিন পৰিস্থিতিত ধৈৰ্য্য ধাৰণ কৰিবলৈ উপদেশ দিছিল। তেখেতে এজন চাহাবীক এইদৰে উপদেশ দি কৈছিল যে, "শক্তিশালী সেইজন নহয়, যিয়ে নিজৰ শক্তিৰে মানুহক পৰাজিত কৰে, বৰং প্ৰকৃত শক্তিশালী হৈছে সেইজন, যিয়ে ক্ৰোধ অৱস্থাত নিজকে নিয়ন্ত্ৰণ কৰে।" বুখাৰী (৬১১৪)

ধৈৰ্য্য আৰু সহনশীলতা অৱলম্বন কৰাৰ অৰ্থ এইটো নহয় যে, মুছলমান ব্যক্তি নিষ্ক্ৰিয়তাবাদী হ'ব লাগে আৰু আক্ৰমণৰ ক্ষেত্ৰত নিজকে ৰক্ষা কৰিব নালাগে। বৰং নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে যে, "শত্ৰুৰ সৈতে মুখামুখি হোৱাৰ কামনা নকৰিবা, আল্লাহৰ ওচৰত সদায় নিৰাপত্তা প্ৰাৰ্থনা কৰিবা, কিন্তু যদি কেতিয়াবা শত্ৰুৰ সৈতে মুখামুখি হ'বলগীয়া হয় তেন্তে তেতিয়া ধৈৰ্য্য ধাৰণ কৰিবা, (অৰ্থাৎ শত্ৰুৰ সৈতে মোকাবিলা কৰিবলৈ দৃঢ়তাৰে থিয় হ'বা)।" বুখাৰী (২৯৬৬)

# নমনীয়তা তথা ভদ্ৰতা

নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ এজন চাহাবীয়ে ১০ বছৰ তেখেতৰ খিদমত কৰাৰ (সেৱা আগবঢ়োৱাৰ) পিছত তেখেতৰ বিষয়ে কৈছে যে, তেখেতে সদায় তেওঁৰ সৈতে নম্ৰ-ভদ্ৰ ব্যৱহাৰ কৰিছিল। সেই চাহাবীজনৰ ভাষ্য এইদৰে হাদীছত বৰ্ণিত হৈছেঃ "মই কৰা কোনো কামৰ বিষয়ে তেখেতে কেতিয়াও এইটো কোৱা নাছিল যে, তুমি এইটো এনেকৈ কিয় কৰিলা? লগতে মই কোনো কাম নকৰাৰ বিষয়েও তেখেতে কেতিয়াও প্ৰশ্ন কৰা নাছিল যে, তুমি এইটো কিয় নকৰিলা?" তেখেত সকলো মানুহৰ প্ৰতি অত্যন্ত স্নেহশীল আছিল।

এতেকে আল্লাহৰ কৃপাত আপুনি সিহঁতৰ প্ৰতি নমনীয়তা অৱলম্বন কৰিছিল; যদি আপুনি ৰূঢ় আৰু কঠোৰচিত্ত হ'লহেঁতেন তেন্তে সিহঁত নিশ্চয় আপোনাৰ সঙ্গ ত্যাগ কৰিলেহেঁতেন। (ছুৰা আলে-ইমৰাণঃ ১৫৯)

এবাৰ তেখেতৰ স্ত্ৰীৰ সন্মুখত তেখেতক কোনোবাই অপমান কৰিছিল, ফলত তেখেতৰ স্ত্ৰীয়ে তাৰ প্ৰতি খঙেৰে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল

ইয়াৰ পিছতো তেখেতে তেখেতৰ স্ত্ৰীক উপদেশ দি কৈছিলঃ হে আঈশ্বা! বাদ দিয়া, নিশ্চয় আল্লাহ নম্ৰ, সেয়ে তেখেতে সকলো ক্ষেত্ৰতে নম্ৰতা আৰু ভদ্ৰতা পছন্দ কৰে।

তেখেতে আৰু কৈছেঃ নম্ৰতাই প্ৰতিটো বিষয়ক সৌন্দৰ্যমণ্ডিত কৰে, আৰু যিটো বিষয়ৰ পৰা নম্ৰতা বিদূৰিত হয়, সেইটোৰ সৌন্দৰ্য গুচি যায়। (মুছলিম, ২৫৯৪)

CONTENTS






# বিনয়

আৰু ৰহমানৰ (প্ৰকৃত) বান্দা তেওঁলোকেই যিসকলে পৃথিৱীত অত্যন্ত বিনম্ৰভাৱে চলাফুৰা কৰে আৰু যেতিয়া মুৰ্খসকলে তেওঁলোকক (অশালীন ভাষাত) সম্বোধন কৰে, তেতিয়া তেওঁলোকে কয়, 'ছালাম';
(ছুৰা ফুৰক্বান, ৬৩)

ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে তেখেতৰ উপস্থিতিত সন্মান জনোৱাৰ উদ্দেশ্যে মানুহক থিয় হ'বলৈ সদায় বাধা দিছিল। তেখেতে কোনো বৈঠকত গ'লে য'তেই ঠাই উপলব্ধ পাইছিল তাতেই বহিছিল, তেখেতে কেতিয়াও বিশিষ্ট বা উচ্চ স্থান বিচৰা নাছিল। চাহাবাসকলৰ পৰা নিজকে পৃথক কৰিব পৰা বা তেওঁলোকৰ তুলনাত নিজকে উচ্চ পদস্থ দেখুৱাব পৰা কোনো কাপোৰ তেখেতে কেতিয়াও পৰিধান কৰা নাছিল। তেখেতে সদায় দুখীয়া-অভাৱী আৰু আৰ্তজনৰ সৈতে থকাটো পছন্দ কৰিছিল; বৃদ্ধসকলৰ লগত বহিছিল আৰু বিধৱাসকলক সহায় কৰিছিল। তেখেত যেতিয়া মানুহৰ মাজত থাকিছিল তেতিয়া অচিনাকি কোনো ব্যক্তিয়ে তেখেতক চিহ্নিত কৰি উলিওৱাব পৰা নাছিল।

তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে চাহাবাসকলক সম্বোধন কৰি কৈছিলঃ নিশ্চয় আল্লাহে মোৰ প্ৰতি অহী কৰিছে যে, তোমালোক বিনয়ী হোৱা, আৰু কোনেও কাৰো প্ৰতি অহংকাৰ নকৰিবা, আৰু কোনেও কাৰো প্ৰতি অন্যায় নকৰিবা। (মুছলিম, ২৮৬৫)

তেখেতৰ বিনম্ৰতাৰ অন্যতম এটা প্ৰমাণ হৈছে এই যে, তেখেতে আশংকা কৰিছিল মানুহে যেন আল্লাহৰ বাহিৰে তেখেতক উপাসনা নকৰে, সেইটোও তেখেতে আগতীয়াকৈ সতৰ্ক কৰি গৈছিল। তেখেতে কৈছেঃ

"তোমালোকে মোৰ প্ৰশংসাত সীমালংঘন নকৰিবা, যিদৰে খ্ৰীষ্টানসকলে ঈছা ইবনে মৰিয়মৰ ক্ষেত্ৰত কৰিছিল। মই হৈছোঁ এজন বান্দা। গতিকে তোমালোকে মোক আল্লাহৰ বান্দা আৰু তেওঁৰ ৰাছুল বুলি ক'বা"।

# আদৰ্শ স্বামী

আল্লাহে পৱিত্ৰ কোৰআনত কৈছেঃ তোমালোকে সিহঁতৰ লগত সৎভাৱে জীৱন-যাপন কৰিবা;
(ছুৰা আন-নিছাঃ ১৯)

নবীৰ প্ৰিয় পত্নী উম্মুল মু'মিনীন আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাই কৈছে: "তেখেতে ঘৰোৱা কামত সহায় কৰিছিল আৰু কেতিয়াবা কাপোৰো চিলাই কৰিছিল, জোতা মেৰামতি কৰিছিল আৰু ঘৰৰ অন্যান্য কামো কৰিছিল, যিদৰে তোমালোকে ঘৰৰ কাম কৰা।" আহমদ (২৫৩৪১)

তেখেত কেৱল এজন নিষ্ঠাবান স্বামীয়েই নাছিল, বৰং চাহাবাসকলকো তেখেতৰ আদৰ্শ অনুসৰণ কৰিবলৈ উৎসাহিত কৰিছিল। তেখেতে কৈছে: তোমালোকৰ মাজত পূৰ্ণাংগ মুমিন হৈছে সেইজন, যিজন উত্তম চৰিত্ৰৰ অধিকাৰী তথা যিজন নিজৰ পত্নীৰ ওচৰত উত্তম। আহমদ (২৪২০৪)

CONTENTS




# উত্তম আদৰ্শ

ওপৰত উল্লেখিত কথাখিনি হৈছে তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামে কেনেকৈ জীৱন কটাইছিল তাৰ এটা আভাস মাথোঁ। সংবাদ মাধ্যমবোৰত ইছলামৰ যিটো চিত্ৰ দাঙি ধৰা হৈছে আৰু তেখেতৰ বিষয়ে অহৰহ যি ভুল বাৰ্তা মানুহৰ মাজত প্ৰচাৰ কৰা হৈছে সেইবোৰৰ তুলনাত এইবোৰ কথা হয়তো কিছুমান মানুহৰ বাবে আচৰিত লাগিব পাৰে।

> মহান আল্লাহে কৈছেঃ নিশ্চয় আপুনি মহান চৰিত্ৰৰ উচ্চ শৃঙ্গত অধিষ্ঠিত।
> (ছুৰা আল-ক্বলমঃ ৪)

গতিকে গুৰুত্বপূৰ্ণ কথাটো হৈছে যে, আমি ইছলাম সম্পৰ্কে কিবা জানিবলৈ তথা বুজিবলৈ ইচ্ছা কৰিলে পোনপটীয়াকৈ মূল উৎসসমূহৰ পৰা জনাৰ চেষ্টা কৰিব লাগে, যেনে- কোৰআনৰ পৰা আৰু তেখেত চাল্লাল্লাহু আলাইহি অছাল্লামৰ বাণী হাদীছৰ পৰা। কিছুমান মুছলিমৰ কৰ্মৰ ওপৰত ভিত্তি কৰি ইছলামক বিচাৰ কৰাটো মুঠেও ঠিক নহয়।

# তেখেতৰ বিষয়ে অমুছলিম লোকসকলৰ অভিমত

ভাৰতীয় স্বাধীনতা আন্দোলনৰ প্ৰধান ৰাজনৈতিক আৰু আধ্যাত্মিক নেতা মহাত্মা গান্ধীয়ে তেখেতৰ বিষয়ে কৈছে যে,

> *“এইটো আছিল নবীৰ অত্যন্ত সৰলতা যে, তেখেত প্ৰতিজ্ঞা পালনত খুবেই সতৰ্ক আছিল, বন্ধু-বান্ধৱ আৰু অনুগামীৰ প্ৰতি তেখেত খুবেই নিষ্ঠাৱান আছিল, সৰ্বশক্তিমান প্ৰতিপালকৰ প্ৰতি তেখেতৰ পূৰ্ণ আস্থা আছিল আৰু তেখেতে লাভ কৰা ৰিছালতৰ ক্ষেত্ৰত নিষ্ঠাৰ লগতে অত্যন্ত নিৰ্ভীক আছিল। এইবোৰ বৈশিষ্ট্যৰ দ্বাৰাই তেখেতে সকলো বাধা অতিক্ৰম কৰিছিল, তৰোৱালৰ দ্বাৰা নহয়।”*

ব্ৰিটিছ লেখক জৰ্জ বাৰ্নাৰ্ড শ্ব’ৱে কৈছে যে,

> *“বৰ্তমান সময়ত পৃথিৱীৰ সমস্যাসমূহ সমাধান কৰিবলৈ মুহাম্মদৰ দৰে ব্যক্তিত্বৰ অতিকৈ প্ৰয়োজন; কিন্তু মধ্যযুগৰ ধাৰ্মিক লোকসকলে সিহঁতৰ অজ্ঞতা আৰু ধৰ্মীয় গোঁড়ামীৰ কাৰণে তেখেতক খ্ৰীষ্টান ধৰ্মৰ শত্ৰু বুলি গণ্য কৰিছিল আৰু তেখেতৰ বেয়া চিত্ৰ মানুহৰ আগত দাঙি ধৰিছিল। কিন্তু মই তেখেতৰ বিষয়ে পঢ়াৰ পিছত যি গম পালোঁ, তেখেত এজন বিস্ময়কৰ আৰু অলৌকিক মানৱ আছিল। লগতে মই এই সিদ্ধান্তত উপনীত হৈছোঁ যে, তেখেত কেতিয়াও খ্ৰীষ্টান ধৰ্মৰ শত্ৰু নাছিল, বৰং তেখেত আছিল মানৱতাৰ ত্ৰাণকৰ্তা তথা উদ্ধাৰকাৰী। মোৰ মতে আজি যদি তেখেতক পৃথিৱীৰ শাসনভাৰ দিয়া হ’লহেঁতেন, তেন্তে নিশ্চিতভাৱে এই পৃথিৱীৰ সকলো সমস্যা সমাধান হ’লহেঁতেন, আৰু আমি সেই সুখ-শান্তি লাভ কৰিলোঁহেঁতেন যিটোৰ বাবে আজি আমি সকলোৱে হাহাকাৰ কৰি আছোঁ। মুহাম্মদৰ দৰে এজন ব্যক্তিয়ে যদি ইউৰোপীয় দেশখিনিক শাসন কৰিলেহেঁতেন তেন্তে ইয়াৰ যাৱতীয় সমস্যা সমাধান হৈ গ’লহেঁতেন। গতিকে তেখেতক মানৱতাৰ ত্ৰাণকৰ্তা বুলি কোৱা উচিত।”*

CONTENTS


ইছলাম পৰিচিতি

নবী মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম

যীচু বা ঈছা মছীহঃ আল্লাহৰ এজন ৰাছুল

ইছলামত উপাস্যৰ ধাৰণা

আল-কোৰআন

জীৱনৰ উদ্দেশ্য কি?

ইছলাম সম্পৰ্কে কিছুমান ভুল ধাৰণা

ইছলামত নাৰীৰ অধিকাৰ

কোৰআনৰ বৈজ্ঞানিক অলৌকিকতা

ইছলামৰ দৃষ্টিত মৃত্যু আৰু পৰকাল


# যীচু বা ঈছা মছীহঃ আল্লাহৰ এজন ৰাছুল

ASSAMESE (INDIA) (03/10) النبي عيسى عليه الصلاة والسلام FREE COPY

## মুছলমিসকলে ঈছা মছীহক মুহাব্বত কৰে


جمعية دار البر
Dar Al Ber Society
www.daralber.ae

الإمارات
THE EMIRATES

Your Path To Peace..


مركز المعلومات الإسلامي
Islamic Information Center
للتعريف بالإسلام

تصريح رقم: (2017/139)
دائرة الشؤون الإسلامية والعمل الخيري
Islamic Affairs & Charitable Activities Department


www.islamicic.com

CONTENTS



























যীচুক বিশ্বৰ কোটি কোটি লোকে ভাল পায় আৰু শ্ৰদ্ধা কৰে। কিন্তু তথাপিও এই বিশাল ব্যক্তিত্বৰ মৰ্যাদাক লৈ বহুত বিভ্ৰান্তিৰ সৃষ্টি হৈছে। মুছলিম আৰু খ্ৰীষ্টান উভয়েই যীচুক অতিশয় সন্মান কৰে, কিন্তু তেওঁৰ বৈশিষ্ট্য আৰু চৰিত বৰ্ণনা কৰাৰ ক্ষেত্ৰত তেওঁলোকৰ মাজত আকাশ-পাতাল পাৰ্থক্য আছে।

এই পামফ্লেটখনৰ লক্ষ্য হৈছে যীচু কেন্দ্ৰিক থকা বিষয়সমূহ স্পষ্ট কৰা: যেনে- যীচু ঈশ্বৰ আছিল নেকি? নে তেওঁক ঈশ্বৰে পঠিয়াইছিল? প্ৰকৃততে যীচু কোন আছিল?

# ঈশ্বৰ হিচাপে যীচু

অধিকাংশ খ্ৰীষ্টানে দাবী কৰে যে "যীচুৱেই হৈছে ঈশ্বৰ" বা ত্ৰিত্বৰ এটা অংশ- অৰ্থাৎ তেওঁ পৃথিৱীত ঈশ্বৰৰ অৱতাৰ আছিল, আৰু ঈশ্বৰে মানৱ ৰূপ ধাৰণ কৰিছিল। কিন্তু বাইবেলৰ মতে যীচুৰ জন্ম হৈছিল, তেওঁ খোৱা-বোৱা কৰিছিল, শুইছিল, প্ৰাৰ্থনা কৰিছিল আৰু তেওঁৰ জ্ঞানো সীমিত আছিল – এই সকলোবোৰ বৈশিষ্ট্য ঈশ্বৰৰ বাবে অনুকূল নহয়। কাৰণ মহান আল্লাহ হৈছে পূৰ্ণাংগ গুণাৱলী আৰু স্বয়ংসম্পূৰ্ণ বৈশিষ্ট্যৰ অধিকাৰী, পক্ষান্তৰে মানৱ হৈছে ইয়াৰ বিপৰীত। গতিকে দুটা সম্পূৰ্ণ বিপৰীত বিষয় কেনেকৈ একেলগ হ'ব পাৰে?

ইছলামে আমাক শিকায় যে, সৰ্বশক্তিমান আল্লাহৰ গুণাৱলীসমূহ চিৰস্থায়ী তথা পূৰ্ণাংগ। এই বিশ্বাস পোষণ কৰা যে, ঈশ্বৰে মানৱ ৰূপ ধাৰণ কৰিছিল ইয়াৰ দ্বাৰা এইটো বুজাব যে, ঈশ্বৰ (কোনো এটা সময়ত) অপূৰ্ণ আছিল। ইয়াৰ দ্বাৰা তেওঁক ত্ৰুটিযুক্ত গুণেৰে গুণান্বিত কৰা হ'ব। যিটোৰ পৰা মহান আল্লাহ সম্পূৰ্ণৰূপে পৱিত্ৰ। খ্ৰীষ্টানসকলে নিজকে প্ৰশ্ন কৰা উচিৎ যে, ঈশ্বৰ সম্পৰ্কে এই ধাৰণা পোষণ কৰা যে তেওঁ এসময়ত দুৰ্বল অসহায় শিশু আছিল, অথবা এনেকুৱা এজন ব্যক্তি আছিল যিয়ে খোৱা-বোৱা আৰু টোপনি অবিহনে জীয়াই থাকিব পৰা নাছিল, তেওঁ প্ৰকৃততে সেইজন ঈশ্বৰেইনে, যাৰ কথা ওল্ড টেস্টামেণ্টত কোৱা হৈছে? নিশ্চয় নহয়।

কোনোবাই এই প্ৰশ্ন উত্থাপন কৰিব পাৰে যে, **"যিহেতু আল্লাহ সকলো কৰিবলৈ সক্ষম তেন্তে তেওঁ মানুহ হ'ব নোৱাৰে কিয়"?**


সংজ্ঞা অনুসৰি, ঈশ্বৰে কেতিয়াও সৃষ্টিৰ দৰে কাম নকৰে। ঈশ্বৰে ঐশ্বৰিক কামৰ বাহিৰে এনেকুৱা কোনো কাম নকৰে যাৰ দ্বাৰা তেওঁক মখলুকৰ সৈতে তুলনা কৰিব পাৰি, কাৰণ তেওঁ পূৰ্ণাংগ চৰিতৰ অধিকাৰী, অপূৰ্ণ চৰিতৰ সৈতে তেওঁৰ কোনো সম্পৰ্ক নাই। যদি ঈশ্বৰ মানুহ হৈ মানৱীয় বৈশিষ্ট্য গ্ৰহণ কৰে, তেন্তে সংজ্ঞা অনুসৰি তেওঁ ঈশ্বৰ হ'বই নোৱাৰে।

বাইবেলৰ কিছুমান অস্পষ্ট সংক্ষিপ্ত শ্লোকৰ ভুল ব্যাখ্যা কৰি যীচুক ঈশ্বৰ সজোৱা হৈছে। কিন্তু যদি আমি বাইবেলৰ স্পষ্ট প্ৰত্যক্ষ শ্লোকবোৰলৈ চাওঁ, তেন্তে আমি দেখিবলৈ পাওঁ যে, তাত স্পষ্টভাৱে বাৰে বাৰে এই কথা প্ৰমাণ কৰা হৈছে যে, যীচু হৈছে এজন মানুহ আৰু আল্লাহৰ ফালৰ পৰা প্ৰেৰিত এজন ৰাছুল, ইয়াতকৈ বেছি একো নহয়। বাইবেলত এনেকুৱা বহুতো শ্লোক আছে, য'ত যীচু সম্পৰ্কে কোৱা হৈছে যে, তেওঁৰ কথা-বতৰা আৰু আচাৰ-ব্যৱহাৰ আছিল ঈশ্বৰৰ পৰা সম্পূৰ্ণৰূপে পৃথক। উদাহৰণস্বৰূপে:

- যীচুৱে **"ছাজদাৱনত হৈ প্ৰাৰ্থনা কৰিছিল।"** [মথি ২৬:৩৯] যদি যীচু ঈশ্বৰ আছিল, তেন্তে ঈশ্বৰে ছাজদাৱনত হৈ প্ৰাৰ্থনা কৰিবনে? আৰু তেওঁ কাক ছাজদাহ কৰি প্ৰাৰ্থনা কৰিছিল?
- বাইবেলৰ মতে যীচু হৈছে এজন নবী, [মথি ২১:১০-১১]। গতিকে যীচু একে সময়তে ঈশ্বৰ, আৰু ঈশ্বৰৰ ফালৰ পৰা নবী কেনেকৈ হ'ব পাৰে?
- যীচুৱে কৈছিল, **"মই মোৰ পিতৃৰ ওচৰলৈ যাম, কিয়নো পিতৃ মোতকৈ ডাঙৰ।"** [যোহন ১৪:২৮]


CONTENTS



























- যীচুৱে কৈছেঃ **"মই মোৰ পিতৃ আৰু তোমালোকৰ পিতৃ, মোৰ ঈশ্বৰ আৰু তোমালোকৰ ঈশ্বৰৰ ওচৰলৈ উঠি যাম।"** [যোহন ২০:১৭] যদি যীচু ঈশ্বৰ আছিল, তেন্তে তেওঁ কিয় এনেকৈ কৈছিল যে, "মোৰ ঈশ্বৰ আৰু তোমালোকৰ ঈশ্বৰ," তেওঁ দৰাচলতে কাৰ ওচৰলৈ উঠি যোৱাৰ কথা কৈছে?

যদি যীচু ঈশ্বৰ হ'লহেঁতেন, তেন্তে তেওঁ নিশ্চয় মানুহক তেওঁৰ উপাসনা কৰিবলৈ স্পষ্টকৈ ক'লহেঁতেন, লগতে তেওঁক উপাস্য হিচাপে মানিবলৈ তেওঁ মানুহক অকপটে নিৰ্দেশ দিলেহেঁতেন, আনকি বাইবেলতো এই কথাৰ স্পষ্ট প্ৰমাণ থাকিলহেঁতেন; যিটো এই অধ্যায়ৰ অন্যতম নিৰ্ণায়ক শ্লোক হৈ পৰিলহেঁতেন, কিন্তু তেওঁ কাকো তেওঁৰ উপাসনা কৰিবলৈ নিৰ্দেশ দিয়া নাছিল, আৰু এই কথাৰো অনুমোদন দিয়া নাছিল যে, কোনোবাই তেওঁক ঈশ্বৰত্ব বা প্ৰভুত্বৰ গুণেৰে গুণান্বিত কৰিছে আৰু তেওঁ সেইটোক অনুমোদন জনাইছে। বৰং তেওঁ কৈছেঃ "যিসকলে মোক উপাসনা কৰে সিহঁত হৈছে ব্যৰ্থ।" [মথি ১৫:৯]

# আল্লাহৰ পুত্ৰ

> *সন্তান গ্ৰহণ কৰাটো আল্লাহৰ কাম নহয়। তেওঁ পৱিত্ৰ মহিমাময়। তেওঁ যেতিয়া কিবা কৰিবলৈ স্থিৰ কৰে, তেতিয়া কেৱল এই বুলি কয় যে, 'হ' সেইটো তৎক্ষণাত হৈ যায়।*
> *ছুৰা মাৰয়ামঃ ৩৫*

অধিকাংশ খ্ৰীষ্টানে যীচুক ঈশ্বৰৰ পুত্ৰ বুলি দাবী কৰে। ইয়াৰ প্ৰকৃত অৰ্থ কি? নিশ্চয় মহান আল্লাহ শাৰীৰিক আৰু আক্ষৰিক পুত্ৰৰ পৰা বহু উৰ্দ্ধত। মানুহেহে মানৱ সন্তান জন্ম দিয়ে, এইদৰে আন আন সকলো জীৱৰ ক্ষেত্ৰতো এই একেই কথা। কিন্তু ঈশ্বৰে সন্তান জন্ম দিয়াৰ অৰ্থ কি?

উক্ত শব্দটোৰ আক্ষৰিক অৰ্থ লোৱাৰ পৰিৱৰ্তে, আমি দেখিবলৈ পাওঁ যে "ঈশ্বৰৰ পুত্ৰ" শব্দটো প্ৰাচীন বাইবেলৰ ভাষাত প্ৰতীকী হিচাপে "ধাৰ্মিক ব্যক্তি"ৰ বাবে ব্যৱহৃত হৈছিল, বাইবেলত এই শব্দটো কেৱল ঈছাৰ বাবেই নহয়, বৰং দাউদ, ছুলাইমান আৰু ইস্ৰাঈলৰ বাবেও ব্যৱহাৰ হৈছে। কোৱা হৈছে যে, "... ইস্ৰাঈল হৈছে মোৰ প্ৰথম পুত্ৰ," (যাত্ৰাপুস্তক ৪:২২)। দৰাচলতে 'পুত্ৰ' শব্দটোৰ দ্বাৰা আল্লাহৰ পূণ্যৱান বান্দা তথা বান্দীক বুজোৱা হৈছে। যেনে- কোৱা হৈছে: "প্ৰত্যেক সেই ব্যক্তি, যিসকলে আল্লাহৰ আজ্ঞা পালন কৰে তেওঁলোকেই হৈছে আল্লাহৰ পুত্ৰ আৰু কন্যা।" [ৰোমীয়া ৮:১৪]


# "পিতৃ আৰু প্ৰভু"।

ঠিক সেইদৰে যেতিয়া 'পিতৃ' শব্দটো ঈশ্বৰক বুজাবলৈ ব্যৱহাৰ কৰা হয় তেতিয়া ইয়াক আক্ষৰিক অৰ্থত লোৱা উচিত নহয়। বৰং ইয়াক এই অৰ্থত ব্যৱহাৰ কৰা হৈছে যে, ঈশ্বৰেই হৈছে সকলো বস্তুৰ সৃষ্টিকৰ্তা আৰু জীৱিকাদাতা। এই বিষয়ে কেইবাটাও শ্লোক আছে যিবোৰে প্ৰমাণ কৰে যে, 'পিতৃ' শব্দটোক প্ৰতীকী অৰ্থত ব্যৱহাৰ কৰা হৈছিল। যেনে: "এক ঈশ্বৰেই সকলোৰে পিতৃ।" [পৌলে ইফিচীয়াসকললৈ লিখা পত্ৰ ৪:৬]

ইয়াৰ বাহিৰেও শিষ্যসকলে কেতিয়াবা যীচুক 'ৰব্ব' বুলিও মাতিছিল। বাইবেলৰ মূল ভাষামতে এই শব্দটো ঈশ্বৰৰ বাবে লগতে যিসকল উচ্চ মৰ্যাদাশীল সেইসকল লোকৰ বাবে ব্যৱহাৰ কৰা হৈছিল। উদাহৰণস্বৰূপে, নিউ টেষ্টামেণ্টত গ্ৰীক ভাষাৰ "kyrios" শব্দটো 'প্ৰভু'ৰ বাবেও ব্যৱহাৰ কৰা হৈছিল আৰু উচ্চ মৰ্যাদাশীল লোকৰ বাবেও ব্যৱহাৰ হৈছিল (মথি ২০:৮), এইদৰে অবাধ্য দাসক প্ৰহাৰ কৰা মালিকৰ বাবেও ব্যৱহাৰ হৈছিল। (লূক ২০.৪২-৪৭)


CONTENTS




























বাইবলেৰ অন্যান্য অংশত যীচুক শিষ্যসকলে আব্দুল্লাহ বা ঈশ্বৰৰ 'দাস' বুলিও কৈছিলি: "আমাৰ পূৰ্বপুৰুষসকলৰ প্ৰভুৱে তেওঁৰ দাস যীচুক মৰ্যাদা দান কৰিছে।" [Acts ৩:১৩] ইয়াৰ দ্বাৰা সুস্পষ্টকৈ বুজা যায় যে, 'প্ৰভু' শব্দটো যেতিয়া যীচুৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হৈছিলি, তেতিয়া ইয়াৰ দ্বাৰা ঈশ্বৰ বুজোৱা হোৱা নাছিলি, বৰং সন্মানৰ খাতিৰতহে ব্যৱহাৰ কৰিছিলি।

# ঈছা হৈছে এজন নবী

ইয়াহুদীসকলে ঈছা (আলাইহিচ্ছালাম)ক মচীহ মুনতাজিৰ বুলি মানিবলৈ অস্বীকাৰ কৰে। আনহাতে খ্ৰীষ্টান ধৰ্মৰ শিক্ষা ইয়াৰ একেবাৰে বিপৰীত, য'ত তেওঁক উপাস্য বা ঈশ্বৰৰ পুত্ৰ হিচাপে উপাসনা কৰা হয়। আনহাতে এই ক্ষেত্ৰত ইছলামে মধ্যম পন্থা অৱলম্বন কৰিছে। ইছলামে যীচুক এজন সন্মানীয় নবী আৰু ঈশ্বৰৰ ৰাছুল হিচাপে স্বীকাৰ কৰে, লগতে মচীহ হিচাপেও স্বীকাৰ কৰে, কিন্তু মুছলিমসকলে তেওঁক উপাসনা নকৰে - কিয়নো ইবাদত কেৱলমাত্ৰ আল্লাহৰ বাবে, যিয়ে যীচুকো সৃষ্টি কৰিছে আৰু গোটেই বিশ্বজগতক সৃষ্টি কৰিছে।

*যীচুৱে ক'লে, 'নিশ্চয় মই হৈছোঁ আল্লাহৰ এজন বান্দা। তেৱেঁই মোক কিতাব প্ৰদান কৰিছে আৰু মোক নবী বনাইছে।*
*(ছুৰা মাৰয়ামঃ ১৯-৩০)*

# অলৌকিক জন্ম

কোৰআনৰ মতে জিব্ৰীল ফিৰিস্তাক আল্লাহে পুৰুষৰ ৰূপত সম্ভ্ৰান্ত কুমাৰী মৰিয়মৰ ওচৰলৈ প্ৰেৰণ কৰিছিলি। তেওঁ আহি মৰিয়মক সংবাদ দিছিলি যে, মানুহে তোমাক স্পৰ্শ নকৰাকৈ অলৌকিকভাৱে তোমাৰ এজন সন্তান জন্ম হ'ব।

*তেওঁ ক'লে, 'মই হৈছোঁ তোমাৰ প্ৰতিপালকৰ তৰফৰ পৰা অহা এজন দূতহে, তোমাক এজন পবিত্ৰ পুত্ৰ দান কৰাৰ বাবে আহিছোঁ'। মাৰয়ামে ক'লে, 'মোৰ পুত্ৰ কেনেকৈ হ'ব যিহেতু মোক কোনো পুৰুষে স্পৰ্শই কৰা নাই আৰু মই ব্যভিচাৰিণীও নহয়'? তেওঁ ক'লে, 'এইদৰেই হ'ব'। তোমাৰ প্ৰতিপালকে কৈছে, 'এইটো মোৰ বাবে সহজ; আৰু আমি তেওঁক এইকাৰণে সৃষ্টি কৰিম যাতে তেওঁ মানুহৰ বাবে এটা নিদৰ্শন হয় আৰু আমাৰ ফালৰ পৰা এটা অনুগ্ৰহ; এইটো এটা সিদ্ধান্তকৃত বিষয়'।*
*(ছুৰা মাৰয়ামঃ ১৯-২১)*

কিছুমানে দাবী কৰে যে, তেওঁৰ অলৌকিক জন্মই হৈছে তেওঁৰ প্ৰভুত্বৰ প্ৰমাণ। কিন্তু পিতৃ অবিহনে অস্তিত্বলৈ অহাৰ ক্ষেত্ৰত যীচুৱে প্ৰথম মানৱ নাছিলি, কাৰণ তেওঁৰ পূৰ্বে অস্তিত্বলৈ অহা আদম আলাইহিচ্ছালামৰ কোনো পিতৃও নাছিলি আৰু মাতৃও নাছিলি। মহান আল্লাহে পবিত্ৰ কোৰআনত কৈছে:

*নিশ্চয় আল্লাহৰ ওচৰত ঈছাৰ উদাহৰণ হৈছে আদমৰ দৰে, তেখেতে তেওঁক মাটিৰ পৰা সৃষ্টি কৰিছিলি। তাৰ পিছত তেওঁক কৈছিলি, 'হ', ফলত তেওঁ হৈ গৈছিলি। সত্য তোমাৰ প্ৰতিপালকৰ তৰফৰ পৰা প্ৰেৰিত। গতিকে তুমি কেতিয়াও সন্দেহ পোষণকাৰীসকলৰ অন্তৰ্ভুক্ত নহ'বা।*
*(ছুৰা আলে ইমৰাণঃ ৫৯-৬০)*

যদি পিতৃ অবিহনে জন্ম লোৱাৰ কাৰণে যীচুক উপাসনা কৰা হয়, তেন্তে এই ক্ষেত্ৰত আদম আলাইহিচ্ছালামহে বেছি অধিকাৰপ্ৰাপ্ত, কাৰণ তেওঁৰ পিতৃও নাছিলি আৰু মাতৃও নাছিলি।

CONTENTS






# যীচুৰ অলৌকিকিতাসমূহ

যীচুৰ অলৌকিকিতা কৰেল পতিৃ নাহোৱোকৈ জন্ম লাভ কৰাটোৱে নাছলি, বৰং মহান আল্লাহে তওঁৰ দ্বাৰা কইেবাটাও অলৌকিকিতা প্ৰকাশ কৰছিলি।

মানুহে যতেয়াি তওঁৰ মাকৰ ওপৰত ব্যভচিাৰৰ অভযিোগ উত্থাপন কৰছিলি, ততেয়াি তওঁ মাকৰ কোলাত থকা কচুঁৱা অৱস্থাতে মাকৰ হৈ এই অভযিোগ খণ্ডন কৰছিলি। কোৰআনত এই কথাও উল্লখে আছে যে, যীচুৱে আল্লাহৰ অনুমতিত মৃতকক জীৱন দানও দছিলি, এইদৰে কুষ্ঠৰোগী আৰু অন্ধকো সুস্থ কৰি তুলছিলি। এই সকলোবোৰ হৈছিলি আল্লাহৰ ইচ্ছাত।

যীচু (আলাইহচ্ছিালামৰ) হাতৰে এইবোৰ অলৌকিকিতা প্ৰকাশ পোৱাৰ অৰ্থ এইটো নহয় যে, তওঁ আল্লাহৰ সত্যবাদী তথা একান্ত বাধ্য বান্দা আৰু ৰাছুলতকৈ বছেি কিবা আছলি। দৰাচলতে এনকুেৱা অলৌকিকিতা কইেবাজনো ৰাছুলৰ দ্বাৰা প্ৰকাশ পাইছে, যনে- নূহ, মুছা আৰু মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম। এইবোৰ অলৌকিক ঘটনা কৰেল আল্লাহৰ অনুমতিতহে প্ৰকাশ পাইছলি, যাতে ৰাছুলৰ সত্যতা প্ৰমাণ কৰবি পৰা যায় আৰু তওঁ দয়াি বাৰ্তা আৰু দাৱাতক মানুহে সমৰ্থন কৰে।

# ঈছা মছীহৰ বাৰ্তা

উল্লখেযোগ্য যে, ওল্ড টষ্টোমণ্টেত উল্লখে থকা ইব্ৰাহীম, নূহ আৰু ইউনুছ আদি নবীসকলে কতেয়িাও এইটো প্ৰচাৰ কৰা নাছলি যে, ঈশ্বৰ ত্ৰতি্বৰ এটা অংশ, লগতে তওঁলোকে যীচুক নজিৰ পৰতি্ৰাণকৰ্তা হচিাপওে বশ্বিাস কৰা নাছলি।

তওঁলোকৰ বাৰ্তা সূৰ্য্যৰ কৰিণৰ দৰে স্পষ্ট আছলি, য'ত কোনো মঘেৰ শংসূত্ৰ নাই। তওঁলোকে আটাইৰে বাৰ্তা আছলি এই যে, আল্লাহৰ বাহৰিে আন কোনো সত্য উপাস্য নাই, তওঁৰ বাহৰিে কোনেও ইবাদতৰ যোগ্য নহয়। ঈশ্বৰৰ বাবে এইটো কতেয়িাও যুক্তসিংগত নহয় যে, তওঁ হাজাৰ হাজাৰ বছৰ ধৰি নবী আৰু ৰাছুলসকলক প্ৰৰেণ কৰি দি অহা এটা বাৰ্তা হঠাতে সলনি কৰি ক'ব যে, তওঁ হৈছে ত্ৰতি্বৰ এটা অংশ অথবা ঈছা মচীহ হৈছে তওঁৰ পুত্ৰ আৰু এই আক্বীদাই হৈছে পৰতি্ৰাণ পোৱাৰ একমাত্ৰ উপায়।

প্ৰকৃত সত্যটো হৈছে এই যে, যীচুৱেও ওল্ড টষ্টোমণ্টেত থকা নবীসকলৰ দৰহেে সহে একটো বাৰ্তাকে কোনো ধৰণৰ পৰৱিৰ্তন, পৰবিৰ্ধন, বকিৃত বা বঘিনতি নকৰাকৈ প্ৰচাৰ কৰছিলি। এই বাৰ্তাৰ মূল বষিয়বস্তুক প্ৰমাণ কৰবিলৈ বাইবলেৰ এই শ্লোকটোৱে যথষ্টে। এজন ব্যক্তয়িে যীচুৰ ওচৰলৈ আহি সুধলি, "সকলোৰে বাবে প্ৰথম আজ্ঞা কোনটো?" যীচুৱে ক'লে, "শুনা হে ইস্ৰাঈল! সকলোৰে বাবে প্ৰথম আজ্ঞা হৈছে এইটো যে, আমাৰ উপাস্যই হৈছে আমাৰ প্ৰতপিাক, তওঁ একক অদ্বতিীয়"। "[মাৰ্ক ১২:২৮-২৯] গতকিে, যীচুৰ শকি্ষা অনুসৰি আটাইতকৈ ডাঙৰ আজ্ঞা আৰু মৌলকি আক্বীদাহ হৈছে এই যে, উপাস্য হৈছে এজন। এতকেে যদি যীচু

> আৰু ঈছাই যতেয়াি স্পষ্ট প্ৰমাণাদি লৈ আহছিলি, ততেয়াি তওঁ কৈছিলি, 'নশ্চিয় মই তোমালোকৰ ওচৰলৈ হকিমত লৈ আহছিোঁ আৰু তোমালোকে যবিোৰ বষিয়ত মতভদে কৰছিলি সইেবোৰ বষিয়ক স্পষ্ট কৰবিলৈ আহছিোঁ। সয়েে তোমালোকে আল্লাহৰ তাক্বৱা অৱলম্বন কৰা আৰু মোৰ আনুগত্য কৰা। 'নশ্চিয় আল্লাহহে হৈছে মোৰ প্ৰতপিালক আৰু তোমালোকৰো প্ৰতপিালক। এতকেে তোমালোকে তওঁৰহে ইবাদত কৰা; এইটোৱহে হৈছে সৰল পথ'। (ছুৰা ঝুখৰূফঃ ৬৩-৬৪)

CONTENTS




ঈশ্বৰ হ'লহঁতেনে তনেতে তওঁ নশ্চিয় ক'লহেঁতেনে যে, 'ময়েই ঈশ্বৰ, তোমালোকে মোকেই উপাসনা কৰা।' বৰং ইয়াৰ পৰিবৰ্তে তওঁ ওল্ড টেষ্টামেণ্টৰ সহৈ বাক্যটোকে বাৰে বাৰে কছৈলি, যি বাক্যটোৱে আল্লাহৰ একত্বক প্ৰমাণ কৰে।

ঈছা আলাইহচ্ছিালামৰ এই বাৰ্তাৰ সতৈে ইছলামে দয়িা বাৰ্তাৰ সম্পূৰ্ণ মলি আছে, ইছলামৰ মতে ঈছা মচীহ হছৈে বনী ইস্ৰাঈলৰ প্ৰত প্িৰৰেতি আল্লাহৰ এজন ৰাছুল। তওঁ সহৈ বাৰ্তাকহৈ প্ৰচাৰ কৰছিলি যি বাৰ্তা লৈ জব্িৰীল আলাইহচ্ছিালামে সকলো ৰাছুলৰ ওপৰত অৱতৰণ কৰছিলি। সহৈ বাৰ্তাটো হছৈেঃ আল্লাহৰ বাহৰিে আন কোনো সত্য উপাস্য নাই, একমাত্ৰ তৱেঁহে ইবাদতৰ যোগ্য।

যীচু আলাইহচ্ছিালাম আছলি ঈশ্বৰৰ এজন সন্মানীয় আজ্ঞাকাৰী ৰাছুল, তথা একান্ত বাধ্য এজন বান্দা। এক কথাত তওঁ আছলি এজন মুছলমি (আত্মসমৰ্পনকাৰী), মুছলমি কোৱা হয় এনকেুৱা ব্যক্তক,ি যয়িে নজিৰ ইচ্ছা, কথা-কৰ্ম আদ সিকলো ক্ষত্ৰেত আল্লাহৰ বধিানক অগ্ৰাধকিাৰ দয়িে আৰু নজিকে তওঁৰ ওচৰত সমৰ্পন কৰ দিয়িে।

# ইছলামৰ দৃষ্টতি যীচু

যীচু আছলি আল্লাহৰ ফালৰ পৰা প্ৰৰেতি এজন সন্মানীয় নবী। আল্লাহে তওঁক এই উদ্দশ্যেে প্ৰৰেণ কৰছিলি, যাতে তওঁ মানুহক আল্লাহৰ একত্ববাদৰ প্ৰত আিহ্বান কৰে।

এই কথা বাইবলেতো স্পষ্ট, আৰু কোৰআনওে ইয়াক নশ্চিত কিৰছিে। এতকেে ইছলামকি আক্বীদাই ঈছা আলাইহচ্ছিালামৰ প্ৰকৃত তথ্য দাঙ ধিৰছিে, তওঁৰ দ্বাৰা প্ৰকাশ পোৱা অলৌককি বষিয়বোৰো উল্লখে কৰছিে, সমান্তৰালকৈ আল্লাহৰ একত্ববাদ আৰু তওঁৰ পূৰ্ণাংগ চফিাতৰ বষিয়টোও উল্লখে কৰছিে।

ইছলামৰ বষিয়ে আৰু অধকি যাচাই কৰবিলৈ আম আিপোনাক আমন্ত্ৰণ জনাইছোঁ। এইটো কোনো বলেগে ধৰ্ম নহয়। বৰং এইটো হছৈে সহৈ বাৰ্তা, যি বাৰ্তা সহকাৰে নূহ, ইব্ৰাহীম, মূছা, ঈছা আৰু মুহাম্মদ আদ নিবীসকল প্ৰৰেতি হছৈলি, তওঁলোক সকলোৰে ওপৰত আল্লাহৰ শান্ত অিৱতীৰ্ণ হওক। ইছলামৰ অৰ্থ হছৈে 'আল্লাহৰ ওচৰত বশ্যতা স্বীকাৰ কৰা' বৰং এইটো হছৈে সম্পূৰ্ণ এটা জীৱনশৈলী, যয়িে মানুহক আল্লাহৰ সতৈে এহছান কৰবিলৈ আৰু আল্লাহৰ অন্যান্য সৃষ্টৰি সতৈে সদ্ব্যৱহাৰ কৰবিলৈ উৎসাহতি কৰে। ইছলামে আমাক শকিায় যে, মহান আল্লাহ হছৈে ন্যায়পৰায়ণ আৰু অত দিয়ালু। পাপকৰ্মৰ পৰা ক্ষমাপ্ৰাপ্তৰি বাবে বা দুখ-কষ্টৰ পৰা নাজাত পোৱাৰ বাবে নজিকে বা তওঁৰ পুত্ৰক বলদিান দয়িাৰ কোনো প্ৰয়োজন নাই। যি পাপ আপুন কিৰা নাই তনেকুৱা পাপ আপোনাৰ আমলনামাত অণু পৰমিাণো লপিবিদ্ধ কৰা নহয়। সৰ্বশক্তমিান আল্লাহে প্ৰত্যকেকে নজিৰ কৰ্ম অনুযায়ী হচিাপ লব, সয়েে প্ৰত্যকেহৈে নজিৰ নজিৰ কৰ্মৰ বাবহেে জবাবদহি হি'ব।

ইছলামে আমাক সকলো নবীকহৈে মুহাব্বত কৰবিলৈ আৰু সন্মান কৰবিলৈ শকিায়। কন্তিু তওঁলোকক মুহাব্বত কৰা আৰু সন্মান কৰাৰ অৰ্থ এইটো নহয় যে, আম তিওঁলোকক উপাসনা কৰব লিাগব,ি কাৰণ ইবাদত বা উপাসনাৰ যোগ্য হছৈে একমাত্ৰ আল্লাহ তাআলা। আম বিশ্বিাস কৰোঁ যে, যীচু হছৈে আল্লাহৰ এজন ৰাছুল। ইছলামত প্ৰৱশে কৰলিওে আপুন যিীচুৰ বাৰ্তাৰ পৰা কতেয়িাও আঁতৰ নিাযায়। কাৰণ যীচুৱে দয়িা বাৰ্তাটোৱে হছৈে মূল বাৰ্তা, আৰু সহৈটোৱে হছৈে দাৱাতৰ মূল উদ্দশ্যে।


HOTLINE
+971 56 204 2045
islamicicdxb
islamicic.com
info@islamicic.com
+971 4 355 5223
DOWNLOAD ASSAMESE FLYER
www.iicdxb.com/assam

CONTENTS


ইছলাম পৰিচিতি

নবী মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম

যীচু বা ঈছা মছীহঃ আল্লাহৰ এজন ৰাছুল

ইছলামত উপাস্যৰ ধাৰণা

আল-কোৰআন

জীৱনৰ উদ্দেশ্য কি?

ইছলাম সম্পৰ্কে কিছুমান ভুল ধাৰণা

ইছলামত নাৰীৰ অধিকাৰ

কোৰআনৰ বৈজ্ঞানিক অলৌকিকতা

ইছলামৰ দৃষ্টিত মৃত্যু আৰু পৰকাল


# ইছলামত উপাস্যৰ ধাৰণা

ASSAMESE (INDIA) | (04/10) | مفهوم الإله في الإسلام | FREE COPY

সৃষ্টিকৰ্তা আল্লাহ ছুবহা-নাহু ৱা তাআলাতকৈ মহান আন কোনো নাই।


Dar Al Ber Society
www.daralber.ae

الإمارات
THE EMIRATES

Your Path To Peace..

مركز المعلومات الإسلامي
Islamic Information Center
للتعريف بالإسلام


تصريح رقم:
(2017/139)

دائرة الشؤون الإسلامية والعمل الخيري
Islamic Affairs & Charitable Activities Department

www.islamicic.com

CONTENTS



























# সঁচাকৈ সৃষ্টিকৰ্তাৰ অস্তিত্ব আছেনে?

এই বিশ্বজগতৰ সৃষ্টিকৰ্তাৰ অস্তিত্বৰ প্ৰতি কৰা বিশ্বাসৰ সপক্ষে বহুতো যুক্তিসংগত প্ৰমাণ আছে। তাৰে তিনিটা যুক্তিসংগত প্ৰমাণ তলত উল্লেখ কৰা হ'ল।

## ১. বিশ্বজগতৰ শৃংখলাবদ্ধতা

ধৰি লওক, আপুনি সাগৰৰ তীৰত খোঁজকাঢ়ি আছে, আৰু হঠাৎ এটা ঘড়ী বালিৰ মাজত পৰি থকা দেখা পালে। সেই ঘড়ীটো পাই আপুনি এইটো বিশ্বাস কৰিবনে যে, ঘড়ীটো নিজে নিজেই সৃষ্টি হৈছে? এই কথা নিশ্চিত যে, আপুনি কেতিয়াও এই কথা মানি নল'ব যে, ঘড়ীটো ভূগৰ্ভত থকা বিভিন্ন উপাদানেৰে নিজে নিজেই সৃষ্টি হৈ তাত পৰি আছে। বৰং আপুনি বিশ্বাস কৰিব যে, ঘড়ীটোৰ কোনো নহয় কোনো এজন নিৰ্মাতা নিশ্চয় আছে। লগতে ঘড়ীটো নিৰ্মাণৰ আঁৰত নিশ্চয় কোনো এটা উদ্দেশ্য আছে, সেই উদ্দেশ্যটো হৈছে যাতে ইয়াৰ দ্বাৰা সঠিক সময় জানিব পৰা যায়। গতিকে ঘড়ীৰ নিৰ্মাতাজন এই বিষয়টো নিশ্চয় খুব ভালকৈয়ে জানে। সেয়ে প্ৰাকৃতিকভাৱে কাকতলীয়া কোনো ঘটনাই কেতিয়াও এনেকুৱা কোনো ঘড়ী নিৰ্মাণ কৰিব নোৱাৰে, যি ঘড়ীয়ে সুক্ষ্মভাৱে সঠিক সময় দেখুৱাব পাৰিব।

আমি বসবাস কৰা পৃথিৱী নামক গ্ৰহটোৰ বিষয়ে এবাৰ ভাবি চাওকচোন। সূৰ্যৰ চাৰিওফালে আমাৰ এই গ্ৰহৰ ঘূৰ্ণন গতি কিমান সঠিক আৰু নিখুঁত, যাৰ ফলত বিজ্ঞানীসকলে সূৰ্যোদয় আৰু সূৰ্যাস্তৰ সময়ো আগতীয়াকৈ নিৰ্ধাৰণ কৰিব পাৰে। এতেকে উপৰোক্ত ঘড়ীৰ উদাহৰণৰ দ্বাৰা যিদৰে আমি বুজিলোঁ যে, ঘড়ী এটা নিৰ্মিত হ'বলৈ যিদৰে এজন সুদক্ষ নিৰ্মাণকৰ্তাৰ প্ৰয়োজন, যাতে ঘড়ীটোৱে সঠিক সময় দেখুৱাব পাৰে, ঠিক সেইদৰে এই বিশ্বজগতৰো এজন সুদক্ষ সৰ্বজ্ঞ এজন সৃষ্টিকৰ্তা নিশ্চয় আছে, যিয়ে প্ৰতিটো গ্ৰহৰ ঘূৰ্ণন গতি নিৰ্ধাৰণ কৰিছে তথা এইবোৰৰ ভাৰসাম্য ৰক্ষা কৰিছে। ইমান নিখুঁত, সুশৃঙ্খল ব্যৱস্থাপনা আকস্মিকভাৱে তথা নিজে নিজেই হোৱাটো সম্ভৱনে?

ঠিক সেইদৰে যদি আমি আমাৰ শৰীৰৰ আভ্যন্তৰীণ ছিস্টেম বা পদ্ধতিসমূহৰ প্ৰতি লক্ষ্য কৰোঁ আৰু বিশ্বজগতৰ শৃঙ্খলাৰ প্ৰতি দৃষ্টিপাত কৰোঁ, তেন্তে আমি দেখিবলৈ পাওঁ যে, প্ৰতিটো বস্তুৱে এটা নিয়মিত পদ্ধতিৰ মাধ্যমতে পৰিচালিত হৈ আছে। তেন্তে এইবোৰ সুশৃঙ্খলভাৱে পৰিচালনাৰ আঁৰত কোনো এজন সত্ত্বা আছে বুলি আপোনাৰ অনুভৱ নহয়নে? এই বিশ্বজগতৰ ভাৰসাম্য আৰু ইয়াত থকা গ্ৰহ নক্ষত্ৰবোৰৰ সুশৃঙ্খল পৰিচালনাই প্ৰমাণ কৰে যে, ইয়াৰ আঁৰত নিশ্চয় এজন সৰ্বশক্তিমান সত্ত্বা আছে, যিয়ে এইবোৰক সৃষ্টি কৰিছে আৰু সুপৰিকল্পিতভাৱে শৃঙ্খলাবদ্ধ হিচাপে পৰিচলনা কৰি আছে।

## ২. বিশ্বজগতৰ উৎপত্তি

আধুনিক বিজ্ঞান এই সিদ্ধান্তত উপনীত হৈছে যে, এই বিশ্বজগতৰ এটা আৰম্ভণি আছে। সাম্প্ৰতিক গৱেষণাই প্ৰমাণ কৰিছে যে, বিশ্বজগত সম্প্ৰসাৰিত হৈ আছে। যদি সময় বা কাল পিছফালে উভতি আহে তেন্তে বিশ্বজগত আকৌ সেই ঠাইতে গৈ পাব যিটোৰ পৰা ই আৰম্ভ হৈছে। সেয়ে বিশ্বজগত উৎপত্তিৰ তিনিটা সাম্ভাব্য ব্যাখ্যা উল্লেখ কৰা হয়। যেনে-

১) পূৰ্বে ইয়াৰ কোনো অস্তিত্ব নাছিল, বিশ্বজগত শূন্যৰ পৰা উৎপত্তি হৈছে।

২) অথবা বিশ্বজগত নিজে নিজেই সৃষ্টি হৈছে।

৩) নাইবা ইয়াক কোনো সত্ত্বাই সৃষ্টি কৰিছে।

প্ৰথম মন্তব্যটোৰ উত্তৰ হৈছে এই যে, মানুহৰ অভিজ্ঞতাই প্ৰমাণ কৰে যে, আৰম্ভণি থকা কোনো বস্তুৱেই শূন্যৰ পৰা অস্তিত্ব লাভ কৰিব নোৱাৰে।

CONTENTS






দ্বিতীয় ব্যাখ্যাৰ উত্তৰ হৈছে সাধাৰণ যুক্তিয়ে এইটোৱে প্ৰমাণ কৰে যে, কোনো বস্তু এটা অস্তিত্ব লাভ কৰাৰ পূৰ্বেই কোনো কাম কেতিয়াও কৰিব নোৱাৰে।

ইয়াৰ পিছত আছে তৃতীয় ব্যাখ্যাটো, যিটো খুবেই যুক্তিসংগত। সেয়া হৈছে এই যে, নিঃসন্দেহে এই বিশ্বজগত সৃষ্টিৰ আঁৰত সৰ্বজ্ঞ প্ৰজ্ঞাৱান মহা শক্তিশালী কোনো এজন স্ৰষ্টা নিশ্চয় আছে, যিয়ে এই গোটেই বিশ্বজগতখনক সৃষ্টি কৰিছে আৰু সুশৃংখলাবদ্ধভাৱে ইয়াৰ ভাৰসাম্য ৰক্ষা কৰিছে।

কিছুমানে প্ৰশ্ন কৰিব পাৰে যে, তেন্তে আল্লাহক কোনে সৃষ্টি কৰিছে? ইয়াৰ উত্তৰ হৈছে, স্ৰষ্টা আৰু সৃষ্টি কেতিয়াও একে হ'ব নোৱাৰে। স্ৰষ্টা হৈছে সৃষ্টিতকৈ বেলেগ। স্ৰষ্টা যদি সৃষ্টিৰ দৰে হ'লহেঁতেন, তেনেহ'লে তেওঁৰো এজন স্ৰষ্টাৰ প্ৰয়োজন হ'লহেঁতেন, আৰু এই ধাৰাবাহিকতা অন্তহীন পৰ্যায়লৈ গৈয়ে থাকিব, যিটো অসম্ভৱ বিষয়। বৰং সৰ্বশক্তিমান স্ৰষ্টা হৈছে এই বিশ্বজগতৰ সময় আৰু স্থানৰ পৰা বহু ঊৰ্দ্ধত। তেওঁৰ অস্তিত্ব আগৰ পৰাই সুনিশ্চিত। সেয়ে তেৱেঁই প্ৰথম, তেওঁৰ কোনো আৰম্ভণি নাই। তেৱেঁই অন্তিম, তেওঁৰ কোনো শেষ নাই। গতিকে স্ৰষ্টাক কোনে সৃষ্টি কৰিছে, এই প্ৰশ্নটো হৈছে অযৌক্তিক।

# ৩. আল্লাহৰ ফালৰ পৰা অৱতীৰ্ণ অহী

বহুতো এনেকুৱা স্পষ্ট প্ৰমাণ আছে যিবোৰে প্ৰমাণ কৰে যে, ইছলামৰ মূল গ্ৰন্থ আল-কোৰআন হৈছে আল্লাহৰ বাণী। ইয়াৰ সপক্ষে সংক্ষিপ্ত আকাৰে তলত কেইটামান কাৰণ উল্লেখ কৰা হ'ল।


আল্লাহে মানুহৰ হিদায়তৰ বাবে অৱতীৰ্ণ কৰা কিতাব (আল-কোৰআন) খন হৈছে আল্লাহৰ অস্তিত্বৰ স্পষ্ট প্ৰমাণ।

- চৈধ্য শ বছৰ আগত এই কোৰআনখন অৱতীৰ্ণ হৈছে, য'ত বহুতো বৈজ্ঞানিক তথ্য আছে, যিবোৰ সেই সময়ৰ মানুহে জনাই নাছিল। বৰং সেইবোৰ আধুনিক বিজ্ঞানেহে প্ৰমাণ কৰিবলৈ সক্ষম হৈছে। উদাহৰণস্বৰূপে পানীয়ে হৈছে জীৱজগতৰ মূল উৎস। (ছুৰা আম্বিয়াঃ ২১:৩০) বিশ্বজগতৰ সম্প্ৰসাৰণ (ছুৰা আজ-জাৰিয়াতঃ ৫১:৪৭) সূৰ্য, চন্দ্ৰ আনকি প্ৰতিটো গ্ৰহ নক্ষত্ৰৰে নিজা নিজা কক্ষপথ আছে। (ছুৰা আম্বিয়া ২১:৩৩)
- কোৰআনত বহুতো ঐতিহাসিক এনেকুৱা তথ্য আছে যিবোৰ সেই সময়ৰ মানুহে অৱগত নাছিল, আৰু এনেকুৱা বহুতো ভৱিষ্যদ্বাণীও আছে যিবোৰ এতিয়াহে সত্য প্ৰমাণিত হৈ আছে।
- কোৰআনত কোনো ধৰণৰ ভুল-ভ্ৰান্তি অথবা মতবিৰোধ নাই।
- মূল আৰবী ভাষাত কোৰআন অৱতীৰ্ণ হোৱাৰ পৰা আজিলৈকে কোৰআনৰ প্ৰতিটো আখৰ হুবহু সংৰক্ষিত। পক্ষান্তৰে ইয়াৰ বাহিৰে বেলেগ কোনো ধৰ্ম গ্ৰন্থই মূলৰূপত উপলব্ধ নাই।
- কোৰআনৰ বাৰ্তাবোৰ স্পষ্ট, বিশুদ্ধ তথা বিশ্বজনীন, যিবোৰে মানুহক আল্লাহৰ প্ৰতি বিশ্বাস স্থাপন কৰিবলৈ আহ্বান কৰে।
- কোৰআন অৱতীৰ্ণ হৈছে নবী মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওপৰত আৰু তেওঁ আছিল এজন নিৰক্ষৰ ব্যক্তি। অথচ কোৰআনৰ ভাষা শৈলী হৈছে অনন্য, আকৰ্ষণীয় শব্দ গাঁথনি, বাক্যৰ মধুৰতা আৰু সৌন্দৰ্য্য আদি বিশ্বব্যাপী বিখ্যাত।

কোৰআনৰ অনন্য তথা অলৌকিক বিষয়বোৰে প্ৰমাণ কৰে যে, এইখন নিশ্চিতভাৱে মহান আল্লাহৰ ফালৰ পৰা অৱতীৰ্ণ।

CONTENTS



























# প্ৰকৃত উপাস্য কোন?

প্ৰকৃত উপাস্য হৈছে একমাত্ৰ মহান আল্লাহ। ‘আল্লাহ’ নামটো হৈছে প্ৰকৃত উপাস্যৰ সত্ত্বাগত নিজস্ব নাম। এই নাম একমাত্ৰ তেওঁৰ বাহিৰে আন কাৰো বাবেই প্ৰযোজ্য নহয়। এই শব্দটোৰ বহুবচনো নহয় আৰু ইয়াৰ স্ত্ৰী লিংগও নাই। আনহাতে উপাস্যক বুজাবলৈ ইংৰাজী ভাষাত ব্যৱহাৰ হোৱা ‘God’ শব্দটোৰ বহুবচনো হয় আৰু স্ত্ৰী লিংগও আছে। যেনে- God/ Goddess। পক্ষান্তৰে আল্লাহ শব্দটোৰ অনন্য ব্যৱহাৰৰ মাজতেই আল্লাহৰ একত্ববাদৰ নিদৰ্শন নিহিত হৈ আছে, যাৰ প্ৰতি ইছলামে ইমান গুৰুত্ব দিছে।

আৰু তোমালোকৰ ইলাহ (উপাস্য) কেৱল এজন ইলাহ। তেওঁৰ বাহিৰে আন কোনো (সত্য) ইলাহ নাই। তেওঁ পৰম কৰুণাময়, পৰম দয়ালু। (ছুৰা আল-বাক্বাৰাহঃ ১৬৩)

ইছলামৰ মূল সৌন্দৰ্য হৈছে এই যে, ইছলামে আল্লাহক যাৱতীয় পূৰ্ণাংগ গুণাৱলীৰ অধিকাৰী বুলি স্বীকাৰ কৰে, লগতে তেওঁক আটাইতকৈ মহান আৰু একক বুলি স্বীকাৰ কৰে, এই ক্ষেত্ৰত ইছলামে কোনো ধৰণৰ আপোচ নকৰে। আল্লাহৰ নাম আৰু তেওঁৰ গুণাৱলী সম্পৰ্কে দিয়া ইছলামৰ শিক্ষাৰ মাজত এই কথা স্পষ্ট।

## মহান আল্লাহ একক তথা অদ্বিতীয়

- নিশ্চয় মহান আল্লাহৰ কোনো অংশীদাৰ নাই, তেওঁৰ কোনো সমকক্ষ নাই আৰু প্ৰতিপক্ষও নাই।
- মহান আল্লাহৰ পিতাও নাই আৰু মাকো নাই, আনকি পুত্ৰ-কন্যা আৰু স্ত্ৰীও নাই।
- একমাত্ৰ তেৱেঁই ইবাদতৰ যোগ্য।
- যদি একাধিক উপাস্য থাকিলহেঁতেন তেন্তে নিশ্চয় তেওঁলোকৰ মাজত ক্ষমতা আৰু কৰ্তৃত্ব আদিকলৈ বিবাদ হ’লহেঁতেন।

## মহান আল্লাহ সৰ্বশক্তিমান

- সকলো বিষয়ৰ চাবিকাঠি মহান আল্লাহৰ হাতত। তেওঁ সকলো বস্তুৰ ওপৰত ক্ষমতাৱান।
- সকলোৱে সম্পূৰ্ণৰূপে তেওঁৰ অধীনস্থ আৰু তেওঁৰ ওপৰতেই নিৰ্ভৰশীল।
- আনুগত্যকাৰীৰ আনুগত্যই মহান আল্লাহক একো উপকাৰ নকৰে, আৰু কোনো পাপিষ্ঠ ব্যক্তিৰ পাপকৰ্ময়ো তেওঁক কোনো ক্ষতি নকৰে।

## আল্লাহ মহান সুউচ্চ

- আল্লাহ মহান, তেওঁৰ ওপৰত একো নাই। আনকি তেওঁৰ সৈতে কাৰো তুলনাও নহয়।
- মাখলুকৰ গুণাৱলীৰ সৈতে স্ৰষ্টা তথা মহান আল্লাহৰ গুণাৱলীৰ কোনো তুলনা নহয়।
- মহান আল্লাহে কেতিয়াও কোনো মানুহৰেই ৰূপ ধাৰণ নকৰে, আৰু কোনো বস্তুৰ মাজতো নোসোমায়।
- তেওঁ পূৰ্ণাংগ গুণাৱলীৰ অধিকাৰী। মানুহৰ অক্ষমতাৰ সীমাবদ্ধতা তেওঁৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়। তেওঁ সৃষ্টিৰ সীমাবদ্ধতাৰ ঊৰ্দ্ধত। যিদৰে কিছুমান ধৰ্মৰ লোকে তেওঁৰ ক্ষেত্ৰতো সৃষ্টিৰ দৰে সীমাবদ্ধতা থকা বুলি দাবী কৰে, যেনে- সিহঁতে কয় যে, তেওঁ ছয় দিনত আকাশমণ্ডল আৰু পৃথিৱীক সৃষ্টি কৰিছে আৰু সপ্তম দিনটোত তেওঁ বিশ্ৰাম কৰিছে। অথচ তেওঁ কেতিয়াও ক্লান্ত নহয়। (চাওক ছুৰা ক্বাফঃ ৩৮)

## মহান আল্লাহ ন্যায় বিচাৰক তথা অত্যন্ত দয়ালু

- মানুহৰ গুনাহ মাৰ্জনাৰ বাবে উপাস্যই নিজকে কুৰবান কৰাৰ প্ৰয়োজন নাই। এইদৰে মানুহে গুনাহ লৈ জন্ম গ্ৰহণো নকৰে।

CONTENTS






- আল্লাহে প্ৰত্যেককে কৰ্ম অনুসৰি বিচাৰ কৰিব, সেয়ে প্ৰত্যেকেই নিজৰ কৰ্মৰ বাবে দায়ী।
- মানুহে আল্লাহৰ সন্তুষ্টি অৰ্জন কৰিবলৈ হ'লে তেওঁৰ প্ৰতি ঈমান আনিব লাগিব আৰু নেক আমল কৰিব লাগিব। জাতি, গোত্ৰ, সমাজ আৰু ধন-সম্পদৰ বিনিময়ত কেতিয়াও তেওঁৰ সন্তুষ্টি অৰ্জন কৰিব নোৱাৰে।

# ঈছা (যীচু) আলাইহিচ্ছালাম সম্পৰ্কে

অধিকাংশ খ্ৰীষ্টান ধৰ্মাৱলম্বী লোকে দাবী কৰে যে, যীচুৱেই হৈছে আল্লাহ, অথবা তিনিৰ তৃতীয়। তেৱেঁই দেহ ধাৰণ কৰি পৃথিৱীলৈ আগমন কৰিছে। মানুহৰ ৰূপত তেৱেঁই আল্লাহ।

**ইছলামত আল্লাহ সম্পৰ্কে আলোচনা কৰাৰ সময়ত ঈছা আলাইহিচ্ছালামৰ বিষয়ে আলোচনা কৰাটো খুবেই গুৰুত্বপূৰ্ণ। কিয়নো ঈছা আলাইহিচ্ছালামৰ বিষয়ে ব্যাপক বিভ্ৰান্তি আৰু বিভিন্ন দাবী প্ৰচলিত হৈ আহিছে।**

অথচ খ্ৰীষ্টান ধৰ্মৰ পবিত্ৰ কিতাব বাইবেলৰ মতে যীচুৱে (অন্যান্য লোকৰ দৰেই) জন্ম গ্ৰহণ কৰিছে। তেওঁ পানাহাৰ কৰিছিল, টোপনি মাৰিছিল, ইবাদত কৰিছিল, আৰু তেওঁৰ ওচৰত সকলো বিষয়ৰ পূৰ্ণাংগ জ্ঞানো নাছিল। এইবোৰ কিন্তু আল্লাহৰ বৈশিষ্ট্য নহয়। আল্লাহ হৈছে পূৰ্ণাংগ গুণাৱলীৰ অধিকাৰী। আনহাতে মানৱ হৈছে ইয়াৰ বিপৰীত। তেন্তে পৰস্পৰ দুটা বিপৰীত সত্ত্বা কেনেকৈ এক হ'ব পাৰে? এইটো কেতিয়াও যুক্তিসংগত নহয়।

ইয়াৰ পিছতো কোনোবাই প্ৰশ্ন কৰিব পাৰে যে, আল্লাহে যেতিয়া সকলো কৰিব পাৰে তেন্তে তেওঁ মানুহৰ ৰূপ কিয় ধাৰণ কৰিব নোৱাৰে?

ইয়াৰ উত্তৰ হৈছে সংজ্ঞা মতে, উপাস্যই কেতিয়াও ঐশ্বৰিক কৰ্মৰ বাহিৰে বেলেগ কোনো কৰ্ম নকৰে। এতেকে উপাস্যই যদি মানৱ ৰূপ ধাৰণ কৰি মানুহৰ দৰে কৰ্ম কৰে, তেন্তে স্ৰষ্টা আৰু সৃষ্টিৰ মাজত পাৰ্থক্য থাকিব ক'ত? তেওঁ দেখোন স্ৰষ্টাৰ সংজ্ঞাতে নপৰিব।

পক্ষান্তৰে খ্ৰীষ্টানসকলৰ হাতত থকা বাইবেলৰ কেইবাটাও আয়াতত যীচুৱে কৈছে যে, মই হৈছোঁ আল্লাহৰ এজন বান্দা। তেওঁ পৃথক এটা সত্ত্বা হিচাপে যাৱতীয় কৰ্মৰাজি পালন কৰিছিল।

উদাহৰণস্বৰূপে চাওক, গচপেল অৱ জন ৮/৪০ "এতিয়া তোমালোকে মোক হত্যা কৰিব বিচাৰিছা, অথচ মই এনেকুৱা এজন মানুহ, যিয়ে আল্লাহৰ পৰা সত্য কথা শুনি তোমালোকৰ মাজত প্ৰচাৰ কৰিছিলোঁ"।

আনহাতে কিছুমান খ্ৰীষ্টানে দাবী কৰে যে, "যীচু হৈছে আল্লাহৰ পুত্ৰ"। আমি নিজকে প্ৰশ্ন কৰি চোৱা উচিত যে, ইয়াৰ দ্বাৰা আচলতে কি বুজাব বিচাৰিছে, আল্লাহৰ যদি পুত্ৰ থাকে তেন্তে স্ৰষ্টা আৰু সৃষ্টিৰ মাজত পাৰ্থক্য ক'ত থাকিল?

নিশ্চিতভাৱে মহান আল্লাহ শাৰীৰিক আৰু আক্ষৰিক পুত্ৰ গ্ৰহণৰ পৰা বহু উৰ্দ্ধত। অথচ আমি দেখিবলৈ পাওঁ যে প্ৰাচীন বাইবেলৰ ভাষাত 'আল্লাহৰ পুত্ৰ' শব্দটোক 'ধাৰ্মিক ব্যক্তি'ৰ বাবে প্ৰতীকী শব্দ হিচাপে ব্যৱহাৰ কৰা হৈছিল- প্ৰাচীন বাইবেলত এইটো কেৱল যীচুৰ ক্ষেত্ৰতেই নহয়, বৰং বহুতো পুণ্যৱান লোকৰ ক্ষেত্ৰতো ব্যৱহৃত হৈছিল, যেনে- দাউদ, ছুলাইমান, ইছৰাঈল।

উদাহৰণস্বৰূপে চাওক এক্সোডাচৰ ০৪:২২ নং শ্লোকত আছে, "ইছৰাঈল হৈছে মোৰ প্ৰথম পুত্ৰ"।

**সন্তান গ্ৰহণ কৰাটো আল্লাহৰ কাম নহয়। তেওঁ পবিত্ৰ, অত্যন্ত মহিমাময় সত্ত্বা। (ছুৰা মৰিয়মঃ ৩৫)**

ইছলামী আক্বীদাই ঈছা আলাইহিচ্ছালামৰ বাস্তৱ চিত্ৰ স্পষ্ট কৰিছে। লগতে আল্লাহৰ প্ৰতি নিৰ্ভেজাল বিশ্বাস পোষণ কৰিবলৈ উৎসাহিত কৰিছে। সকলো প্ৰকাৰ গুণাৱলীৰ ক্ষেত্ৰত আৰু প্ৰভুত্বৰ ক্ষেত্ৰত তেওঁ একক তথা অদ্বিতীয়।

ঈছা আলাইহিচ্ছালাম আছিল আল্লাহৰ ফালৰ পৰা প্ৰেৰিত এজন সন্মানীয় ৰাছুল। তেওঁ মানুহক এক আল্লাহৰ ইবাদত কৰিবলৈহে আহ্বান কৰিছিল।

CONTENTS






## একমাত্ৰ আল্লাহেই হৈছে ইবাদতৰ যোগ্য

তোমালোকে আল্লাহৰ ইবাদত কৰা, তেওঁৰ সৈতে আন কাকো অংশীদাৰ নকৰিবা। (ছুৰা নিছাঃ ৩৬)

ইছলামে এই শিক্ষা দিয়ে যে, সকলো প্ৰকাৰ ইবাদত উপাসনা একমাত্ৰ আল্লাহৰেই প্ৰাপ্য। তেওঁৰ বাহিৰে আন কোনেও উপাসনাৰ যোগ্য নহয়। মূৰ্তি, কবৰ, চন্দ্ৰ, সূৰ্য্য, জীৱ-জন্তু, নবী-ৰাছুল, অলী আউলিয়া, ফিৰিস্তা, পীৰ-বুজৰ্গ, আলিম উলামা আদি সকলোৱে হৈছে আল্লাহৰ সৃষ্টি, সিহঁতৰ সীমাবদ্ধতা আছে, সিহঁত অপৰিপূৰ্ণ, সীমিত। একমাত্ৰ আল্লাহেই পৰিপূৰ্ণ বৈশিষ্ট্যৰ অধিকাৰী, সেয়ে কেৱল তেৱেঁই ইবাদতৰ যোগ্য।

## আল্লাহক ইবাদত কৰিবলৈ কোনো মধ্যস্ততা বা ছুপাৰিছৰ প্ৰয়োজন নাই।

আল্লাহৰ কোনো অংশীদাৰৰ প্ৰয়োজন নাই আৰু কোনো মধ্যস্ততাৰো প্ৰয়োজন নাই। সকলো ব্যক্তিৰ বাবেই আল্লাহৰ দুৱাৰ সদায় খোলা, প্ৰতিজন ব্যক্তিয়েই আল্লাহে দিয়া নিৰ্দেশনা অনুসৰি প্ৰত্যক্ষভাৱে তেওঁৰ ইবাদত কৰিব পাৰে। তেওঁ প্ৰত্যেকৰে কথা শুনা পায়, প্ৰশংসাকাৰীৰ প্ৰশংসা শুনে, প্ৰাৰ্থনাকাৰীৰ প্ৰাৰ্থনা শুনে। আনহাতে মধ্যস্ততা বা ছুপাৰিছৰ সহায়ত কৰা ইবাদতে দৰাচলতে তাওহীদৰ ভিত্তি ধ্বংস কৰে, যেনে- মূৰ্তি-প্ৰতিমা অথবা এই জাতীয় আন কোনো বস্তুক মধ্যস্ততা হিচাপে লৈ কৰা উপাসনা আদি। গতিকে জানি থোৱা উচিত যে, একমাত্ৰ আল্লাহেই ইবাদতৰ যোগ্য, তেওঁৰ বাহিৰে আন কোনেও ইবাদতৰ যোগ্য নহয়।

## সকলো নবী আৰু ৰাছুলেই মানুহক আল্লাহৰ ইবাদত কৰিবলৈ আহ্বান কৰিছিল।

নিশ্চয় আমি প্ৰতিটো উম্মতৰ ওচৰলৈ একো একোজনকৈ ৰাছুল প্ৰেৰণ কৰিছিলোঁ, যাতে তেওঁলোকে মানুহক উপদেশ দিয়ে যে, তোমালোকে আল্লাহৰ ইবাদত কৰা আৰু অসত্য উপাস্যক বৰ্জন কৰা। (ছুৰা নাহলঃ ৩৬)

মুছলিমসকলে আদম, নূহ, ইব্ৰাহীম, মূছা, ঈছা আৰু মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লামকে আদি কৰি আল্লাহে প্ৰেৰণ কৰা সকলো নবী আৰু ৰাছুলৰ প্ৰতি ঈমান পোষণ কৰে। আল্লাহে তেওঁলোক আটাইকে একেই বাৰ্তা সহকাৰে প্ৰেৰণ কৰিছিল। সেই বাৰ্তাটো আছিল এই যে, "তোমালোকে একমাত্ৰ আল্লাহৰ ইবাদত কৰা, তেওঁৰ বাহিৰে তোমালোকৰ আন কোনো সত্য উপাস্য নাই"।

## জীৱনৰ একমাত্ৰ উদ্দেশ্য হৈছে, আমি যেন আল্লাহৰ ইবাদত কৰোঁ।

আমাৰ এই জীৱনৰ একমাত্ৰ উদ্দেশ্য হৈছে আমি যেন কেৱল আল্লাহৰ ইবাদত কৰোঁ, লগতে আমি যেন তেওঁক ইবাদত আৰু প্ৰভুত্বৰ ক্ষেত্ৰত একক বুলি বিশ্বাস কৰোঁ আৰু একমাত্ৰ তেওঁৰেই যেন সন্তুষ্টি কামনা কৰোঁ। ইছলামত ইবাদত কেৱল নামাজ, ৰোজাৰ মাজতেই সীমাবদ্ধ নহয়, বৰং আল্লাহে পছন্দ কৰা আৰু তেওঁ সন্তুষ্ট হোৱা যাৱতীয় কৰ্ম ইয়াৰ অন্তৰ্ভুক্ত, যেনে- সদাচৰণ কৰা, সততা অৱলম্বন কৰা, ধৈৰ্য্য ধাৰণ কৰা, অভাৱগ্ৰস্তসকলক সহায় কৰা ইত্যাদি।

মুঠতে ইছলামৰ মূল ভিত্তি হৈছে সকলো ক্ষেত্ৰতে আল্লাহক একক তথা অদ্বিতীয় বুলি স্বীকাৰ কৰা। তেৱেঁই সকলো বস্তুৰ সৃষ্টিকৰ্তা আৰু প্ৰতিপালক। তেওঁ পূৰ্ণাংগ গুণাৱলীৰ অধিকাৰী। একমাত্ৰ তেৱেঁই ইবাদতৰ যোগ্য। পৃথিৱী আৰু আখিৰাতত আমাৰ সফলতা ইয়াৰ মাজতেই নিহিত হৈ আছে।

CONTENTS


ইছলাম পৰিচিতি
নবী মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম
যীচু বা ঈছা মছীহঃ আল্লাহৰ এজন ৰাছুল
ইছলামত উপাস্যৰ ধাৰণা
আল-কোৰআন
জীৱনৰ উদ্দেশ্য কি?
ইছলাম সম্পৰ্কে কিছুমান ভুল ধাৰণা
ইছলামত নাৰীৰ অধিকাৰ
কোৰআনৰ বৈজ্ঞানিক অলৌকিকতা
ইছলামৰ দৃষ্টিত মৃত্যু আৰু পৰকাল


# আল-কোৰআন

ASSAMESE (INDIA) (05/10) القرآن FREE COPY

## মানুহৰ প্ৰতি সৰ্বশেষ অৱতীৰ্ণ অহী




Dar Al Ber Society
www.daralber.ae
الإمـــارات THE EMIRATES
Your Path To Peace..
مركز المعلومات الإسلامي
Islamic Information Center
للتعريف بالإسلام
تصريح رقم: (2017/139)
دائــرة الشـــؤون الإســـلامية والعمـــل الخيـــري
Islamic Affairs & Charitable Activities Department
www.islamicic.com

CONTENTS




# কোৰআন কি?

## আল্লাহৰ বাণী

কোৰআন হৈছে সৰ্বশক্তিমান আল্লাহৰ বাণী, ফিৰিস্তা জিব্ৰীল আলাইহিচ্ছালামৰ জৰিয়তে নবী মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওপৰত অৱতীৰ্ণ হৈছে।

"এই কিতাব, মহা পৰাক্ৰমশালী প্ৰজ্ঞাময় আল্লাহৰ তৰফৰ পৰা অৱতীৰ্ণ"। (কোৰআনঃ ৩৯:১)

## মানুহৰ বাবে পথপ্ৰদৰ্শক

সংক্ষিপ্তভাৱে ক'বলৈ গ'লে "কোৰআন হৈছে মানৱ জাতিৰ হিদায়ত আৰু হিদায়তৰ স্পষ্ট নিদৰ্শন, লগতে ই হৈছে সত্য আৰু অসত্যৰ মাজত পাৰ্থক্যকাৰী"। (কোৰআনঃ ২:১৮৫)

কোৰআন হৈছে এনেকুৱা এটা উৎস, যিয়ে মানুহক ভুল-শুদ্ধৰ মাজত পাৰ্থক্য কৰিবলৈ দিশ নিৰ্দেশনা দিয়ে। যি উৎস নহ'লে মানুহ নিশ্চিতভাৱে ধ্বংস হ'ব তথা সঠিক পথৰ পৰা বিভ্ৰান্ত হ'ব।

## সৰ্বশেষ অৱতীৰ্ণ অহী

কোৰআন হৈছে সৰ্বশক্তিমান আল্লাহে  অৱতীৰ্ণ কৰা সৰ্বশেষ গ্ৰন্থ, যি গ্ৰন্থই পূৰ্বে অৱতীৰ্ণ হোৱা পৱিত্ৰ গ্ৰন্থসমূহৰ কিছু অংশত যি অলপ সত্য বাকী আছে সেইখিনিক সমৰ্থন কৰে, লগতে সেইসমূহ গ্ৰন্থত বৰ্তমান সময়ত যিবোৰ পৰিবৰ্তন আৰু পৰিবৰ্ধন হৈছে সেইবোৰক খণ্ডন কৰে আৰু সংশোধন কৰে।

"হে কিতাবপ্ৰাপ্তসকল! তোমালোকৰ ওচৰত যি আছে তাৰ সমৰ্থকৰূপে আমি যি অৱতীৰ্ণ কৰিছোঁ তাৰ প্ৰতি তোমালোকে ঈমান পোষণ কৰা"। (কোৰআনঃ ৪:৪৭)

# কোৰআন কেনেকৈ অৱতীৰ্ণ হৈছিল?


কোৰআন মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওপৰত আৰবী ভাষাত অৱতীৰ্ণ হৈছে, আৰু এতিয়াও হুবহু সেই ভাষাতেই বিদ্যমান আছে। যদিও কোৰআনৰ অনুবাদ বিশ্বৰ বিভিন্ন ভাষাত উপলব্ধ।

কোৰআন এবাৰতেই এখন পূৰ্ণাংগ গ্ৰন্থ হিচাপে অৱতীৰ্ণ হোৱা নাছিল, বৰং সুদীৰ্ঘ ২৩ বছৰ সময়ছোৱাত অৱতীৰ্ণ হৈছে।


এই কাৰণেই কোৰআন সঠিকভাৱে বুজিবলৈ হ'লে কি পৰিস্থিতিত ইয়াৰ আয়াতবোৰ অৱতীৰ্ণ হৈছিল সেয়া জনাটো অতি প্ৰয়োজন; অন্যথা ইয়াৰ শিক্ষাক ভুল বুজিব পাৰে।

CONTENTS



























# কেনেকৈ জানিম যে, এইখন

## সংৰক্ষণ

কোৰআনেই হৈছে একমাত্ৰ পৱিত্ৰ ধৰ্মীয় গ্ৰন্থ, যিখন সুদীৰ্ঘ সময়ৰ পৰা প্ৰচলিত হৈ আহিছে, আৰু এতিয়াও বিশুদ্ধৰূপে সেই অৱস্থাতেই আছে যি অৱস্থাত এইখন অৱতীৰ্ণ হৈছিল। ১৪০০ বছৰতকৈও বেছি সময় পাৰ হোৱাৰ পিছতো ইয়াৰ মাজত কোনো ধৰণৰ পৰিৱৰ্তন, পৰিৱৰ্ধন তথা বিকৃত হোৱা নাই।

কোৰআন কেৱল লিখিত ৰূপতেই সংৰক্ষিত নহয়, বৰং পুৰুষ, মহিলা আৰু শিশুৰ অন্তৰতো কোৰআন সংৰক্ষিত হৈ আছে। আজি লাখ লাখ মানুহে কোৰআনক আৰম্ভণিৰ পৰা শেষলৈকে মুখস্থ কৰি ৰাখিছে।

> “নিশ্চয় আমিয়েই কোৰআন অৱতীৰ্ণ কৰিছোঁ আৰু নিশ্চয় আমিয়েই ইয়াৰ সংৰক্ষক”। (কোৰআনঃ ১৫:৯)

## বৈজ্ঞানিক অলৌকিকতা

কোৰআনে আধুনিক বিজ্ঞানৰ বিৰোধিতা নকৰে, বৰং ইয়াৰ বাস্তৱতাক সমৰ্থন কৰে। কোৰআনৰ এটা উল্লেখযোগ্য দিশ হৈছে এই যে, ইয়াত বহুতো এনেকুৱা আয়াত আছে, যিবোৰে প্ৰাকৃতিক পৰিঘটনাৰ সঠিক তথা সুক্ষ্ম বৰ্ণনা দিছে, যেনে- ভ্ৰূণ-বিজ্ঞান, বতৰ বিজ্ঞান, জ্যোতিৰ্বিজ্ঞান, ভূতত্ত্ব আৰু সাগৰ বিজ্ঞান আদি বিভিন্ন বিষয়ত। বিজ্ঞানীসকলে সপ্তম শতিকাৰ এনেকুৱা এখন কিতাপৰ সুক্ষ্ম বৰ্ণনাক অবিশ্বাস্যভাৱে সঠিক বুলি বিবেচনা কৰিছে।

> “অনতিপলমে আমি সিহঁতক আমাৰ নিদৰ্শনাৱলী দেখুৱাম, বিশ্বজগতৰ প্ৰান্তসমূহত আৰু সিহঁতৰ নিজৰ মাজতো; যাতে সিহঁতৰ ওচৰত সুস্পষ্ট হৈ উঠে যে, নিশ্চয় এইখন (কোৰআন) সত্য”। (কোৰআনঃ ৪১:৫৩)

দৰাচলতে কোৰআনত উল্লিখিত বহুতো বৈজ্ঞানিক অলৌকিকতা আধুনিক প্ৰযুক্তিগত সঁজুলিৰ উন্নতিৰ জৰিয়তে এতিয়াহে আৱিষ্কাৰ হৈছে। তলত দিয়া কথাখিনি বিবেচনা কৰি চাওকচোন:

- কোৰআনত মানৱ ভ্ৰূণৰ বিকাশ সম্পৰ্কে বিশদভাৱে বিৱৰণ দিয়া হৈছে, যি বিষয়ে বৈজ্ঞানিকসকলে সবিশেষ অৱগত নাছিল, এতিয়াহে জানিব পাৰিছে।
- আধুনিক বিজ্ঞানে দুখন সাগৰৰ মাজত থকা বাধাৰ অস্তিত্বক এতিয়াহে আৱিষ্কাৰ কৰিছে, যিয়ে দুখন সাগৰক লগ হ’বলৈ নিদিয়ে, লগতে নিজৰ উষ্ণতা, ঘনত্ব আৰু লৱণীয়তাও বজাই ৰাখে।

অথচ এই বিষয়ে পৱিত্ৰ কোৰআনত আল্লাহে ১৪০০ বছৰ আগতেই স্পষ্টভাৱে উল্লেখ কৰিছে।

CONTENTS






# আল্লাহৰ ফালৰ পৰা অৱতীৰ্ণ?

## অনন্যতা

কোৰআন অৱতীৰ্ণ হোৱাৰ পিছৰে পৰা আজিলৈকে কোনো ব্যক্তিয়েই কোৰআনৰ সৌন্দৰ্য্য, বাকপটুতা, মহিমা, প্ৰজ্ঞা, ভৱিষ্যদ্বাণী আৰু অন্যান্য নিখুঁত বৈশিষ্ট্যৰ দৰে এটা ছুৰাও প্ৰস্তুত কৰিব পৰা নাই। যিসকল লোকে নবী মুহাম্মদ (চাল্লাল্লাহু আলাইহি অছাল্লাম)ক অস্বীকাৰ কৰিছিল, সিহঁত আৰবী ভাষাত অত্যন্ত বাকপটু হোৱাৰ পিছতো এই প্ৰত্যাহ্বান গ্ৰহণ কৰাত ব্যৰ্থ হৈছিল। এই প্ৰত্যাহ্বান আজিও উত্তৰহীন হৈ আছে।

“আমি আমাৰ বান্দাৰ ওপৰত যি অৱতীৰ্ণ কৰিছোঁ তাত যদি তোমালোকৰ কোনো সন্দেহ থাকে তেন্তে ইয়াৰ অনুৰূপ কোনো এটা ছুৰা ৰচনা কৰি আনা আৰু আল্লাহৰ বাহিৰে তোমালোকৰ সকলো সাক্ষী-সহায়কাৰীক আহ্বান কৰা, যদিহে তোমালোকে সত্যবাদী হোৱা”। (কোৰআনঃ ২:২৩)

## কোনো বৈপৰীত্য নাই

মানুহে যেতিয়া লিখে তেতিয়া বানান আৰু ব্যাকৰণ, পৰস্পৰ বিৰোধী বক্তব্য, অসংলগ্ন সিদ্ধান্ত, তথ্য আদিত ত্ৰুটি আৰু অন্যান্য বহুতো ভুল কৰা দেখা যায়, আৰু ভুল হোৱাটোৱে স্বাভাৱিক, কাৰণ সি মানুহ।

“সিহঁতে কোৰআনকলৈ গভীৰভাৱে চিন্তা-চৰ্চা নকৰে নেকি? যদি এয়া আল্লাহৰ বাহিৰে আন কাৰোবাৰ পৰা অহা হ’লহেঁতেন, তেন্তে নিশ্চয় সিহঁতে ইয়াৰ মাজত বহুতো অসঙ্গতি পালেহেঁতেন”। (কোৰআনঃ ৪:৮২)

কোৰআনত কোনো ধৰণৰ বৈপৰীত্য নাই, সেয়া জলচক্ৰৰ বৈজ্ঞানিক ব্যাখ্যাই হওক, ভ্ৰূণ বিজ্ঞান, ভূতত্ত্ব আৰু জ্যোতিৰ্বিজ্ঞানেই হওক অথবা ঐতিহাসিক তথ্য আৰু পৰিঘটনাই হওক বা ভৱিষ্যদ্বাণীয়ে হওক, ক’তো কোনো বৈপৰীত্য নাই।

## মুহাম্মদে ইয়াক লিখিব পাৰিলেহেঁতেননে?

ইতিহাসত এই কথা লিপিবদ্ধ আছে যে, মুহাম্মদ (চাল্লাল্লাহু আলাইহি অছাল্লাম) আছিল এজন নিৰক্ষৰ ব্যক্তি; তেখেত পঢ়িব বা লিখিব পৰা নাছিল। এইদৰে বৈজ্ঞানিক ব্যাখ্যা দিব পৰা, ঐতিহাসিক ঘটনাৰ সঠিক তথ্য উল্লেখ কৰিব পৰা, সাহিত্যিকতাৰ ক্ষেত্ৰত ইমান সৌন্দৰ্য্যপূৰ্ণ গ্ৰন্থ লিপিবদ্ধ কৰিব পৰা কোনো শিক্ষাই তেখেতৰ ওচৰত নাছিল। আনকি কোৰআনত পূৰ্বৰ জনগোষ্ঠী আৰু সভ্যতাৰ ঐতিহাসিক ঘটনাসমূহ যিদৰে নিখুঁতভাৱে উল্লেখ কৰা হৈছে, তেনেকৈ কোনো মানুহেই লিখিব নোৱাৰে।

“আৰু এই কোৰআন আল্লাহৰ বাহিৰে আন কাৰোবাৰ দ্বাৰা ৰচনা হোৱাটো কেতিয়াও সম্ভৱ নহয়”। (কোৰআনঃ ১০:৩৭)

CONTENTS




# অৱতীৰ্ণ কৰাৰ উদ্দেশ্য

## একক তথা অদ্বিতীয় সত্য উপাস্যৰ প্ৰতি ঈমান পোষণ কৰিবলৈ

“আৰু তোমালোকৰ ইলাহ কেৱল এজন ইলাহ। তেওঁৰ বাহিৰে আন কোনো (সত্য) ইলাহ নাই। তেওঁ পৰম কৰুণাময়, পৰম দয়ালু”। (কোৰআনঃ ২:১৬৩)

কোৰআনত উল্লেখ হোৱা আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়টো হৈছে একক তথা অদ্বিতীয় সত্য উপাস্য আল্লাহৰ প্ৰতি ঈমান পোষণ কৰা। আল্লাহে আমাক জনাইছে যে, তেওঁৰ কোনো অংশীদাৰ নাই, কোনো পুত্ৰ নাই, কোনো সমকক্ষও নাই, আনকি একমাত্ৰ তেওঁৰ ইবাদতৰ বাহিৰে আন কাৰো ইবাদত কৰাৰ অধিকাৰো নাই। তেওঁৰ লগত একোকেই তুলনা কৰিব নোৱাৰি আৰু কোনো সৃষ্টিৰ সৈতেও তেওঁৰ কোনো সাদৃশ্যতা নাই। এইদৰে কোৰআনে মানৱীয় গুণ আৰু সীমাবদ্ধতাকো আল্লাহৰ সৈতে সম্পৃক্ত কৰিবলৈ নাকচ কৰিছে।

## সকলো বাতিল উপাস্যক অস্বীকাৰ কৰিবলৈ

“তোমালোকে আল্লাহৰ ইবাদত কৰা, আৰু তেওঁৰ লগত আন কাকো অংশীদাৰ স্থাপন নকৰিবা”। (কোৰআনঃ ৪:৩৬)

যিহেতু ইবাদতৰ যোগ্য হৈছে একমাত্ৰ আল্লাহ তাআলা, গতিকে বাতিল উপাস্য আৰু তাগুতবোৰক অস্বীকাৰ কৰাটো বাধ্যতামূলক। কিয়নো কোৰআনে আল্লাহৰ বাহিৰে আন কাৰোবাক বা আন যিকোনো বস্তুৰ সৈতে ঐশ্বৰিক গুণ সম্পৃক্ত কৰিবলৈ কঠোৰভাৱে নিষেধ কৰিছে।

## অতীতৰ ঘটনাসমূহৰ বৰ্ণনা দিবলৈ

কোৰআনত উপকাৰী পাঠৰ সৈতে বহুতো ঘটনা উল্লেখ আছে, য'ত পূৰ্বৱৰ্তী নবীসকলৰ বাস্তৱ ঘটনা উপস্থাপন কৰা হৈছে, যেনে, আদম, নূহ, ইব্ৰাহীম, ঈছা (যীচু) আৰু মূছাৰ ঘটনা। এই ঘটনাবোৰৰ বিষয়ে মহান আল্লাহে কৈছে, “সিহঁতৰ বৃত্তান্তত অৱশ্যে বোধশক্তি সম্পন্ন ব্যক্তিসকলৰ বাবে আছে শিক্ষা”। (কোৰআনঃ ১২:১১১)

## আমাক বিচাৰৰ দিনৰ কথা সোঁৱৰাই দিবলৈ

এই পৱিত্ৰ গ্ৰন্থখনে আমাক সোঁৱৰাই দিছে যে, নিশ্চিতভাৱে প্ৰত্যেকেই মৃত্যুৰ সোৱাদ লব লাগিব, আৰু প্ৰত্যেকৰে কথা আৰু কৰ্মৰ হিচাপ-নিকাচ হ'ব।

“আৰু কিয়ামতৰ দিনা আমি ন্যায়বিচাৰৰ তুলাচনী স্থাপন কৰিম, সেয়ে কাৰো প্ৰতি কোনো ধৰণৰ অন্যায় কৰা নহ'ব”। (কোৰআনঃ ২১:৪৭)

## উদ্দেশ্যিত জীৱনশৈলী বাস্তৱায়ন কৰিবলৈ

গুৰুত্বপূৰ্ণ কথাটো হ'ল কোৰআনে শিকাইছে যে, জীৱনৰ উদ্দেশ্য হৈছে একমাত্ৰ আল্লাহৰ উপাসনা কৰা, লগতে তেওঁৰ দ্বাৰা নিৰ্ধাৰিত জীৱন-ধাৰণৰ পদ্ধতি অনুসৰি জীৱন যাপন কৰা যিটোক তেওঁ পছন্দ কৰে। ইছলামত ইবাদত হৈছে এটা ব্যাপক পৰিভাষা, আল্লাহে ভালপোৱা আৰু সন্তুষ্ট হোৱা সকলো কথা আৰু কৰ্ম প্ৰকাশ্য হওক বা অপ্ৰকাশ্য আদি সকলোবোৰ ইবাদতৰ অন্তৰ্ভুক্ত। গতিকে এজন মুছলিমে আল্লাহে আদেশ কৰা যি কৰ্মই কৰে, সেইটোৱে হৈছে আল্লাহৰ ইবাদত আৰু সেইটোৱে হৈছে জীৱনৰ উদ্দেশ্যৰ বাস্তৱায়ন। কোৰআনত উল্লিখিত কেইটামান ইবাদতৰ উদাহৰণ তলত দাঙি ধৰা হ'ল:

CONTENTS




চালাত বা নামাজ

"হে মুমিনসকল! তোমালোকে ৰুকু কৰা, ছাজদাহ কৰা আৰু তোমালোকৰ প্ৰতিপালকৰ ইবাদত কৰা, লগতে সৎকৰ্ম কৰা, যাতে তোমালোকে সফল হ'ব পাৰা"। (কোৰআনঃ ২২:৭৭)

চাদাক্বা বা দান

"আৰু ব্যয় কৰা, তোমালোকৰ নিজৰে কল্যাণ হ'ব; আৰু যিসকলে অন্তৰৰ কৃপণতাৰ পৰা মুক্ত, সিহঁতেই হৈছে সাফল্যমণ্ডিত"। (কোৰআনঃ ৬৪:১৬)

সততা

"আৰু তোমালোকে সত্যক মিছাৰ লগত মিশ্ৰিত নকৰিবা আৰু জানি-শুনি সত্যক গোপন নকৰিবা"। (কোৰআনঃ ২:৪২)

বিনয়ী

"মুমিনসকলক কোৱা, তেওঁলোকে যেন নিজৰ দৃষ্টি সংযত কৰে, আৰু নিজৰ লজ্জাস্থানৰ হিফাজত কৰে;.............. আৰু মুমিনা নাৰীসকলক কোৱা, তেওঁলোকেও যেন নিজৰ দৃষ্টিক সংযত ৰাখে, আৰু নিজৰ লজ্জাস্থানৰ হিফাজত কৰে;........" (কোৰআনঃ ২৪:৩০-৩১)

কৃতজ্ঞ হোৱা

"আৰু আল্লাহে তোমালোকক তোমালোকৰ মাতৃগৰ্ভৰ পৰা এনেকুৱা অৱস্থাত উলিয়াইছে, যেতিয়া তোমালোকে একোৱে জনা নাছিলা আৰু তেৱেঁই তোমালোকক দিছে শ্ৰৱণশক্তি, দৃষ্টিশক্তি আৰু হৃদয়, যাতে তোমালোকে কৃতজ্ঞতা প্ৰকাশ কৰা"। (কোৰআনঃ ১৬:৭৮)

ন্যায়

"হে মুমিনসকল! তোমালোকে ন্যায় বিচাৰত দৃঢ় প্ৰতিষ্ঠিত থাকিবা, আল্লাহৰ উদ্দেশ্যে সাক্ষী দিবা, যদিও সেয়া তোমালোকৰ নিজৰ বা পিতৃ-মাতৃ আৰু আত্মীয়-স্বজনৰ বিৰুদ্ধেই নহওক কিয়, সি বিত্তবানে হওক অথবা বিত্তহীন, আল্লাহ উভয়ৰেই ঘনিষ্টতৰ"। (কোৰআনঃ ৪:১৩৫)

ধৈৰ্য্য

"আৰু তুমি ধৈৰ্য্য ধাৰণ কৰা, কাৰণ নিশ্চয় আল্লাহে সৎকৰ্মশীলসকলৰ প্ৰতিদান বিনষ্ট নকৰে"। (কোৰআনঃ ১১:১১৫)

সৎকৰ্ম কৰা

"যিসকলে ঈমান আনিছে আৰু সৎকৰ্ম কৰিছে, আল্লাহে তেওঁলোকক প্ৰতিশ্ৰুতি দিছে যে, তেওঁলোকৰ বাবে আছে ক্ষমা আৰু মহাপুৰস্কাৰ"। (কোৰআনঃ ৫:৯)

# উপসংহাৰ

সাৰাংশ, মুঠতে কোৰআনে মানুহক একক তথা অদ্বিতীয় সত্য উপাস্যৰ ইবাদত কৰাৰ পদ্ধতি শিকায়, যাতে তেওঁলোকে জীৱনৰ প্ৰকৃত উদ্দেশ্য পূৰণ কৰিব পাৰে, লগতে পৃথিৱী আৰু আখিৰাতত সফলতা অৰ্জন কৰিব পাৰে।

"নিশ্চয় আমি তোমাৰ ওপৰত মানুহৰ বাবে সত্য সহকাৰে কিতাব অৱতীৰ্ণ কৰিছোঁ, এতেকে যিয়ে সৎপথ অৱলম্বন কৰে সি নিজৰ কল্যাণৰ বাবেই কৰে আৰু যিয়ে বিপথগামী হয় সি নিজৰ ধ্বংসৰ বাবেই হয়"। (কোৰআনঃ ৩৯:৪১)

CONTENTS

ইছলাম পৰিচিতি
নবী মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম
যীচু বা ঈছা মছীহঃ আল্লাহৰ এজন ৰাছুল
ইছলামত উপাস্যৰ ধাৰণা
আল-কোৰআন
জীৱনৰ উদ্দেশ্য কি?
ইছলাম সম্পৰ্কে কিছুমান ভুল ধাৰণা
ইছলামত নাৰীৰ অধিকাৰ
কোৰআনৰ বৈজ্ঞানিক অলৌকিকতা
ইছলামৰ দৃষ্টিত মৃত্যু আৰু পৰকাল

# জীৱনৰ উদ্দেশ্য কি?

ASSAMESE (INDIA) (06/10) الغاية من الحياة FREE COPY

মই ক'ৰ পৰা আহিছোঁ?
মই এই জীৱনলৈ কিয়
আহিছোঁ? আৰু মৃত্যুৰ
পিছত মই ক'লৈ যাম?

Dar Al Ber Society
www.daralber.ae
الإمارات THE EMIRATES
Your Path To Peace..
مركز المعلومات الإسلامي
Islamic Information Center
www.islamicic.com
تصريح رقم: (2017/139)
دائرة الشؤون الإسلامية والعمل الخيري
Islamic Affairs & Charitable Activities Department

## CONTENTS






# জীৱনৰ উদ্দেশ্য কি?

জীৱনৰ উদ্দেশ্যকলৈ চিন্তা কৰিলে পোন প্ৰথমে আমাৰ মনলৈ যিটো প্ৰশ্ন আহে সেইটো হৈছে এই যে, আমি ক'ৰ পৰা আহিছোঁ?

সাধাৰণতে আমাৰ মনলৈ প্ৰশ্ন জাগে যে, এই পৃথিৱীত আকস্মিকভাৱে কোনো স্ৰষ্টা নোহোৱাকৈয়ে অপৰিকল্পিতভাৱে আমাৰ আৱিৰ্ভাৱ হৈছে নেকি, নে আমাৰ সৃষ্টিৰ আঁৰত কোনো মহা প্ৰজ্ঞাৱান স্ৰষ্টাৰ হাত আছে? আমাৰ জীৱনৰ প্ৰকৃত উদ্দেশ্য বুজিবলৈ হ'লে, এজন স্ৰষ্টাৰ অস্তিত্বক স্বীকাৰ কৰাটো হৈছে প্ৰথম পদক্ষেপ। স্ৰষ্টাক বিশ্বাস কৰাৰ সপক্ষে বহুতো যুক্তিসংগত তথা তথ্যভিত্তিক প্ৰমাণ আছে। তাৰে তিনিটামান তলত আমি সংক্ষিপ্তভাৱে উল্লেখ কৰিলোঁ।

## ১. বিশ্বজগতৰ আৰম্ভণি

স্ৰষ্টাৰ অস্তিত্বৰ প্ৰতি ইংগিত বহন কৰা প্ৰথম প্ৰমাণটো হৈছে বিশ্বজগতৰ উৎপত্তিৰ সৈতে জড়িত।


ধৰি লওক, আপুনি কোনো এখন মৰুভূমিত খোঁজকাঢ়ি থাকোঁতে এটা ঘড়ী পালে। আমি সকলোৱে জানো যে, ঘড়ী এটা হৈছে কাঁচ, প্লাষ্টিক আৰু ধাতুৰে নিৰ্মিত বস্তু। গ্লাচ পোৱা যায় বালিৰ পৰা, প্লাষ্টিক বনোৱা হয় পেট্ৰোল বা তেল জাতীয় পদাৰ্থৰে, আৰু ধাতু বা খনিজ পদাৰ্থ পোৱা যায় ভূ-গৰ্ভৰ পৰা। এই সকলোবোৰ উপাদান কিন্তু মৰুভূমিত থাকে। তেনেহ'লে আপুনি এই কথা বিশ্বাস কৰিব নেকি যে, আপুনি পোৱা ঘড়ীটো নিজে নিজেই অপৰিকল্পিতভাৱে নিৰ্মিত হৈছে? লাখ লাখ বছৰ ধৰি সূৰ্য্যৰ পোহৰ, বতাহ আৰু ভূ-পৃষ্ঠত থকা তেলৰ উদগীৰণ, লগতে বালি আৰু পদাৰ্থৰ সৈতে সংমিশ্ৰিত হৈ ঘড়ীটো আকস্মিকভাৱে নিজে নিজে সৃষ্টি হৈছে, এই কথাটো কোনোবাই বিশ্বাস কৰিবনে?

মানুহৰ অভিজ্ঞতা আৰু অতি সাধাৰণ যুক্তিয়ে আমাক এইটোৱে কয় যে, প্ৰতিটো বস্তু যাৰ এটা আৰম্ভণি আছে, সেইটো কেতিয়াও শূণ্যৰ পৰা আহিব নোৱাৰে। নিজে নিজেও সৃষ্টি হ'ব নোৱাৰে। গতিকে যুক্তিসংগত ব্যাখ্যা এইটোৱে যে, কোনোবা এজন স্ৰষ্টা নিশ্চয় আছে যিয়ে এই বিশ্বজগতক সৃষ্টি কৰিছে। লগতে সেইজন স্ৰষ্টা মহা শক্তিশালী আৰু সৰ্বজ্ঞানী হোৱাটোও বাঞ্চনীয়। কিয়নো তেৱেঁই বিশ্বজগতৰ সকলো বস্তুক অস্তিত্বলৈ আনিছে আৰু বিজ্ঞানৰ সকলো নিয়ম সৃষ্টি কৰিছে, যিটোৰ দ্বাৰা এই বিশ্বজগত পৰিচালিত হয়। ইয়াৰ বাহিৰেও আমি যুক্তিৰে প্ৰমাণ কৰিব পাৰোঁ যে, এইজন স্ৰষ্টা স্থান কাল আৰু নিয়ম-নীতিৰো উৰ্দ্ধত। কাৰণ স্থান আৰু কাল আৰম্ভ হৈছে বিশ্বজগতৰ সৃষ্টিৰ সৈতেহে। সেয়ে এইবোৰ কথাই আমাক স্ৰষ্টাৰ অস্তিত্বৰ বিষয়ে মৌলিক ধাৰণা দিয়ে। আধুনিক বিজ্ঞানেও সহমত পোষণ কৰিছে যে, বিশ্বজগত সীমাবদ্ধ তথা ইয়াৰ এটা আৰম্ভণি আছে।

*কিছুমানে প্ৰশ্ন কৰিব পাৰে যে, আল্লাহক কোনে সৃষ্টি কৰিছে? ইয়াৰ উত্তৰ হৈছে, আল্লাহ তথা সৃষ্টিকৰ্তা হৈছে চিৰন্তন, সৃষ্টিৰ পৰা পৃথক, তেওঁ সদায় আছিল, এতিয়াও আছে আৰু সদায় থাকিব, তেওঁৰ কোনো আৰম্ভণি নাই। গতিকে, আল্লাহক কোনে সৃষ্টি কৰিছে, এই ধৰণৰ প্ৰশ্ন হৈছে সম্পূৰ্ণৰূপে অমূলক তথা অযৌক্তিক।*


CONTENTS



























# ২. বিশ্বজগতৰ সৃষ্টিৰ পৰিপূৰ্ণতা

সৰ্বজ্ঞ মহান সৃষ্টিকৰ্তাৰ অস্তিত্বক প্ৰমাণ কৰিব পৰা দ্বিতীয় প্ৰমাণটো হৈছে, বিশ্বজগতৰ ভাৰসাম্য আৰু শৃঙ্খলাৰ পূৰ্ণাংগ ব্যৱস্থা।

বিশ্বজগতত থকা বহুতো সা-সুবিধাই স্পষ্টভাৱে প্ৰমাণ কৰে যে, ইয়াক বসবাসৰ উপযোগী হিচাপেই প্ৰস্তুত কৰা হৈছে। উদাহৰণস্বৰূপে- সূৰ্য্য আৰু পৃথিৱীৰ মাজৰ দূৰত্ব, ভূ-পৃষ্ঠৰ ডাঠ আৱৰণ, পৃথিৱীৰ আহ্নিক গতি, লগতে বায়ুমণ্ডলত থকা অক্সিজেনৰ মাত্ৰাৰ উপস্থিতি আৰু পৃথিৱীৰ অক্ষৰ হেলনীয়া মাত্ৰা আদি। যদি এইবোৰৰ পৰিমাণত অকণো তাৰতম্য হয় তেনেহ’লে ইয়াত জীৱৰ অস্তিত্ব নাইকীয়া হৈ যাব।

যিদৰে ঘড়ীৰ বিচক্ষণ নিৰ্মাতাই ঘড়ীত সঠিক সময়টো নিশ্চিত কৰিছে, ঠিক সেইদৰে নিশ্চিতভাৱে এই ভূমণ্ডলৰো এজন মহান বিচক্ষণ স্ৰষ্টা আছে যিয়ে সূৰ্য্যৰ চাৰিওফালে সঠিকভাৱে পৃথিৱীৰ ঘূৰ্ণন গতিক নিশ্চিত কৰিছে। এয়া নিজে নিজেই ইমান শৃঙ্খলাবদ্ধভাৱে সংঘটিত হোৱাটো সম্ভৱনে?

আমি আমাৰ শৰীৰৰ প্ৰতি আৰু বিশ্বজগতৰ এই সুক্ষ্ম সু-শৃঙ্খলাবদ্ধ নিয়ম-নীতিৰ প্ৰতি যেতিয়া লক্ষ্য কৰোঁ তেতিয়া এইটো যৌক্তিক বুলি অনুভৱ নহয়নে যে, নিশ্চয় ইয়াৰ আঁৰত কোনো এজন মহান তথা সৰ্বশক্তিমান সৃষ্টিকৰ্তা আছে? এই সু-শৃঙ্খলা আৰু বিশ্বজগতৰ সু-পৰিচালনাই আল্লাহৰ অস্তিত্বক প্ৰমাণ কৰে, যিয়ে এই বিশ্বজগতক সৃষ্টি কৰিছে তথা সু-পৰিকল্পিতভাৱে পৰিচালনা কৰি আছে।

# ৩. আল্লাহৰ ফালৰ পৰা অৱতীৰ্ণ হোৱা অহী

আল্লাহৰ অস্তিত্বৰ সপক্ষে তৃতীয়টো প্ৰমাণ হৈছে, তেওঁ মানৱজাতিৰ কল্যাণৰ বাবে কোৰআন অৱতীৰ্ণ কৰিছে। এইটো বিভিন্নভাৱে স্পষ্ট যে, ইছলামৰ এই মহাগ্ৰন্থ আল-কোৰআনুল কাৰীম হৈছে স্বয়ং আল্লাহৰ বাণী। ইয়াৰ সপক্ষে কেইটামান যুক্তি তলত উল্লেখ কৰা হ’ল।

- প্ৰায় চৈধ্যশ বছৰ আগত এই কোৰআন অৱতীৰ্ণ হৈছে। এইখন মহাগ্ৰন্থত এনেকুৱা বহুতো বিজ্ঞানসন্মত তথ্য আছে যিবোৰ সেইসময়ৰ কোনো লোকেই জনা নাছিল, বৰ্তমানহে সেইবোৰ আৱিষ্কাৰ হৈ আছে। উদাহৰণস্বৰূপে ক’ব পাৰি যেনে- (১) সকলো জীৱৰ মূল উৎস হৈছে পানী। (ছুৰা-আম্বিয়া ২১:৩০) (২) বিশ্বজগতৰ সম্প্ৰসাৰণ। (ছুৰা-আজ-জাৰিয়াত- ৫১.৪৭) এইদৰে চন্দ্ৰ আৰু সূৰ্য্যৰ আছে নিজা নিজা কক্ষপথ। (ছুৰা-আম্বিয়া ২১.৩৩)
- কোৰআনত আছে বহুতো ঐতিহাসিক তথ্য যিবোৰ সেইসময়ৰ মানুহে জনাই নাছিল, ঠিক সেইদৰে ইয়াৰ মাজত আছে বহুতো ভৱিষ্যৎবাণী যিবোৰ পৰৱৰ্তী সময়ত বাস্তৱ প্ৰমাণিত হৈছে।
- সম্পূৰ্ণ ২৩ বছৰত ধাৰাবাহিকভাৱে অৱতীৰ্ণ হোৱা এই কোৰআনত কোনো ধৰণৰ ভুল-ত্ৰুটি নাই তথা ইয়াৰ মাজত কোনো মতবিৰোধো নাই। ইয়াৰ ভিতৰত বিভিন্ন বিষয়ক সামৰি লোৱা হৈছে।
- কোৰআনৰ প্ৰতিটো শব্দ সংৰক্ষিত তথা সুৰক্ষিত, বিশুদ্ধ মূল আৰবী ভাষাত অৱতীৰ্ণ হৈছে, যিটো এতিয়াও সেই অৱস্থাতেই পৰিপূৰ্ণৰূপে সংৰক্ষিত। এই বৈশিষ্ট্য বেলেগ কোনো ধৰ্মগ্ৰন্থৰ নাই। অন্যান্য কোনো ধৰ্ম গ্ৰন্থই এতিয়া মূল ৰূপত নাই।
- কোৰআনত সহজ-সৰল বিশুদ্ধ আৰু সাৰ্বজনীন বাৰ্তা আছে, যি বাৰ্তাই মানুহৰ বুদ্ধিমত্তা আৰু সৰ্বশক্তিমান ঈশ্বৰৰ বিষয়ে অন্তৰ্নিহিত বিশ্বাসক সজাগ কৰি তোলে।

*যদি আল্লাহে মানুহৰ বাবে হিদায়তৰ কিতাব অৱতীৰ্ণ কৰিছে, তেন্তে তাত আল্লাহৰ অস্তিত্বৰ স্পষ্ট প্ৰমাণ থকাটোও বাঞ্চনীয়।*

CONTENTS






- মানুহৰ ওপৰত এই কোৰআনৰ গভীৰ প্ৰভাৱ আছে। কিন্তু এইটো কেৱল তেওঁলোকেই উপলব্ধি কৰিব পাৰে, যিসকলৰ অন্তৰে ইয়াৰ সোৱাদ পাইছে।
- কোৰআন নবী মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওপৰত অৱতীৰ্ণ হৈছে, তেওঁ আছিল এজন নিৰক্ষৰ ব্যক্তি। তথাপিও ইয়াত ভাষাৰ এক অনন্য শৈলী আছে, যিটো আৰবী বাকপটুতা আৰু ভাষিক সৌন্দৰ্য্যৰ শিখৰ হিচাপে সাৰ্বজনীনভাৱে পৰিচিত।

কোৰআনৰ বহুতো অনন্য তথা বিস্ময়কৰ বিষয়ৰ যৌক্তিক ব্যাখ্যা আৰু ইয়াত থকা অলৌকিকতাৰ দ্বাৰা বুজা যায় যে, এইখন আল্লাহৰ ফালৰ পৰাই অৱতীৰ্ণ হোৱা গ্ৰন্থ।

# আল্লাহেই হিদায়ত প্ৰদানকাৰী

সৰ্বশক্তিমান আল্লাহে আমাক সৃষ্টি কৰিছে বুলি স্বীকাৰ কৰাৰ পিছত আমাৰ জীৱনৰ উদ্দেশ্য জনাটো আমাৰ বাবে জৰুৰী হৈ পৰে। আমাৰ মনলৈ স্বাভাৱিকভাৱে এই প্ৰশ্ন আহিব যে, আমাক সৃষ্টি কৰাৰ উদ্দেশ্য কি? আল্লাহে আমাক কিয় সৃষ্টি কৰিছে? তেওঁ আমাৰ পৰা কি বিচাৰে? আমি কেৱল নিৰীক্ষামূলকভাৱে তথা ভুল জীৱন অতিবাহিত কৰিবলৈ ইয়ালৈ আহিছোঁ নেকি? নে আমি আমাৰ উদ্দেশ্য নিজেই বনাই লব লাগিব? অথবা মানুহে যিদৰে সোঁতত প্ৰবাহিত হৈ আছে সেইদৰে আমিও প্ৰবাহিত হ'ব লাগিব নেকি? নহয়। কেতিয়াও নহয়। আল্লাহে আমাক আমাৰ জীৱনৰ উদ্দেশ্য সম্পৰ্কে অৱগত কৰাবলৈ নবী আৰু ৰাছুলসকলক প্ৰেৰণ কৰিছে আৰু কিতাব অৱতীৰ্ণ কৰিছে, যাতে আমি ইয়াৰ দ্বাৰা জীৱনৰ উদ্দেশ্য স্পষ্টৰূপে বুজি পাওঁ।

সৰ্বশক্তিমান আল্লাহে হেজাৰ হেজাৰ ৰাছুল প্ৰেৰণ কৰিছে। আল্লাহে প্ৰতিটো জাতিৰ ওচৰলৈ কমপক্ষে একোজনকৈ নবী প্ৰেৰণ কৰিছিল। সেই সকলো নবীৰ এটাই আহ্বান আছিল, সেয়া হৈছে একমাত্ৰ আল্লাহৰ ইবাদত কৰা আৰু তেওঁৰ নিৰ্দেশ মানি চলা। তেওঁলোকৰ মাজৰ অন্যতম নবী আছিল যেনে- আদম, নূহ, ইব্ৰাহীম, মুছা, ঈছা আৰু মুহাম্মদ (চাল্লাল্লাহু আলাইহি অছাল্লাম)।

মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম হৈছে নবীসকলৰ মাজৰ সৰ্বশেষ নবী। তেওঁ আমানত (বিশ্বস্ততা), ইনচাফ (ন্যায়), ৰহমত (দয়া) আৰু সাহসিকতাৰ ক্ষেত্ৰত অন্যতম আদৰ্শৱান ব্যক্তি আছিল। তেওঁ আল্লাহৰ সৰ্বশেষ বাণী তথা কোৰআন লৈ বিশ্ববাসীৰ প্ৰতি প্ৰেৰিত হৈছিল, যাতে তেওঁ লোকসকলক সেইসমূহ বিষয় ভালকৈ বুজাই দিব পাৰে, যিবোৰ সিহঁতৰ প্ৰতি অৱতীৰ্ণ কৰা হৈছে, যাতে সিহঁতে (প্ৰতিটো অন্যায় কাম কৰাৰ ক্ষেত্ৰত) আল্লাহক ভয় কৰে।

কোৰআন হৈছে পথনিৰ্দেশনামূলক গ্ৰন্থ। ইয়াৰ মাধ্যমত আমি জানিব পাৰোঁ যে, আমাৰ এই জীৱনৰ উদ্দেশ্য কি? আল্লাহ কোন? কোনটো কৰ্মক আল্লাহে পছন্দ কৰে আৰু কোনটো কৰ্মক তেওঁ অপছন্দ কৰে। এইখন গ্ৰন্থত আছে পূৰ্বৱৰ্তী নবীসকলৰ ঘটনাৱলী, তথা সেইবোৰৰ পৰা আহৰণ কৰিবলগীয়া শিক্ষা, লগতে জান্নাত-জাহান্নাম আৰু কিয়ামত অৰ্থাৎ শেষ বিচাৰ দিৱসৰ বৰ্ণনা আদি। এই কোৰআনৰ মাধ্যমতেই আল্লাহৰ অস্তিত্ব সম্পৰ্কে থকা ভুল বুজা-বুজিৰ বিষয়টোও আমি গম পাওঁ। উদাহৰণস্বৰূপে ঈছা (আলাইহিচ্ছালাম)ৰ বিষয়টো। ইয়াত ঈছা আলাইহিচ্ছালামৰ প্ৰকৃতি আৰু মহান পৱিত্ৰ প্ৰতিপালক আল্লাহৰ প্ৰকৃতিক স্পষ্টভাৱে দাঙি ধৰা হৈছে।

*ঈছা (আলাইহিচ্ছালাম) হৈছে অন্যান্য নবীসকলৰ দৰেই অলৌকিক ক্ষমতাসম্পন্ন এজন নবী। তেওঁ মানুহক একমাত্ৰ অদ্বিতীয় আল্লাহৰ ইবাদতৰ প্ৰতি আহ্বান কৰিছিল। (ছুৰা মাৰয়ামঃ ১৯.৩৬)*

CONTENTS






# যীচু (ঈছা আলাইহিচ্ছালাম)ৰ প্ৰকৃতি

কিছুমান খ্ৰীষ্টান ধৰ্মাৱলম্বী লোকে দাবী কৰে যে, যীচুৱেই হৈছে আল্লাহ (গড্) অথবা তিনিৰ এক। তেৱেঁই আল্লাহৰ দেহ ধাৰণ কৰিছে আৰু তেৱেঁই মানুহৰ ৰূপলৈ এই ধৰাত আগমন কৰিছে। অথচ খ্ৰীষ্টানসকলৰ পৱিত্ৰ কিতাব বাইবেলৰ মতে যীচুৱে জন্ম গ্ৰহণ কৰিছে। তেওঁ খোৱা-বোৱা কৰিছিল, টোপনিও মাৰিছিল, প্ৰাৰ্থনা কৰিছিল লগতে সীমিত জ্ঞানসম্পন্ন আছিল। এইবোৰৰ কোনো এটা গুণেই গড্ বা আল্লাহৰ বাবে প্ৰযোজ্য নহয়। গড্ বা আল্লাহ হৈছে পূৰ্ণাংগ গুণাৱলীৰ মালিক, আনহাতে মানৱ হৈছে ইয়াৰ বিপৰীত। এতেকে পৰস্পৰ বিপৰীত দুটা সত্ত্বা কেনেকৈ এক হ'ব পাৰে? এইটো কেতিয়াও যৌক্তিক নহয়।

*ইছলামত আল্লাহৰ ধাৰণা সম্পৰ্কে জানিবলৈ হ'লে, ঈছা আলাইহিচ্ছালামৰ বিষয়ে জনাটো খুবেই আৱশ্যক, কাৰণ ঈছা আলাইহিচ্ছালামৰ বিষয়ে ব্যাপক বিভ্ৰান্তি তথা দাবী প্ৰচলিত আছে।*

ইয়াৰ পিছতো নিশ্চয় কোনোবাই এইটো প্ৰশ্ন কৰিব পাৰে যে, গড্ যেতিয়া সকলো কৰিব পাৰে তেন্তে তেওঁ মানুহৰ ৰূপ কিয় ধাৰণ নকৰে?

সংজ্ঞা অনুসৰি ঈশ্বৰে ঐশ্বৰীক কৰ্মৰ বাহিৰে কোনো কাম নকৰে। গতিকে যদি ঈশ্বৰ মানুহ হৈ মানৱীয় বৈশিষ্ট্য গ্ৰহণ কৰে, আৰু তেওঁৰ ওচৰত যদি মানৱীয় বৈশিষ্ট্য থাকে তেন্তে তেওঁ নিশ্চিতভাৱে ঈশ্বৰ নহয়।

ইয়াৰ উপৰিও খ্ৰীষ্টানসকলৰ ওচৰত থকা বাইবেলৰ কেইবাটাও শ্লোক এনেকুৱা আছে, য'ত যীচুৱে এনেকৈ কথা কৈছে তথা আচৰণ কৰিছে যে, তেওঁ হৈছে আল্লাহৰ এজন বান্দা (দাস)। আল্লাহ হৈছে পৃথক সত্ত্বা।

উদাহৰণস্বৰূপে বাইবেলত মথিৰ শুভবাৰ্তা অধ্যায়ৰ ২৬.৩৯ শ্লোকত লিখা আছে যে, যীচুৱে ছাজদাৱনত হৈ প্ৰাৰ্থনা কৰিছিল।

ঈছা যদি ঈশ্বৰ হয়, তেন্তে ঈশ্বৰে কেতিয়াবা ছাজদাৱনত হৈ প্ৰাৰ্থনা কৰিবনে? যদি কৰেও তেন্তে কাৰ ওচৰত প্ৰাৰ্থনা কৰিব?

ইপিনে অধিকাংশ খ্ৰীষ্টানে দাবী কৰে যে, যীচু হৈছে আল্লাহৰ পুত্ৰ। আমি নিজকে প্ৰশ্ন কৰি চোৱা উচিত যে, ইয়াৰ অৰ্থ কি? ইয়াৰ অৰ্থ এইটো নুবুজাইনে যে, নিশ্চয় আল্লাহেও মানুহৰ দৰেই দেহবিশিষ্ট কোনো সত্ত্বা? যাৰ সন্তান আছে? তেনেহ'লে সৃষ্টি আৰু স্ৰষ্টাৰ মাজত পাৰ্থক্য ক'ত থাকিল?

বৰং আমি দেখিবলৈ পাওঁ যে, "আল্লাহৰ পুত্ৰ" কথাটো পুৰণি বাইবেলৰ ভাষাত সত্যবাদী ব্যক্তিৰ ক্ষেত্ৰতহে ব্যৱহৃত হৈছিল। এই কথাটো অল্ড টেষ্টামেণ্টত কেইবাজনো সত্যবাদী ব্যক্তিৰ ক্ষেত্ৰত যেনে- দাঊদ, ছুলাইমান আৰু ইছৰাইলৰ ক্ষেত্ৰতো ব্যৱহৃত হৈছে। অকল যীচুৰ ক্ষেত্ৰতেই নহয়। ইয়াৰ আৰু এটা উদাহৰণ যেনে- "..ইছৰাঈল হৈছে মোৰ প্ৰথম পুত্ৰ," (যাত্ৰাপুস্তক ৪:২২)

ইছলামী আক্বীদাই ঈছা আলাইহিচ্ছালামৰ বিষয়ে বাস্তৱ তথ্য দাঙি ধৰে, সমান্তৰালকৈ আল্লাহ সম্পৰ্কে সঠিক বিশ্বাস পোষণ কৰে, তেওঁৰ মহানতা, একত্ববাদ আৰু পূৰ্ণাংগ গুণাৱলীৰ প্ৰতি আস্থা পোষণ কৰে।

ঈছা আলাইহিচ্ছালামৰ বিষয়ে ইছলামে কয় যে, তেওঁ আছিল আল্লাহৰ ফালৰ পৰা প্ৰেৰিত এজন সন্মানীয় নবী। যিয়ে মানুহক একমাত্ৰ আল্লাহৰ উপাসনা কৰিবলৈ আহ্বান কৰিছিল।

*মহান আল্লাহে পৱিত্ৰ কোৰআনত কৈছেঃ সন্তান গ্ৰহণ কৰাটো আল্লাহৰ কাম নহয়। তেওঁ পৱিত্ৰ মহিমাময়। (ছুৰা মাৰয়ামঃ ৩৫)*

CONTENTS






# তেনেহ'লে... মই ইয়ালৈ কিয় আহিছোঁ?

আমি সকলোৱে জানো যে, আমাৰ শৰীৰৰ বিভিন্ন অংগ যেনে চকু, কাণ, মগজু আৰু হৃদপিণ্ড আদি প্ৰতিটোৰে নিৰ্দিষ্ট এটা লক্ষ্য আৰু ভূমিকা আছে। তেনেহ'লে ইয়াৰ অৰ্থ এইটো নহয়নে যে, সম্পূৰ্ণ শৰীৰৰো ঠিক তেনেকৈ এটা উদ্দেশ্য আছে? (সেই উদ্দেশ্যটো হৈছে একমাত্ৰ আল্লাহৰ ইবাদত কৰা)

আল্লাহে আমাক উদ্দেশ্যবিহীনভাৱে সৃষ্টি কৰা নাই বা কেৱল খোৱা-বোৱা, বিয়া-বাৰু অৰ্থাৎ কেৱল মৌলিক চাহিদা প্ৰয়োজনৰ উদ্দেশ্যেও সৃষ্টি কৰা নাই। বৰং আমাৰ এই জীৱনৰ আঁৰত আছে বৃহৎ এক উদ্দেশ্য, আৰু সেইটো হৈছোঁ আল্লাহৰ অস্তিত্বক স্বীকাৰ কৰা আৰু একমাত্ৰ তেওঁৰেই ইবাদত কৰা আৰু তেওঁৰ নিৰ্দেশ মুতাবিক জীৱন-যাপন কৰা। যাতে আমি আমাৰ জীৱনৰ সকলো ক্ষেত্ৰতে সফলতা লাভ কৰিব পাৰোঁ, আৰু শান্তিময় জীৱন-যাপন কৰিব পাৰোঁ। এই হিদায়তৰ অন্তৰ্গত কিছুমান ইবাদত আছে যিবোৰ ব্যক্তিগতভাৱে উপকৃত কৰে, যেনে- আল্লাহৰ ওপৰত ভৰসা কৰা, নামাজ, ৰোজা ইত্যাদি। আকৌ কিছুমান আছে যিবোৰৰ দ্বাৰা সমাজ উপকৃত হয়, যেনে- প্ৰতিবেশীৰ সৈতে ভাল ব্যৱহাৰ কৰা, পৰিয়ালৰ চোৱা-চিতা কৰা, সততা অৱলম্বন কৰা, লগতে জীৱ-জন্তুৰ প্ৰতি যত্নৱান হোৱা আদি ইয়াৰ অন্তৰ্ভুক্ত।

আল্লাহে আমাক তেওঁৰ বাহিৰে আন কাৰো ইবাদত কৰিবলৈ নিষেধ কৰিছে। সি যিয়েই নহওক কিয়? যেনে- প্ৰতিমূৰ্তি, চন্দ্ৰ-সূৰ্য্য, ধৰ্মযাজক, আনকি নবীক পূজা কৰাও হাৰাম বা নিষিদ্ধ। আল্লাহৰ কোনো সংগীৰ প্ৰয়োজন নাই, আনকি ছুপাৰিছকাৰী তথা মধ্যস্থতাকাৰীৰো প্ৰয়োজন নাই। আল্লাহৰ উপাসনা কৰি প্ৰত্যেক ব্যক্তিয়েই প্ৰত্যক্ষভাৱে তেওঁৰ সান্নিধ্য তথা নৈকট্য লাভ কৰিব পাৰে।

আল্লাহে এই জীৱনক এটা পৰীক্ষা বুলি অৱহিত কৰিছে। মানুহক এই পৰীক্ষা বিভিন্ন প্ৰকাৰে কৰা হয়। আমালোকৰ ক্ষেত্ৰত কি ঘটিব সেই বিষয়ে আমাৰ কোনো নিয়ন্ত্ৰণ নাই। কিন্তু আমি আমাৰ প্ৰতিক্ৰিয়াক নিয়ন্ত্ৰণ কৰিব পাৰোঁ। আল্লাহৰ নৈকট্য আৰু জান্নাত লাভৰ উপায় হৈছে বিপদত ধৈৰ্য্য ধাৰণ কৰা। তেওঁ প্ৰদান কৰা নিয়ামতৰ কৃতজ্ঞতা জ্ঞাপন কৰা। এইদৰে আল্লাহে আমাক জাহান্নামৰ ভয়ংকৰ শাস্তিৰ পৰাও সতৰ্ক কৰিছে, যদিহে আমি তেওঁৰ নিৰ্দেশ পালন নকৰো অথবা কুফৰী কৰোঁ।

# তেতিয়াহ'লে এতিয়া মই কি কৰা উচিত?

আমাৰ কৰ্তব্য হৈছে নিজৰ জ্ঞান-বুদ্ধি ব্যৱহাৰ কৰি আল্লাহৰ অস্তিত্ব সম্পৰ্কে অৱগত হোৱা, তথা আল্লাহৰ ওপৰত ঈমান পোষণ কৰা, লগতে বিনীত হৈ তেওঁৰ আদেশ নিষেধ মানি চলা, ইয়াকেই আৰবী ভাষাত মুছলিম বুলি কোৱা হয়।

আল্লাহে ইছলাম ধৰ্মক সকলোৱে বাবে সহজ কৰি দিছে। তেওঁলোকৰ ইতিহাস, পটভূমি বা বৰ্তমানৰ পৰিস্থিতি যিয়েই নহওক কিয়। এতেকে যিকোনো ব্যক্তিয়েই আল্লাহৰ ওপৰত বিশ্বাস কৰি তলৰ শপত বাক্যটো পাঠ কৰি মুছলিম হ'ব পাৰে। শপত বাক্যটো হৈছেঃ

"আশ্বহাদু আল লা ইলা-হা ইল্লাল্লাহু, ওৱা আশ্বহাদু আন্না মুহাম্মাদান আব্দুহু ওৱা ৰাছুলুহ"। মই সাক্ষ্য দিওঁ যে, আল্লাহৰ বাহিৰে আন কোনো সত্য উপাস্য নাই, লগতে আৰু সাক্ষ্য দিওঁ যে, মুহাম্মদ (চাল্লাল্লাহু আলাইহি অছাল্লাম) হৈছে আল্লাহৰ বান্দা আৰু তেওঁৰ ৰাছুল।

আপুনি আপোনাৰ জীৱনৰ উদ্দেশ্যক পূৰণ কৰিব পৰা সময় আপোনাৰ এতিয়াও হোৱা নাইনে, যি উদ্দেশ্যলৈ আপোনাক সৃষ্টি কৰা হৈছে, লগতে সত্যৰ প্ৰতি আত্মনিবেদন কৰিব পৰা সময় হোৱা নাইনে যে, আপুনি আপোনাৰ স্ৰষ্টাক স্বীকাৰ কৰিব, তেওঁৰ প্ৰতি ঈমান আনিব?


HOTLINE
+971 56 204 2045
islamicicdxb
islamicic.com info@islamicic.com +971 4 355 5223
DOWNLOAD ASSAMESE FLYER
www.iicdxb.com/assam

CONTENTS


ইছলাম পৰিচিতি
নবী মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম
যীচু বা ঈছা মছীহঃ আল্লাহৰ এজন ৰাছুল
ইছলামত উপাস্যৰ ধাৰণা
আল-কোৰআন
জীৱনৰ উদ্দেশ্য কি?
ইছলাম সম্পৰ্কে কিছুমান ভুল ধাৰণা
ইছলামত নাৰীৰ অধিকাৰ
কোৰআনৰ বৈজ্ঞানিক অলৌকিকতা
ইছলামৰ দৃষ্টিত মৃত্যু আৰু পৰকাল


# ইছলাম সম্পৰ্কে কিছুমান ভুল ধাৰণা


ASSAMESE (INDIA) (07/10) مفاهيم خاطئة حول الإسلام FREE COPY


ইছলামৰ বিষয়ে বাস্তৱিকতে আপুনি কি জানে?


جمعية دار البر
Dar Al Ber Society
www.daralber.ae
الإمارات
THE EMIRATES
Your Path To Peace..
مركز المعلومات الإسلامي
Islamic Information Center
www.islamicic.com
تصريح رقم:
(2017/139)
دائرة الشؤون الإسلامية والعمل الخيري
Islamic Affairs & Charitable Activities Department

CONTENTS






# ভূমিকা

ইছলাম হৈছে বিশ্বৰ বুকুত অন্যতম এটা বৃহৎ ধৰ্ম, ইয়াৰ পিছতো ইছলাম সম্পৰ্কে মানুহৰ মাজত আটাইতকৈ বেছি ভুল বুজাবুজি দেখিবলৈ পোৱা যায়। এইটো বিভিন্ন কাৰণত হৈছে- যেনে ৰাজনৈতিক, অৰ্থনৈতিক, পক্ষপাতিত্বমূলক সংবাদ মাধ্যম অথবা 'অন্য' কোনো লোকৰ ভয়ৰ কাৰণে ইছলাম সম্পৰ্কে এইবোৰ মিছা প্ৰচাৰ আৰু ভুল ধাৰণা বিয়পি পৰিছে। সেয়ে সঠিক ইছলাম জানিবলৈ হ'লে এইবোৰ মিছা প্ৰচাৰক প্ৰতিৰোধ কৰিব লাগিব আৰু প্ৰতিটো বিষয়কে ইছলামী চৰীয়তৰ শিক্ষাৰ সৈতে তথা ইছলামৰ সঠিক উৎসৰ দ্বাৰা পৰীক্ষা নিৰীক্ষা কৰি চাব লাগিব।

## ভুল ধাৰণা নং ১ "মুছলিমসকলে অমুছলিমৰ সৈতে ভাল ব্যৱহাৰ নকৰে তথা উন্নত মূল্যবোধৰ ভাগ-বতৰা নকৰে"

কিছুমান মানুহে অভিযোগ কৰে যে, ইছলামিক চিন্তাধাৰা তথা মূল্যবোধসমূহ বৰ্তমানৰ 'পশ্চিমীয়া' মূল্যবোধ যিটোক মানুহে পছন্দ কৰিছে সেইটোৰ সৈতে কিছুমান দিশত অসঙ্গতিপূৰ্ণ। এনেকুৱা ধাৰণা দৰাচলতে সত্য আৰু ন্যায়ৰ পৰা বহু দূৰত।

কিয়নো মুছলিমসকলে উচ্চ আৰু সাৰ্বজনীন মূল্যবোধ অৱলম্বন কৰে যেনে-

- ইছলামে বিশ্বস্ত আৰু ন্যায়পৰায়ণ হ'বলৈ শিকায়।
- প্ৰতিশ্ৰুতি পূৰণ কৰিবলৈ কয়।
- ধৰ্মৰ ক্ষেত্ৰত জোৰজবৰদস্তি কৰিবলৈ নিষেধ কৰে। (ধাৰ্মিক স্বাধীনতা প্ৰদান কৰে)
- পিতৃ-মাতৃ, আত্মীয়-স্বজন, প্ৰতিৱেশী আৰু ডাঙৰক সন্মান কৰিবলৈ শিকায়।
- কল্যাণৰ কামত দান কৰিবলৈ নিৰ্দেশ দিয়ে, দয়ালু হ'বলৈ শিকায়, লগতে দৰিদ্ৰ অভাৱীসকলৰ প্ৰতি সহানুভূতিশীল হ'বলৈ শিকায়।
- প্ৰতিৱেশীৰ প্ৰতি সদ্ব্যৱহাৰ কৰিবলৈ শিকায়।
- মিছা কথা, প্ৰৱঞ্চনা, প্ৰৰোচনা, গালি-শপনি আৰু লোকৰ সমালোচনাৰ পৰা নিষেধ কৰে।

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ তোমালোকৰ মাজত শ্ৰেষ্ঠ ব্যক্তি হৈছে সেইজন, যাৰ আচাৰ-ব্যৱহাৰ ভাল তথা যিজন উত্তম চৰিত্ৰৰ অধিকাৰী। (আহমদ ২৪২০৪)

এইদৰে সমাজৰ প্ৰতি ইতিবাচক অৱিহণা যোগোৱাৰ ক্ষেত্ৰত মুছলিমসকল সদায় দায়বদ্ধ, লগতে সদায় সুউচ্চ নৈতিকতা তথা উত্তম কথা আৰু কাৰ্য্যৰ দ্বাৰা সদাচৰণ কৰাটো প্ৰতিজন মুছলিমৰ বাবে বাধ্যতামূলক।

## ভুল ধাৰণা নং ২- মুছলিমসকলে এজন নতুন উপাস্যৰ উপাসনা কৰে, যাক 'আল্লাহ' বুলি কোৱা হয়।

আল্লাহ শব্দটো হৈছে আৰবী ভাষাৰ এটা অত্যন্ত অৰ্থপূৰ্ণ শব্দ, যি শব্দৰ দ্বাৰা সৰ্বশক্তিমান ঈশ্বৰক বুজায়, যিটো শব্দ এককভাৱে আল্লাহৰ বাহিৰে আন কাৰো বাবে প্ৰযোজ্য নহয়।

এই আল্লাহ শব্দৰ দ্বাৰাই আৰবী ভাষা কোৱা ইয়াহুদী আৰু খৃষ্টানসকলেও সৃষ্টিকৰ্তাক সম্বোধন কৰে।

জানি থোৱা উচিত যে, নিশ্চয় মুছলিমসকলে সেইজন উপাস্যৰেই উপাসনা কৰে, যিজন উপাস্যৰ উপাসনা পূৰ্বৱৰ্তী নবীসকল যেনে- নূহ, ইব্ৰাহীম, মুছা, আৰু ঈছা আলাইহিমুচ্ছালামে কৰিছিল।

যদিও মুছলিম ইয়াহুদী আৰু খৃষ্টানসকলে সেই একেজন সৃষ্টিকৰ্তা তথা উপাস্যকে বিশ্বাস কৰে, কিন্তু

CONTENTS






এই বিষয়ত তেওঁলোকৰ মান্যতাবোৰ বেলেগ বেলেগ। উদাহৰণস্বৰূপেঃ মুছলিমসকলে সৰ্বশক্তিমান ঈশ্বৰৰ কোনো অংশীদাৰ নাই বুলি বিশ্বাস কৰে, আৰু তেওঁক তিনিৰ তৃতীয় বুলি বিশ্বাস কৰা আস্থাকো নসাৎ কৰে। বৰং তেওঁলোকে মহান আল্লাহক পূৰ্ণাংগ বৈশিষ্ট্যৰ অধিকাৰী, একক তথা অদ্বিতীয় বুলি বিশ্বাস কৰে।

## ভুল ধাৰণা নং ৩- "ইছলামে সন্ত্ৰাসবাদৰ প্ৰতি উৎসাহিত কৰে"।

সাধাৰণতে সংবাদ মাধ্যমবোৰে প্ৰতিজন মুছলিম সংগ্ৰামকাৰীকেই সন্ত্ৰাসবাদী বুলি গণ্য কৰে। তেওঁলোকে এইটো লক্ষ্য নকৰে যে, তেওঁ কিহৰ কাৰণে সংগ্ৰাম কৰি আছে, ন্যায় পাবলৈ নে নিজৰ অধিকাৰৰ কাৰণে নে বেলেগ কোনো কাৰণত। সিহঁতে এইটোও নাচায় যে, তেওঁ আনৰ ওপৰত অন্যায় কৰি আছে নে তেওঁৰ ওপৰত কোনোবাই অন্যায় কৰি আছে।

ইছলামে নিৰ্দোষী ব্যক্তিক লক্ষ্য হিচাপে লবলৈ কঠোৰভাৱে নিষেধ কৰিছে, আনকি যুদ্ধৰ সময়তো এই ক্ষেত্ৰত সতৰ্ক থাকিবলৈ নিৰ্দেশ দিছে তথা যুদ্ধত ভাগ নোলোৱা ব্যক্তিক হত্যা কৰিবলৈ নিষিদ্ধ ঘোষণা কৰিছে। প্ৰকৃততে ইছলামে নিৰ্দোষী ব্যক্তিতো দূৰৰ কথা অপ্ৰয়োজনত গছ-গছনি, জীৱ-জন্তু আদিকো ক্ষতি কৰিবলৈ নিষেধ কৰিছে। গতিকে আমি প্ৰথমে যুদ্ধ আৰু সন্ত্ৰাসবাদৰ মাজৰ পাৰ্থক্যটো ভালদৰে জানি লব লাগিব। কাৰণ দুয়োটা বিষয়ৰ মাজত আকাশ পাতাল পাৰ্থক্য আছে।

পবিত্ৰ কোৰআনে স্পষ্টভাৱে নিৰ্দোষী ব্যক্তিক হত্যা কৰিবলৈ বাৰণ কৰিছে তথা গম্ভীৰতাপূৰ্বকভাৱে ইয়াৰ বিৰোধিতা কৰিছে, আৰু মানৱ জীৱনৰ মূল্যক গুৰুত্ব প্ৰদান কৰিছে।

যদি কোনোবাই কোনো নিৰ্দোষী ব্যক্তিক হত্যা কৰে সি যেনিবা সমগ্ৰ মানৱ জাতিকহে হত্যা কৰে, আনহাতে যদি কোনোবাই কাৰোবাৰ প্ৰাণ ৰক্ষা কৰে, সি যেনিবা সমগ্ৰ মানুহৰে প্ৰাণ ৰক্ষা কৰে।

## ভুল ধাৰণা নং ৪- ইছলামে নাৰীৰ প্ৰতি অন্যায় কৰে।

আল্লাহৰ ওচৰত প্ৰতিদান আৰু শাস্তি পোৱাৰ ক্ষেত্ৰত, লগতে নিজৰ কৰ্মৰ হিচাপ-নিকাচৰ ক্ষেত্ৰত ইছলামত নাৰী পুৰুষ উভয়ে সমান। কাৰো ওপৰত কাকো প্ৰধান্য দিয়া হোৱা নাই, প্ৰধান্যতা লাভ কৰিব কেৱল তাক্বৱাৰ ভিত্তিতহে।

নিশ্চয় তোমালোকৰ মাজৰ সেই ব্যক্তি আল্লাহৰ ওচৰত আটাইতকৈ বেছি মৰ্যাদাশীল, যিজন তোমালোকৰ মাজত বেছি তাক্বৱা সম্পন্ন। (ছুৰা হুজুৰাতঃ ৩১)

এই আয়াতটোৱে প্ৰমাণ কৰে যে, বাস্তৱিক মৰ্যাদা ধনী বা দৰিদ্ৰতা, ক'লা বা বগা আদিৰ আধাৰত দিয়া নহ'ব, বৰং তাক্বৱা বা ঈশ্বৰ ভক্তিৰ ভিত্তিতহে দিয়া হ'ব, পুৰুষ হওক বা নাৰী।

ইছলামে নাৰীসকলক সৰ্বাধিক সন্মান তথা অধিকাৰ প্ৰদান কৰিছে। উভয়কে সমান অধিকাৰ প্ৰদান কৰিছে। উদাহৰণস্বৰূপে উপাৰ্জন কৰাৰ অধিকাৰ দিছে, স্বামী নিৰ্বাচন কৰাৰ অধিকাৰ দিছে, শিক্ষাৰ অধিকাৰ দিছে, আনকি তালাক লোৱাৰো অধিকাৰ প্ৰদান কৰিছে, লগতে উত্তৰাধিকাৰী হোৱাৰ ক্ষেত্ৰত নাৰীৰ বাবে অংশ নিৰ্ধাৰণ কৰিছে।

> নিশ্চয় মহান আল্লাহেই নাৰী আৰু পুৰুষক সৃষ্টি কৰিছে আৰু প্ৰত্যেককে বেলেগ বেলেগ দায়িত্ব অৰ্পন কৰিছে, যিটো সিহঁতৰ স্বভাৱ গঠণ আৰু বিবেকৰ অনুকূল। লগতে সেই যোগ্যতা অনুসাৰেই সিহঁতক জবাবদিহি কৰা হ'ব।

দুৰ্ভাগ্যবশতঃ আজি কিছুমান মুছলিম নাৰী নিৰ্যাতনৰ চিকাৰ হৈছে, আৰু তেওঁলোকে উচিত অধিকাৰ পোৱা নাই। ইয়াত ইছলামৰ কোনো দোষ নাই, বৰং কিছুমান দেশত এনেকুৱা কিছুমান লোক আছে যিসকলে সমাজৰ এনেকুৱা ৰীতি-নীতি পালন কৰে, যাৰ ইছলামৰ সৈতে কোনো সম্পৰ্ক নাই, ইয়াৰ বাবেই এইবোৰ সংঘটিত হ'বলৈ পাইছে।

CONTENTS




## ভুল ধাৰণা নং ৫- কোৰআন হৈছে এখন ইতিহাসমূলক গ্ৰন্থ অথবা কবিতা গ্ৰন্থ।

পবিত্ৰ কোৰআন হৈছে আল্লাহৰ বাণী, এইখন আল্লাহে জিব্ৰীল ফিৰিস্তাৰ জৰিয়তে নবী মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওপৰত অৱতীৰ্ণ কৰিছে। এইখন হৈছে সত্য আৰু অসত্যৰ মাজত পাৰ্থক্যকাৰী গ্ৰন্থ। এইখন গ্ৰন্থত হিদায়তৰ এনেকুৱা বিষয়বস্তু উল্লেখ কৰা হৈছে যাৰ দ্বাৰা গোটেই মানৱজাতি উপকৃত হ'ব পাৰে।

লগতে কোৰআনত পূৰ্বৱৰ্তী ৰাছুল আৰু তেওঁলোকৰ উম্মতৰ জীৱনীৰ পৰা লবলগীয়া পাঠ তথা শিক্ষাসমূহো উল্লেখ কৰা হৈছে, যাতে আমি সেইবোৰ ঘটনা আৰু বিৱৰণৰ দ্বাৰা শিক্ষা লব পাৰোঁ।

কোৰআনে কোনটো পথ দেখুৱায় সেইটো জনাৰ বাবে আটাইতকৈ উত্তম উপায় হৈছে নিজেই এবাৰ কোৰআন অধ্যয়ন কৰি চোৱা।

লগতে কোৰআনে আমাক আমাৰ সৃষ্টিকৰ্তা আল্লাহ সম্পৰ্কে আৰু আমাৰ বিষয়ে তথা আমাক কিয় সৃষ্টি কৰা হৈছে সেই বিষয়েও শিক্ষা দিয়ে। এইটোৱেই হৈছে তাওহীদৰ বাস্তৱ তথা মূল শিক্ষা।

আল্লাহে আমাক এনেই সৃষ্টি কৰা নাই আৰু উদ্দেশ্যহীনভাৱে এৰি দিয়া নাই। বান্দাৰ ঈমান পৰীক্ষা কৰিবলৈ তাক বিবেক, ইচ্ছা আৰু চিন্তা কৰাৰ সুযোগ প্ৰদান কৰিছে, যাতে এইবোৰৰ দ্বাৰা সি প্ৰকৃত সৃষ্টিকৰ্তাক চিনিব পাৰে, লগতে অসংখ্য নিদৰ্শন প্ৰেৰণ কৰিছে যাতে তাৰ ওচৰত সত্য স্পষ্ট হয়। এইবোৰ নিদৰ্শনৰ অন্যতম ডাঙৰ নিদৰ্শন হৈছে পবিত্ৰ কোৰআন।

স্বয়ং কোৰআনৰ ভিতৰতেই এনেকুৱা বহুতো অলৌকিকতা (মুজিঝা) আছে, যিবোৰে প্ৰমাণ কৰে যে, এইখন যে, পৃথিৱী আৰু আকাশমণ্ডলৰ প্ৰতিপালকৰ তৰফৰ পৰা অৱতীৰ্ণ তাত আমাৰ কোনো সন্দেহ নাই।

## ভুল ধাৰণা নং ৬- পৰ্দা হৈছে এক প্ৰকাৰ নিৰ্যাতন।

পৰ্দাৰ বিধানটো মুছলিম মহিলাসকলক এই কাৰণে দিয়া হৈছে, যাতে তেওঁলোকে পবিত্ৰতাৰ সৈতে নিজৰ শৰীৰক কাপোৰেৰে পৰিপূৰ্ণৰূপে ঢাকি ৰাখে আৰু তেওঁলোকৰ ৰং ৰূপ তথা সৌন্দৰ্য্য আন পুৰুষৰ সন্মুখত প্ৰকাশ নাপায়।

যদিও পৰ্দাৰ সম্পৰ্ক কেৱল বাহ্যিক ৰং ৰূপ বা সৌন্দৰ্য্যৰ সৈতেই সম্পৰ্কিত নহয়, বৰং ইয়াৰ সম্পৰ্ক হৈছে ভালদৰে কথা কোৱা, বিনম্ৰতা আৰু সদাচৰণৰ সৈতেও জৰিত।

যদিও পৰ্দাৰ বহুতো উপকাৰ আছে, কিন্তু মুছলিম মহিলাসকলে পৰ্দা কৰাৰ মূল উদ্দেশ্যটো হৈছে এই যে, এইটো হৈছে আল্লাহৰ আদেশ। কাৰণ আল্লাহে ভালদৰে জানে তেওঁৰ বান্দাৰ বাবে কোনটো বস্তু উপকাৰী তথা কোনটো দৰকাৰী।

নিঃসন্দেহে পৰ্দাই নাৰীক তাইৰ প্ৰকাশ্য সৌন্দৰ্য্যৰ বিপৰীতে তাইৰ আন্তৰিক তথা আত্মিক সৌন্দৰ্য্যৰ প্ৰতিহে বেছি গুৰুত্ব দিয়ে। লগতে ই নাৰীকসকলক স্বাধীনতা প্ৰদান কৰে যে, তেওঁলোকে নিজৰ লজ্জা আৰু বিনম্ৰতা ৰক্ষা কৰাৰ লগতে যাতে সমাজৰ এগৰাকী সক্ৰিয় সদস্য হ'ব পাৰে।

এই কথা নিশ্চিত যে, পৰ্দা কোনো দমন, উৎপীড়ন তথা অত্যাচাৰৰ প্ৰতীক নহয়, বৰং এইটো হৈছে পুৰুষসকলৰ কামনাৰ তীক্ষ্ণ দৃষ্টি তথা কুদৃষ্টিৰ পৰা পৰিত্ৰাণ পোৱাৰ ৰক্ষাকবচ। ইয়াৰ উপৰিও এই পৰ্দাই তাইক প্ৰবৃত্তিৰ অনুসৰণ আৰু অপ্ৰয়োজনীয় ইচ্ছা আদিৰ পৰা বিৰত ৰাখে। গতিকে আপুনি যেতিয়া কোনো মুছলিম নাৰীক পৰ্দাত দেখিব তেতিয়া আপুনি বুজি পোৱা উচিত যে, তাই নিজৰ শৰীৰটোকহে পৰ্দাৰে ঢাকি ৰাখিছে, নিজৰ বিবেক তথা বুদ্ধিমত্তাক আবৃত কৰা নাই।

CONTENTS






## ভুল ধাৰণা নং ৭- সকলো মুছলমান হৈছে আৰবীয়ান।

বাস্তৱত বিষয়টো তেনেকুৱা নহয়। প্ৰকৃততে বিশ্বৰ কেৱল ২০ শতাংশ মুছলমানহে আৰবীয়ান। আনহাতে বিশ্বৰ ৮০ শতাংশ মুছলমান হৈছে অনাৰবীয়ান। উদাহৰণস্বৰূপে ভাৰত আৰু ইন্দোনেছিয়াৰ মুছলমানৰ সংখ্যা আৰবীয়ান মুছলমানতকৈও অধিক।

ইছলামে এই বাৰ্তা দিয়ে যে, ৰং ৰূপ আৰু বংশৰ ভিত্তিত কোনো ব্যক্তিয়ে কেতিয়াও শ্ৰেষ্ঠ হ'ব নোৱাৰে। বৰং ইছলামে সাম্প্ৰদায়িকতা আৰু বৰ্ণবাদৰ কঠোৰভাৱে বিৰোধিতা কৰে। দৰাচলতে ইছলাম হৈছে গোটেই বিশ্ব মানৱতাৰ বাবে এটা বিশ্বব্যাপী বাৰ্তা। সেয়া হৈছে এই যে, প্ৰকৃত সফলতা পাবলৈ হ'লে আৰু বাস্তৱ শান্তি লাভ কৰিবলৈ হ'লে, এক তথা অদ্বিতীয় আল্লাহৰ প্ৰতি বিশ্বাস কৰিব লাগিব আৰু তেওঁ দেখুৱাই দিয়া হিদায়ত মুতাবিক আমল কৰিব লাগিব।

## ভুল ধাৰণা নং ৮- জিহাদেই হৈছে সন্ত্ৰাসবাদ।

জিহাদৰ প্ৰকৃত অৰ্থ হৈছে, ধৰ্ম ৰক্ষা কৰিবলৈ আল্লাহৰ ৰাস্তাত সেইদৰে সংগ্ৰাম কৰা যিদৰে তেওঁ অনুমোদন জনাইছে আৰু যিটোত তেওঁ সন্তুষ্ট হয়। জিহাদ শব্দৰ দ্বাৰা ধৈৰ্য্য সহিষ্ণুতা আদি অৰ্থক বুজোৱা হয়। এইদৰে সকলো প্ৰকাৰ কল্যাণমূলক কাম তথা পূণ্যৰ কামত ধন ব্যয় কৰাও হৈছে এক প্ৰকাৰ জিহাদ। লগতে অন্তৰ, জিভা আৰু অংগ-প্ৰত্যংগৰ দ্বাৰা নিজৰ নফচৰ সৈতে প্ৰবৃত্তিৰ চাহিদাৰ সৈতে আৰু চয়তানৰ সৈতে আৰু শত্ৰুৰ সৈতে সংগ্ৰাম কৰাকো জিহাদ বোলে।

জিহাদৰ সাধাৰণ তথা প্ৰসিদ্ধ অৰ্থ হৈছে সামৰিক জিহাদ। যি সেনাবাহিনীয়ে সমাজক সুৰক্ষা দিয়ে, শান্তি তথা নিৰাপত্তা প্ৰতিষ্ঠা কৰে, যিটোৰ মূল উদ্দেশ্য হৈছে সত্য স্থাপিত কৰা আৰু ন্যায় প্ৰতিষ্ঠা কৰা। কেতিয়াবা ই পৰিৱেশ পৰিস্থিতি অনুযায়ী প্ৰতিৰক্ষা অথবা আক্ৰমণৰ বাবেও হৈ থাকে। সামৰিক জিহাদ দেশৰ মুৰব্বীৰ নেতৃত্বতহে হয়।

## ভুল ধাৰণা নং ৯- মুছলিমসকলে মুহাম্মদৰ উপাসনা কৰে নাইবা চন্দ্ৰক উপাস্য হিচাপে মানে।

এইটোও হৈছে আন এটা ভুল ধাৰণা যে, মুছলিমসকলে নবী মুহাম্মদৰ উপাসনা কৰে, এইটো সম্পূৰ্ণৰূপে এটা মিছা অপবাদ। আনকি স্বয়ং নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ এই পবিত্ৰ বাণীৰ দ্বাৰাও এই অপবাদটোক স্পষ্টৰূপে খণ্ডন কৰিব পাৰি। তেখেতে কৈছেঃ "তোমালোকে মোৰ প্ৰশংসা তথা আদৰ সন্মানত সীমালংঘন নকৰিবা, যিদৰে খৃষ্টানসকলে মছীহ ইবনে মৰিয়মৰ ক্ষেত্ৰত সীমালংঘন কৰিছিল। মই হৈছোঁ ঈশ্বৰৰ এজন দাস, গতিকে তোমালোকে মোক আল্লাহৰ দাস আৰু তেওঁৰ ৰাছুল (বাৰ্তাবাহক) বুলি ক'বা"। (বুখাৰী ৩৪৪৫)

> ইছলামে মুছলিমসকলক আল্লাহৰ সকলো নবী আৰু ৰাছুলক সন্মান আৰু মৰ্যাদা দিবলৈ শিকায়। কিন্তু এই সন্মান আৰু মুহাব্বতৰ অৰ্থ এইটো কেতিয়াও নহয় যে, আমি তেওঁলোকৰ উপাসনা কৰোঁ।


এইদৰে আৰু এটা ভুল ধাৰণা দেখিবলৈ পোৱা যায় যে, মুছলিমসকলে 'চন্দ্ৰ দেৱতা' (জোন)ৰ পূজা পাঠ কৰে। এইটো এটা সম্পূৰ্ণৰূপে মিছা কথা। আনকি ইছলামত আল্লাহৰ বাহিৰে চন্দ্ৰ সূৰ্য্য অথবা আন কোনো বস্তুৰ উপাসনা কৰাক শ্বিৰ্ক বুলি গণ্য কৰা হয়। শ্বিৰ্ক অৰ্থাৎ মহাপাপ, যিটো কঠোৰভাৱে নিষিদ্ধ।

মহান আল্লাহে পৱিত্ৰ কোৰআনত কৈছেঃ তোমালোকে সূৰ্যক ছাজদাহ নকৰিবা, আৰু চন্দ্ৰকো নহয়; ছাজদাহ কৰিবা কেৱল আল্লাহক, যিজনে এইবোৰক সৃষ্টি কৰিছে, যদিহে তোমালোকে কেৱল তেওঁৰেই ইবাদত (উপাসনা) কৰা। (ছুৰা নং ৪১:৩৭)


ইছলামে বিশ্বজগতৰ প্ৰতিপালক আল্লাহক সম্পূৰ্ণৰূপে পৰিপূৰ্ণ, মহান, সাৰ্বভৌমত্বৰ অধিকাৰী, সৰ্বশক্তিমান আৰু অদ্বিতীয় বুলি স্বীকাৰ কৰে। তেওঁ আটাইতকৈ ন্যায়পূৰ্ণ অতি দয়ালু। তেওঁক একক বুলি স্বীকাৰ কৰা আৰু একমাত্ৰ তেওঁৰেই ইবাদত কৰাটোৱে হৈছে ইছলামৰ মূল মন্ত্ৰ। এই বিষয়টো কোৰআন আৰু হাদীছত স্পষ্টৰূপে উল্লেখ আছে।

CONTENTS



























## ভুল ধাৰণা নং ১০- ইছলামে বলপূৰ্বক বিবাহৰ অনুমতি দিয়ে।

আয়োজিত বিবাহ (এৰেঞ্জড মেৰিজ) হৈছে এটা সাংস্কৃতিক নীতি-নিয়ম, যিটো গোটেই বিশ্বৰ বিভিন্ন দেশত প্ৰচলিত আছে। যদিও এইটো কেৱল মুছলিমসকলৰ মাজতেই সীমাবদ্ধ নহয়। তথাপিও এই বিবাহক মিছা অপবাদেৰে ৰাঙলি কৰি বলপূৰ্বক বিবাহ বুলি কৈ মুছলিমসকলৰ ওপৰতে জাপি দিয়া হৈছে।

ইছলামত পুৰুষ আৰু নাৰী উভয়কে পতী-পত্নী পছন্দ অপছন্দ কৰাৰ অধিকাৰ দিয়া হৈছে। নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "বিধৱা নাৰী নিজৰ অভিভাৱকতকৈ নিজেই নিজৰ ইচ্ছাৰ বেছি অধিকাৰী। আনহাতে কুমাৰী নাৰীৰ অনুমতি লব লাগিব, তাইৰ মৌনতাই হৈছে তাইৰ অনুমতি"। (মুছলিমঃ ১৪২১)

## ভুল ধাৰণা নং ১১- ইছলামে মানুহক মুছলিম হ'বলৈ জোৰজবৰদস্তি কৰে।

যদিও প্ৰতিজন মুছলিমৰেই কৰ্তব্য হৈছে ইছলামৰ বাৰ্তা গোটেই বিশ্বত প্ৰচাৰ কৰা, কিন্তু ইয়াৰ অৰ্থ এইটো কেতিয়াও নহয় যে, ইছলাম গ্ৰহণ কৰিবলৈ কাকো বাধ্য কৰাটো বৈধ। আনহাতে ইছলাম গ্ৰহণ কৰিবলৈ আৰু সেইমতে জীৱন যাপন কৰিবলৈ হ'লে আন্তৰিকতাৰে তথা দৃঢ় বিশ্বাসৰ সৈতে নিজ ইচ্ছাৰে আৰু পূৰ্ণ স্বাধীনতাৰ সৈতে প্ৰস্তুত হোৱাটো অত্যন্ত আৱশ্যক। এতেকে ইছলাম গ্ৰহণ কৰিবলৈ কাকো বাধ্য কৰোৱাটো কেতিয়াও সম্ভৱ নহয়।

> সৰ্বশক্তিমান আল্লাহে পৱিত্ৰ কোৰআনত কৈছেঃ দ্বীন (ধৰ্ম) গ্ৰহণৰ ক্ষেত্ৰত কোনো জোৰ-জবৰদস্তি নাই; সত্য পথ ভ্ৰান্ত পথৰ পৰা সুস্পষ্ট হৈছে। (ছুৰা নং ২:২৫৬)

তলত দিয়া কথাকেইটালৈ অলপ মন কৰকঃ

- মুছলিমসকলৰ আটাইতকৈ অধিক জনসংখ্যা হৈছে ইন্দোনেছিয়াত, অথচ তাত ইছলাম প্ৰৱেশৰ সময়ত কোনো যুদ্ধ হোৱা নাছিল।
- আৰব ভূখণ্ডৰ বুকুত প্ৰায় ১৪ নিযুত খৃষ্টান যুগ যুগ ধৰি বসবাস কৰি আছে।
- সাম্প্ৰতিক সময়ত বিশ্বত ইছলাম হৈছে দ্ৰুত প্ৰচাৰিত এটা ধৰ্ম।
- যদিও দমন, অত্যাচাৰ, উৎপীড়ন আদিৰ বিৰুদ্ধে যুঁজ দিয়া আৰু ন্যায়ৰ প্ৰসাৰ ঘটোৱাটো হৈছে জিহাদ চলোৱাৰ বৈধ কাৰণ, তথাপিও মানুহক ইছলাম গ্ৰহণ কৰিবলৈ বাধ্য কৰাটো ইছলামে এইবোৰৰ এটাকো বৈধ বা উচিত বুলি গণ্য নকৰে।
- মুছলিমসকলে স্পেইনত প্ৰায় ৮০০ বছৰ পৰ্যন্ত শাসন কৰিছে, কিন্তু তথাপিও তাত থকা অমুছলিমসকলক নিজৰ ধৰ্ম পৰিবৰ্তন কৰিবলৈ বাধ্য কৰোৱা নাছিল।

## উপসংহাৰ

নিঃসন্দেহে পৰীক্ষা নিৰীক্ষা নকৰাকৈ অনিৰ্ভৰযোগ্য তথা অযোগ্য উৎসৰ পৰা ইছলাম সম্পৰ্কে জ্ঞান আহৰণ কৰাটো হৈছে অত্যন্ত বিপদজনক, যিয়ে মানুহক ভ্ৰম, সন্দেহ, ভুল ধাৰণাৰ প্ৰতি ঠেলি দিয়ে। সেয়ে আমি ইছলাম সম্পৰ্কে সঠিক উৎসৰ পৰা সঠিক তথ্য সংগ্ৰহ নকৰাকৈ এনেকুৱা ভুল ধাৰণা আৰু অপবাদৰ প্ৰতি মন কাণ দিয়া উচিত নহয়। এতেকে যিটো ধৰ্মক বিশ্বৰ এক চতুৰ্থাংশ অধিবাসীয়ে স্বীকাৰ কৰিছে, তেনেকুৱা এটা ধৰ্মৰ পক্ষে এনেকুৱা কাম কৰা কেতিয়াও সম্ভৱ নহয় যিটো কৰ্মক সংবাদ মাধ্যমে ইছলামৰ সৈতে জৰিত থকা বুলি প্ৰচাৰ কৰিছে।

ইছলাম হৈছে শান্তি, নিৰাপত্তা আৰু দয়াৰ ধৰ্ম, সেয়ে ইছলামৰ এই বাৰ্তা গোটেই মানৱজাতিৰ বাবে পথপ্ৰদৰ্শক। গতিকে ইছলামৰ বিষয়ে ভুল ধাৰণাত পতিত হৈ কিবা সিদ্ধান্ত লোৱাৰ আগতে সাৱধানীপূৰ্বক চিন্তা-চৰ্চা আৰু গম্ভীৰতাপূৰ্বক বিচাৰ কৰাটো অত্যাৱশ্যক।

HOTLINE
+971 56 204 2045
islamicicdxb
DOWNLOAD ASSAMESE FLYER
www.iicdxb.com/assam
islamicic.com info@islamicic.com +971 4 355 5223

CONTENTS


ইছলাম পৰিচিতি

নবী মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম

যীচু বা ঈছা মছীহঃ আল্লাহৰ এজন ৰাছুল

ইছলামত উপাস্যৰ ধাৰণা

আল-কোৰআন

জীৱনৰ উদ্দেশ্য কি?

ইছলাম সম্পৰ্কে কিছুমান ভুল ধাৰণা

ইছলামত নাৰীৰ অধিকাৰ

কোৰআনৰ বৈজ্ঞানিক অলৌকিকতা

ইছলামৰ দৃষ্টিত মৃত্যু আৰু পৰকাল


# ইছলামত নাৰীৰ অধিকাৰ


ASSAMESE (INDIA) (08/10) حقوق المرأة في الإسلام FREE COPY


সন্মানীয়া,

শ্ৰদ্ধাভাজন,

মৰমীয়াল


جمعية دار البر
Dar Al Ber Society
www.daralber.ae

الإمارات
THE EMIRATES

Your Path To Peace..

مركز المعلومات الإسلامي
Islamic Information Center
للتعريف بالإسلام


تصريح رقم:
(2017/139)

دائرة الشؤون الإسلامية والعمل الخيري
Islamic Affairs & Charitable Activities Department


www.islamicic.com

CONTENTS




























# ভূমিকা

আৰু নাৰীসকলৰো তেনেকৈয়ে ন্যায়সংগত অধিকাৰ আছে যেনেকৈ সিহঁতৰ ওপৰত পুৰুষসকলৰ অধিকাৰ আছে; (ছুৰা আল-বাক্কাৰাহঃ ২২৮)

কিছুমানে ভাবে যে, ইছলামত নাৰীক দাসী, অৱনমিত, নিপীড়িত হিচাপে ৰখা হয় – কিন্তু এই ধাৰণাটো সঁচাকৈয়ে সত্যনে? লাখ লাখ মুছলিম লোকসকল ইমানেই অত্যাচাৰীনে? নে এইটো পক্ষপাতিত্বমূলক সংবাদ মাধ্যমে ৰচনা কৰা এটা ভুল ধাৰণা?

চৈধ্যশ বছৰতকৈও অধিক বছৰ পূৰ্বেই ইছলামে নাৰীক এনে অধিকাৰ প্ৰদান কৰিছিল, যিবোৰ অধিকাৰ পশ্চিমীয়া মহিলাসকলে এতিয়াহে লাভ কৰিবলৈ আৰম্ভ কৰিছে। ১৯৩০ চনত এনি বেছাণ্টে লক্ষ্য কৰিছিল যে, “যোৱা বিশ বছৰৰ পৰাহে ইংলেণ্ডৰ খ্ৰীষ্টানসকলে নাৰীৰ সম্পত্তিৰ অধিকাৰক স্বীকৃতি দিছে, আনহাতে ইছলামে এই অধিকাৰ পূৰ্বৰ পৰাই দি আহিছে। নাৰীৰ আত্মা নাই বুলি ইছলামৰ নামত প্ৰচাৰ কৰা এই কথাষাৰ একেবাৰে গোকাট মিছা কথা, ইছলামে এনেকুৱা কথা ক’তো কোৱা নাই।” (মুহাম্মদৰ জীৱনী আৰু তেওঁৰ শিক্ষা, ১৯৩২)।

পুৰুষ-মহিলা সকলোৱে এজন ব্যক্তিৰ পৰাই নিৰ্গত হৈছে – আৰু তেওঁ হৈছে আদম আলাইহিচ্ছালাম। ইছলামে নাৰী পুৰুষ উভয়ৰ ক্ষেত্ৰতে ন্যায় আৰু সৎ ব্যৱহাৰৰ বাহিৰে আন একো গ্ৰহণ নকৰে।

# সমান পুৰস্কাৰ আৰু সমান জবাবদিহিতা


পুৰুষ আৰু মহিলা উভয়েই আল্লাহক একেই ধৰণে ইবাদত কৰে, অৰ্থাৎ তেওঁলোকে এজন ইলাহৰেই ইবাদত কৰে, একেই পন্থাৰে ইবাদত কৰে, একেই কিতাবৰে অনুসৰণ কৰে আৰু একেই আক্বীদাহ পোষণ কৰে। আল্লাহ (এনেকুৱা এটা আৰবী শব্দ, যিয়ে সকলো সৃষ্টিৰ একক সত্য উপাস্যৰ অৰ্থ প্ৰকাশ কৰে), তেৱেঁই সকলো মানুহৰ প্ৰতি ন্যায়সংগত উচিত বিচাৰ কৰে। লগতে সৰ্বশক্তিমান আল্লাহে কোৰআনৰ বহু আয়াতত পুৰুষ আৰু মহিলা উভয়কে সৎ ব্যৱহাৰ কৰিবলৈ আৰু ন্যায়পূৰ্ণ আচৰণ কৰিবলৈ উৎসাহিত কৰিছে, আনকি ইয়াৰ বিনিময়ত উভয়কে ছোৱাব প্ৰদান কৰিব বুলি সুসংবাদ দিছে।

*আল্লাহে মুমিন পুৰুষ আৰু মুমিনা নাৰীসকলক এনেকুৱা জান্নাতৰ প্ৰতিশ্ৰুতি দিছে—যাৰ তলত নদীসমূহ প্ৰবাহিত, তাত তেওঁলোক স্থায়ী হ’ব; আৰু (প্ৰতিশ্ৰুতি দিছে) স্থায়ী জান্নাতসমূহত উত্তম বাসস্থানৰ, আৰু আল্লাহৰ সন্তুষ্টিয়েই হৈছে সৰ্বশ্ৰেষ্ঠ। এইটোৱেই হৈছে মহাসফলতা।*
*(ছুৰা তাওবাহঃ ৭২)*


*‘নিশ্চয় মই তোমালোকৰ মাজৰ আমলকাৰী কোনো নৰ বা নাৰীৰ আমল বিনষ্ট নকৰোঁ, তোমালোকে ইজনে সিজনৰ অংশ।*
*(ছুৰা আলে ইমৰাণঃ ১৯৫)*

CONTENTS



























আয়াতবোৰে প্ৰমাণ কৰে যে, মানুহক সিহঁতৰ কৰ্ম অনুযায়ীহে ছোৱাব প্ৰদান কৰা হয়, লিংগ অনুযায়ী নহয়। মানুহক পুৰস্কৃত কৰাৰ ক্ষেত্ৰত আৰু বিচাৰ কৰাৰ ক্ষেত্ৰত লিংগৰ কোনো ভূমিকা নাই।

যদি আমি ইছলামক অন্যান্য ধৰ্মৰ লগত তুলনা কৰি চাওঁ, তেন্তে দেখিবলৈ পাওঁ যে, ইছলামে উভয় লিংগকে ন্যায় প্ৰদান কৰিছে। উদাহৰণস্বৰূপে, ইছলামে এই ধাৰণাটোক উলাই কৰিছে যে, নিষিদ্ধ গছৰ ফল খোৱাৰ ক্ষেত্ৰত আদমতকৈ হাৱাই অধিক দোষী। বৰং ইছলামৰ মতে আদম আৰু হাৱা দুয়োজনে পাপ কৰিছে, ফলত দুয়োজনে তাওবা কৰিছে আৰু দুয়োকে আল্লাহে ক্ষমা কৰিছে।

# শিক্ষাৰ ক্ষেত্ৰত সমাধিকাৰ

পুৰুষ-মহিলা উভয়কে জ্ঞান অৰ্জন কৰিবলৈ উৎসাহিত কৰা হৈছে। নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ “প্ৰতিজন মুছলিমৰ বাবে জ্ঞান অৰ্জন কৰা বাধ্যতামূলক।”

আনকি নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ সময়তো মুছলিমসকলৰ মাজত উচ্চ শিক্ষিত নাৰীৰ অস্তিত্ব আছিল। কিছুমান আছিল স্বয়ং তেখেতৰ স্ত্ৰীসকলৰ মাজত আৰু কোনোবা আছিল চাহাবিয়্যাতসকলৰ মাজত আৰু তেখেতৰ ছোৱালীসকলৰ মাজতো। তেওঁলোকৰ ভিতৰত অন্যতম আছিল নবী (চাল্লাল্লাহু আলাইহি অছাল্লাম)ৰ পত্নী আঈশ্বা ৰাদ্বিয়াল্লাহু আনহা, যাৰ জৰিয়তে ইছলামী চৰীয়তৰ এক চতুৰ্থাংশ আইন বৰ্ণিত হৈছে।

আনকি কিছুমান মুছলিম নাৰী ফিকাহ শাস্ত্ৰত (ন্যায় বিজ্ঞানত) ইমানেই উচ্চ শিক্ষিত আছিল যে, বিখ্যাত উলামাসকল তেওঁলোকৰ ছাত্ৰ আছিল।


# স্বামী নিৰ্বাচন কৰাৰ ক্ষেত্ৰত সমাধিকাৰ

ইছলামে নাৰীক স্বামী নিৰ্বাচন কৰাৰ অধিকাৰ প্ৰদান কৰি সন্মান জনাইছে, লগতে বিবাহৰ পিছতো নিজৰ নামৰ সৈতে বংশগত উপাধী ৰখাৰ অধিকাৰ প্ৰদান কৰিছে। ইয়াৰ উপৰিও বহুতৰে ধাৰণা যে, মুছলিম পিতৃ-মাতৃয়ে নিজৰ ছোৱালীক জোৰ-জবৰদস্তি বিয়া দিয়ে। এইটো হয়তো এটা সাংস্কৃতিক প্ৰথা, ইছলামত ইয়াৰ কোনো ভিত্তি নাই। বৰং ইছলামত এইটো নিষিদ্ধ।

নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ সময়ত এগৰাকী মহিলাই তেখেতৰ ওচৰলৈ আহি ক’লে, “মোৰ পিতৃয়ে মোক জোৰকৈ মোৰ কাজিনৰ সৈতে বিয়া দিছে, যাতে তেওঁৰ সামাজিক মৰ্যাদা বৃদ্ধি হয়।” এই কথা শুনি নবী চাল্লাল্লাহু আলাইহি অছাল্লামে ছোৱালীজনীৰ পিতৃক মাতি পঠিয়ালে আৰু তেওঁৰ উপস্থিতিত তেখেতে ছোৱালীজনীক অধিকাৰ প্ৰদান কৰি ক’লে যে, তোমাৰ ইচ্ছা তুমি বিবাহ বাহাল ৰাখিব পাৰা অথবা বাতিল কৰিব পাৰা, দুয়োটা বিকল্প তোমাৰ হাতত। ছোৱালীজনীয়ে উত্তৰ দিলে, “হে আল্লাহৰ ৰাছুল, মোৰ পিতৃয়ে মোৰ হকে যিটো সিদ্ধান্ত লৈছে মই সেইটোকে মানি ল’লোঁ, কিন্তু মই অন্যান্য নাৰীক দেখুৱাব বিচাৰিছিলোঁ যে, তেওঁলোকক জোৰকৈ বিয়া কৰাব নোৱাৰি।”


CONTENTS



























# সমান কিন্তু বেলেগ

সাধাৰণ নীতি হিচাপে পুৰুষ আৰু মহিলাৰ সমান অধিকাৰ আছে যদিও তেওঁলোকক প্ৰদান কৰা নিৰ্দিষ্ট অধিকাৰ আৰু দায়িত্বৰোৰ একে নহয়। বৰং পুৰুষ আৰু মহিলাক যিবোৰ অধিকাৰ আৰু দায়িত্ব দিয়া হৈছে সেইবোৰ হৈছে এটা আনটোৰ পৰিপূৰক।

বাহ্যিক আৰু আভ্যন্তৰীণ শাৰীৰিক পাৰ্থক্যক হিচাপত নধৰিলেও বিজ্ঞানীসকলে ইয়াৰ উপৰিও কিছুমান পাৰ্থক্য গৱেষণা কৰি উলিয়াইছে যে, পুৰুষ-মহিলাৰ মাজত ভাষাগত, তথ্যগত আৰু আৱেগ প্ৰক্ৰিয়াকৰণৰ ক্ষেত্ৰত বহুতো সূক্ষ্ম পাৰ্থক্য আছে। তাৰে কেইটামান কথা উল্লেখ কৰিব পাৰি যেনে-

হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ এজন সমাজ-জীৱবিজ্ঞান বিশেষজ্ঞ এডৱাৰ্ড অ' উইলছনে কৈছে যে, পুৰুষতকৈ মহিলাসকলৰ মৌখিক দক্ষতা, সহানুভূতি আৰু সামাজিক দক্ষতা অধিক। আনহাতে পুৰুষসকলৰ মাজত স্বাধীনতা, আধিপত্য, গাণিতিক দক্ষতা, পদবী সম্পৰ্কীয় আক্ৰমণাত্মকতা আৰু অন্যান্য বৈশিষ্ট্যৰ প্ৰৱণতা অধিক থাকে।

দুয়োটা লিংগকে সকলো ক্ষেত্ৰতে সমানভাৱে চোৱা আৰু তেওঁলোকৰ পাৰ্থক্যক আওকাণ কৰাটো হৈছে এক প্ৰকাৰ মূৰ্খামী। আনহাতে ইছলামে শিকাইছে যে, পুৰুষ আৰু মহিলাৰ ভূমিকা হৈছে পৰিপূৰক, যদিও সিহঁতৰ বৈশিষ্ট্য বেলেগ বেলেগ, আৰু এইটোৱে তেওঁলোকৰ স্বভাৱৰ সৈতে বেছি প্ৰযোজ্য। মহান আল্লাহে কৈছেঃ

> আৰু পুত্ৰ সন্তান কন্যা সন্তানৰ দৰে নহয়। (ছুৰা আলে ইমৰাণঃ ৩৬)

> যিজনে সৃষ্টি কৰিছে, তেৱেঁই নাজানিবনে? অথচ তেওঁ সূক্ষ্মদৰ্শী, সম্যক অৱহিত। (ছুৰা মুল্কঃ ১৪)

# পৰিয়ালৰ মাজত একতা

আল্লাহে পুৰুষ আৰু নাৰীক সৃষ্টি কৰিছে যাতে উভয়ৰ ধৰণ-গঠণ পৃথক পৃথক হয়। সিহঁতৰ অনন্য ভূমিকা, দক্ষতা আৰু দায়িত্বও বেলেগ বেলেগ। এই পাৰ্থক্যবোৰক শ্ৰেষ্ঠত্ব বা হীনমন্যতাৰ প্ৰমাণ হিচাপে চোৱা নহয়, বৰং এইবোৰক নিজৰ নিজৰ বিশেষত্ব হিচাপেহে চোৱা হয়। ইছলামত পৰিয়ালক কেন্দ্ৰীয় গুৰুত্ব প্ৰদান কৰা হৈছে। পুৰুষজনে পৰিয়ালৰ আৰ্থিক মংগলৰ বাবে দায়বদ্ধ হোৱাৰ বিপৰীতে মহিলাগৰাকীয়ে পৰিয়ালৰ শাৰীৰিক, শৈক্ষিক আৰু আৱেগিক সুস্থতাত অৰিহণা যোগায়। এই ভিন্নতাই সিহঁতক প্ৰতিযোগিতাতকৈ সহযোগিতাৰ প্ৰতিহে বেছি উৎসাহিত কৰে। ফলত উভয়ে নিজৰ পাৰস্পৰিক দায়িত্ব পালন কৰি শক্তিশালী পৰিয়াল গঢ়ি তোলে আৰু ইয়াৰ দ্বাৰাই শক্তিশালী সমাজৰ সৃষ্টি হয়।


এইদৰে আৱেগিক দিশটো চাবলৈ গ'লে পুৰুষ বা মহিলাই ইজনে সিজনৰ অবিহনে কেতিয়াও সুখী জীৱন কটাব নোৱাৰে। কোৰআনৰ এই আয়াতটোৰ প্ৰতি মন কৰকচোন, য'ত আল্লাহে কিমান সুন্দৰকৈ বিষয়টো উপস্থাপন কৰিছে:

> সিহঁত তোমালোকৰ পোছাকস্বৰূপ আৰু তোমালোকেও সিহঁতৰ পোছাকস্বৰূপ। (ছুৰা আল-বাক্বাৰাহঃ ১৮৭)

সাজ-পোছাকে মানুহক আৰাম, উষ্ণতা আৰু নিৰাপত্তা প্ৰদান কৰাৰ লগতে সৌন্দৰ্য বৰ্ধিত কৰে আৰু ভাল দেখায় – এইদৰেই ইছলামত স্বামী-স্ত্ৰীৰ মাজৰ সম্পৰ্কক পোছাকৰ সৈতে সংজ্ঞায়িত কৰা হৈছে।


CONTENTS



























# দাম্পত্য জীৱনত মৰম-চেনেহ আৰু দয়া

> আৰু তেওঁৰ নিদৰ্শনাৱলীৰ মাজত এইটোও এটা নিদৰ্শন যে, তেৱেঁই তোমালোকৰ বাবে তোমালোকৰ মাজৰ পৰা তোমালোকৰ যোৰা সৃষ্টি কৰিছে, যাতে তোমালোকে সিহঁতৰ ওচৰত প্ৰশান্তি লাভ কৰা আৰু তেৱেঁই তোমালোকৰ মাজত পাৰস্পৰিক প্ৰেম আৰু স্নেহ সৃষ্টি কৰিছে। নিশ্চয় ইয়াত আছে বহুতো নিদৰ্শন সেই সম্প্ৰদায়ৰ বাবে যিসকলে গৱেষণা কৰে। (ছুৰা আৰ-ৰূমঃ ২১)

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে পুৰুষসকলক সিহঁতৰ পত্নীৰ লগত উত্তম ব্যৱহাৰ কৰিবলৈ উৎসাহিত কৰি কৈছে, “তোমালোকৰ ভিতৰত উত্তম হৈছে সেইসকল লোক, যিসকল নিজৰ পত্নীৰ ওচৰত উত্তম।”

নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পত্নী আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাক নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ ব্যৱহাৰ সম্পৰ্কে প্ৰশ্ন কৰা হ'ল যে, তেখেতে ঘৰত কেনেকুৱা ব্যৱহাৰ কৰিছিল, উত্তৰত তেওঁ ক'লেঃ “তেখেত ঘৰত আপোনালোকৰ দৰেই থাকিছিল, কিন্তু তেখেত আছিল অতি নম্ৰ আৰু অতি উদাৰ স্বভাৱৰ, তেখেতে ঘৰৰ সাধাৰণ কামবোৰত পত্নীসকলক সহায় কৰিবলৈ সদায় তৎপৰ আছিল, আনকি তেখেতে নিজৰ কাপোৰ নিজেই চিলাই কৰিছিল আৰু নিজৰ জোতা নিজেই মেৰামতি কৰিছিল।” এক কথাত তেখেতে পত্নীসকলৰ প্ৰতিটো কামতে সহায় কৰিছিল।

# মাতৃ আৰু কন্যাৰ বাবে সুউচ্চ স্থান

শিশুৰ ওপৰত মাকৰ এটা ডাঙৰ প্ৰভাৱ থাকে, বিশেষকৈ প্ৰথম সময়ছোৱাৰ পৰাই মাকে শিশুৰ প্ৰতি যি মুহাব্বত আৰু মনোযোগ দিয়ে তাৰ বাবে। সেয়ে সবল আৰু সফল সমাজ গঢ়ি তোলাৰ ক্ষেত্ৰত মাকৰ ভূমিকাক কোনেও নুই কৰিব নোৱাৰে। এইকাৰণেই ইছলামে মাকক সুউচ্চ সন্মান আৰু উচ্চ মৰ্যাদা প্ৰদান কৰিছে।


মহান আল্লাহে পৱিত্ৰ কোৰআনত কৈছেঃ

> আৰু আমি মানুহক সিহঁতৰ পিতৃ-মাতৃৰ প্ৰতি সদয় ব্যৱহাৰৰ নিৰ্দেশ প্ৰদান কৰিছোঁ। তাৰ মাকে তাক বহু কষ্টৰে গৰ্ভত ধাৰণ কৰিছিল আৰু বহু কষ্টৰে প্ৰসৱ কৰিছে। (ছুৰা আল-আহক্বাফঃ ১৫)

এবাৰ নবী চাল্লাল্লাহু আলাইহি অছাল্লামক প্ৰশ্ন কৰা হ'লঃ হে আল্লাহৰ ৰাছুল! মোৰ সদ্ব্যৱহাৰ পোৱাৰ আটাইতকৈ বেছি অধিকাৰপ্ৰাপ্ত কোন? তেখেতে ক'লেঃ “তোমাৰ মা”। ব্যক্তিজনে আৰু দুবাৰকৈ এই এইকেই প্ৰশ্ন কৰিলে আৰু


CONTENTS



























তেখেতেও সেই একেই উত্তৰ দিলে, কিন্তু চতুৰ্থবাৰ প্ৰশ্ন কৰাত তেখেতে ক'লে: "তোমাৰ পিতা"।

কেৱল মাকৰ সৈতে ভাল ব্যৱহাৰৰ কাৰণেই পুৰস্কৃত কৰা নহয়। বৰং ইছলামে ছোৱালীক লালন-পালন কৰাৰ বাবেও বিশেষ পুৰস্কাৰ নিৰ্ধাৰণ কৰিছে, যি পুৰস্কাৰৰ কথা পুত্ৰ সন্তানৰ লালন-পালনৰ ক্ষেত্ৰত কোৱা হোৱা নাই।

মহা নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "আল্লাহে যাক দুজনী কন্যা সন্তান দান কৰিছে, সি যদি উভয়কে উত্তমভাৱে লালন-পালন কৰে, তেন্তে এই দুজনীয়ে হ'ব তাৰ জান্নাতত প্ৰৱেশ কৰাৰ কাৰণ"।

# উপসংহাৰ

ইছলামৰ পূৰ্বে নাৰীক অপমানজনক বুলি গণ্য কৰা হৈছিল, কন্যা সন্তানক সৰুকালতে জীৱিত অৱস্থাত পুতি থোৱা হৈছিল, বেশ্যাবৃত্তিৰ প্ৰকোপ আছিল, বিবাহ বিচ্ছেদৰ ক্ষমতা কেৱল স্বামীৰ হাততহে আছিল আৰু উত্তৰাধিকাৰ আছিল কেৱল শক্তিশালী লোকৰ বাবেহে, অন্যায়-অত্যাচাৰ ব্যাপকহাৰত বিয়পি পৰিছিল। ইছলাম অহাৰ পিছত ইছলামে এই সকলোবোৰ প্ৰথাক বাতিল কৰিছে তথা বিলুপ্ত কৰিছে। এতিয়াও "উন্নত দেশসমূহ"ত নাৰীক উচিত সন্মান আৰু মৰ্যাদা নিদিয়ে, আনকি সন্মান দিয়াতো দূৰৰ কথা, সমান কামৰ বাবে সমান দৰমহাও নিদিয়ে। ইছলামে নাৰীক সন্মানীয় তথা মূল্যৱান বুলি গণ্য কৰে, নাৰীক অসন্মান বা অপমান কেতিয়াও নকৰে। মধ্যপ্ৰাচ্যৰ কিছুমান দেশ বা কিছুমান মুছলিম পৰিয়ালত নাৰীৰ প্ৰতি হোৱা দুৰ্ব্যৱহাৰৰ কাৰণ হৈছে তাত থকা সিহঁতৰ সংস্কৃতি, যিবোৰ সংস্কৃতিক সেই মুছলিমসকলে ভুলতে অনুসৰণ কৰে, এই দুৰ্ব্যৱহাৰ ইছলামৰ অন্তৰ্ভুক্ত নহয়। সঁচাই যদি ইছলাম নিপীড়নকাৰী ধৰ্ম হ'লহেঁতেন তেন্তে বিশ্বৰ বহু মহিলাই স্বেচ্ছাই কিয় প্ৰৱেশ কৰে?

আমাৰ প্ৰতিপালক আৰু যিজন আপোনালোকৰো প্ৰতিপালক, পুৰুষ-মহিলা সকলোৰে সৃষ্টিকৰ্তা আৰু জীৱিকাদাতাৰ এই মহান বাক্যৰে আমি আমাৰ এই চমু বক্তব্য সামৰণি মাৰিলোঁ:

*নিশ্চয় মুছলিম পুৰুষ আৰু মুছলিমা নাৰী, মুমিন পুৰুষ আৰু মুমিনা নাৰী, আনুগত পুৰুষ আৰু আনুগত নাৰী, সত্যবাদী পুৰুষ আৰু সত্যবাদী নাৰী, ধৈৰ্যশীল পুৰুষ আৰু ধৈৰ্যশীল নাৰী, বিনীত পুৰুষ আৰু বিনীত নাৰী, দানশীল পুৰুষ আৰু দানশীল নাৰী, ছওম পালনকাৰী পুৰুষ আৰু ছওম পালনকাৰীণী নাৰী, যৌনাঙ্গ হিফাজতকাৰী পুৰুষ আৰু যৌনাঙ্গ হিফাজতকাৰীণী নাৰী, আল্লাহক অধিক স্মৰণকাৰী পুৰুষ আৰু আল্লাহক অধিক স্মৰণকাৰীণী নাৰী, তেওঁলোকৰ বাবে আল্লাহে ৰাখিছে ক্ষমা আৰু মহাপ্ৰতিদান।*

*(ছুৰা আহজাবঃ ৩৫)*

HOTLINE
+971 56 204 2045
islamicicdxb
islamicic.com  info@islamicic.com  +971 4 355 5223
DOWNLOAD ASSAMESE FLYER
www.iicdxb.com/assam


CONTENTS




# কোৰআনৰ বৈজ্ঞানিক অলৌকিকতা

ASSAMESE (INDIA) (09/10) العلوم في الإسلام FREE COPY


অনতিপলমে আমি সিহঁতক আমাৰ নিদৰ্শনাৱলী দেখুৱাম, বিশ্বজগতৰ প্ৰান্তসমূহত আৰু সিহঁতৰ নিজৰ মাজতো; যাতে সিহঁতৰ ওচৰত সুস্পষ্ট হৈ উঠে যে, নিশ্চয় এইখন (কোৰআন) সত্য। (কোৰআন ৪১:৫৩)




Dar Al Ber Society
www.daralber.ae
الإمارات THE EMIRATES
Your Path To Peace..
مركز المعلومات الإسلامي
Islamic Information Center
www.islamicic.com
تصريح رقم: (2017/139)
دائرة الشؤون الإسلامية والعمل الخيري
Islamic Affairs & Charitable Activities Department


CONTENTS




























কোৰআন হৈছে ইছলামৰ মূল ধৰ্মীয় গ্ৰন্থ, এইখনেই হৈছে আল্লাহৰ পৰা মানৱজাতিৰ প্ৰতি অৱতীৰ্ণ হোৱা সৰ্বশেষ গ্ৰন্থ। এইদৰে এইখনেই হৈছে নবীসকলৰ প্ৰতি অৱতীৰ্ণ হোৱা অহীৰ ধাৰাবাহিকতাৰ সৰ্বশেষ অহী।

যদিও কোৰআন (১৪০০ বছৰতকৈও বেছি সময় আগত অৱতীৰ্ণ হৈছে), কিন্তু এইখন মূলতে কোনো বিজ্ঞানৰ কিতাপ নহয়, তথাপিও ইয়াত বৈজ্ঞানিক তথ্য সম্পৰ্কে কিছু ইংগিত আছে যিবোৰ প্ৰযুক্তি আৰু বৈজ্ঞানিক জ্ঞানৰ উন্নতিৰ ফলত শেহতীয়াকৈহে আৱিষ্কাৰ হৈছে। ইছলামে চিন্তা-চৰ্চা কৰিবলৈ আৰু বৈজ্ঞানিক গৱেষণা কৰিবলৈ উৎসাহিত কৰে, কাৰণ সৃষ্টিৰ স্বৰূপ বুজিলেহে মানুহে নিজৰ সৃষ্টিকৰ্তা আৰু তেওঁৰ শক্তি-সামৰ্থ সম্পৰ্কে আৰু তেওঁৰ হিকমত তথা প্ৰজ্ঞাৰ পৰিসৰৰ অধিক শলাগ ল'ব পাৰিব।

কোৰআন অৱতীৰ্ণ হৈছিল সেই সময়ত, যিসময়ত বিজ্ঞান আদিম আছিল; সেই সময়ত কোনো টেলিস্কোপ, মাইক্ৰস্কোপ বা আজিৰ প্ৰযুক্তিৰ দৰে কোনো প্ৰযুক্তিও নাছিল। মানুহে বিশ্বাস কৰিছিল যে, সূৰ্য্যই পৃথিৱীক প্ৰদক্ষিণ কৰে আৰু আকাশখনক পৃথিৱীৰ চুকে কোণে থকা স্তম্ভবোৰে ওপৰলৈ তুলি ধৰি ৰাখিছে। এই পটভূমিতে কোৰআন অৱতীৰ্ণ হৈছে, য'ত জ্যোতিৰ্বিজ্ঞানৰ পৰা আৰম্ভ কৰি জীৱবিজ্ঞান, ভূতত্ত্বৰ পৰা প্ৰাণীবিজ্ঞানলৈকে বহুতো বৈজ্ঞানিক তথ্যৰ স্পষ্ট ইংগিত দিয়া হৈছে।

কোৰআনত থকা বহুতো বৈজ্ঞানিক তথ্যৰ ভিতৰত কেইটামান ইয়াত উল্লেখ কৰা হ'ল-

## ১ জীৱনৰ উৎপত্তি

উক্ত আয়াতত সকলো জীৱৰ উৎপত্তি পানীৰ পৰা হোৱা বুলি কোৱা হৈছে। সকলো জীৱই কোষৰ দ্বাৰা গঠিত, আৰু আমি এতিয়াহে জানিব পাৰিছোঁ যে, সেই কোষবোৰৰ বেছিভাগেই হৈছে পানীৰে গঠিত।

মাইক্ৰস্কোপ আৱিষ্কাৰ হোৱাৰ পিছতহে এই কথা পোহৰলৈ আহিছে। আনহাতে এইটো এটা কল্পনাতীত বিষয় যে, আৰবৰ মৰুভূমিত কোনোবা এজন ব্যক্তিয়ে এনেকৈ অনুমান কৰাটো সম্ভৱ আছিলনে যে, পৃথিৱীৰ সকলো জীৱই পানীৰ পৰা সৃষ্টি হৈছে।

> আৰু প্ৰত্যেক সজীৱ বস্তুকে আমি পানীৰ পৰা সৃষ্টি কৰিছোঁ; তথাপিও সিহঁতে ঈমান পোষণ নকৰিবনে? (কোৰআন ২১:৩০)

## ২ মানৱ ভ্ৰূণৰ বিকাশ

মানৱ ভ্ৰূণ বিকাশৰ পৰ্যায় সম্পৰ্কে উল্লেখ কৰি মহান আল্লাহে পৱিত্ৰ কোৰআনত কৈছেঃ

> নিশ্চয় আমি মানুহক সৃষ্টি কৰিছোঁ মাটিৰ উপাদানৰ পৰা, তাৰ পিছত আমি তাক স্থাপন কৰোঁ শুক্ৰবিন্দুৰূপে এটা নিৰাপদ ভাণ্ডাৰত (জৰায়ুত); তাৰ পিছত আমি শুক্ৰবিন্দুক আলাকাত পৰিণত কৰোঁ, পিছত আলাকাক পৰিণত কৰোঁ মাংসপিণ্ডত, মাংসপিণ্ডক পৰিণত কৰোঁ অস্থিত, তাৰ পিছত অস্থিক ঢাকি দিওঁ মাংসৰে, অৱশেষত আমি তাক গঢ়ি তোলোঁ আন এটা সৃষ্টিৰূপে। এতেকে (চোৱা) সৰ্বোত্তম স্ৰষ্টা আল্লাহ কিমান বৰকতময়!
> (কোৰআন ২৩:১২-১৪)

আৰবী শব্দ 'আলাকাহ'ৰ তিনিটা অৰ্থ আছে: এটা হৈছে জোক, আনটো হৈছে ওলমি থকা কোনো বস্তু আৰু তৃতীয় অৰ্থটো হৈছে তেজৰ গোট। "মুদঘাহ" মানে এনেকুৱা বস্তু যিটোক চোবোৱা হৈছে। ভ্ৰূণ বিজ্ঞানৰ বিজ্ঞানীসকলে লক্ষ্য কৰিছে যে, ভ্ৰূণৰ গঠন আৰু বিকাশ সম্পৰ্কে যিটো শব্দ ব্যৱহাৰ কৰা হৈছে একেবাৰে সঠিক শব্দ ব্যৱহৃত হৈছে। আনকি ভ্ৰূণ বিকাশ প্ৰক্ৰিয়াৰ ক্ষেত্ৰত বৰ্তমানৰ বৈজ্ঞানিক বোধৰ সৈতে ইয়াৰ সম্পূৰ্ণ মিল আছে।

CONTENTS






বিংশ শতিকালৈকে মানৱ ভ্ৰূণৰ পৰ্যায় আৰু শ্ৰেণীবিভাজন সম্পৰ্কে খুবেই সামান্য জ্ঞান প্ৰাপ্ত হৈছিল। গতিকে ইয়াৰ দ্বাৰা এই কথাও স্পষ্ট হয় যে, কোৰআনত মানৱ ভ্ৰূণ সম্পৰ্কে যি বৰ্ণনা আহিছে সেয়া সপ্তম শতিকাৰ বৈজ্ঞানিক জ্ঞানৰ ভিত্তিত কেতিয়াও হ'ব নোৱাৰে।

## ৩ বিশ্বজগতৰ সম্প্ৰসাৰণ

যি সময়ত জ্যোতিৰ্বিজ্ঞানৰ অস্তিত্বক আৰম্ভণি পৰ্যায় বুলি ক'ব পাৰি, সেই সময়ত অৱতীৰ্ণ হোৱা কোৰআনৰ এই আয়াতটোলৈ মন কৰকচোন:

আৰু আমি আমাৰ ক্ষমতাৰ বলত আকাশ নিৰ্মাণ কৰিছোঁ আৰু নিশ্চয় আমি মহাসম্প্ৰসাৰণকাৰী। (কোৰআন ৫১:৪৭)

উক্ত আয়াতৰ উদ্দেশ্যিত অৰ্থটো হৈছে এই যে, আল্লাহে বিশ্বজগতক সম্প্ৰসাৰণ কৰে (অৰ্থাৎ আকাশক), অন্যান্য অৰ্থও আছে যেনে- আল্লাহে বিশ্বজগতক হিফাজত কৰে, আৰু ইয়াৰ ওপৰত একমাত্ৰ তেওঁৰেই কৰ্তৃত্ব, এইবোৰ অৰ্থও সঠিক।

বিশ্বজগতখন যে সম্প্ৰসাৰিত হৈ আছে (উদাহৰণস্বৰূপে গ্ৰহবোৰ ইটোৱে সিটোৰ পৰা আঁতৰি গৈ আছে) এই কথাটো বিগত শতিকাতহে আৱিষ্কাৰ হৈছে। পদাৰ্থবিজ্ঞানী ষ্টিফেন হকিঙে তেওঁৰ 'এ ব্ৰিফ হিষ্ট্ৰী অব টাইম' নামৰ গ্ৰন্থখনত এইদৰে লিখিছে যে,

"বিশ্বজগতখন যে সম্প্ৰসাৰিত হৈ আছে সেই আৱিষ্কাৰ বিংশ শতিকাৰ অন্যতম এটা মহান বৌদ্ধিক বিপ্লৱ আছিল।"

অথচ টেলিস্কোপ আৱিষ্কাৰ হোৱাৰ আগতেই কোৰআনত বিশ্বজগতৰ সম্প্ৰসাৰণৰ ইংগিত দিয়া হৈছে!

## ৪ লোহাৰ অৱতৰণ

লোহা পৃথিৱীৰ কোনো স্বাভাৱিক বস্তু নহয়, বৰং ই মহাকাশৰ পৰা আমাৰ এই গ্ৰহলৈ আহিছে। বিজ্ঞানীসকলে আৱিষ্কাৰ কৰিছে যে, কোটি কোটি বছৰ আগতে পৃথিৱীত উল্কাপিণ্ডই আঘাত হানিছিল, বহু দূৰৈত থকা তৰাবোৰ বিস্ফোৰিত হোৱাৰ ফলত এইবোৰ উল্কাপিণ্ডই লোহা কঢ়িয়াই আনিছিল।

> আৰু আমি অৱতীৰ্ণ কৰিছোঁ লোহা, য'ত আছে প্ৰচণ্ড শক্তি আৰু মানুহৰ বাবে আছে বহুবিধ কল্যাণ। (কোৰআন ৫৭:২৫)

আল্লাহে 'أَنْزَلَ'(নমাই পঠিওৱা বা অৱতীৰ্ণ কৰা) শব্দ ব্যৱহাৰ কৰিছে। এই বিষয়ে বিজ্ঞানে শক্তিশালী মত পোষণ কৰিছে যে, লোহা পৃথিৱীৰ বাহিৰৰ পৰা অৰ্থাৎ মহাকাশৰ পৰা উল্কাপিণ্ডৰ জৰিয়তে পৃথিৱীলৈ অহা বস্তু। এইটো এনেকুৱা এটা বিষয় যিটো সপ্তম শতিকাৰ প্ৰাথমিক বিজ্ঞানে জনাটো সম্ভৱে নহয়।

## ৫ আকাশৰ সুৰক্ষা

পৃথিৱী আৰু ইয়াৰ বাসিন্দাসকলক সূৰ্য্যৰ মাৰাত্মক ৰশ্মিৰ পৰা ৰক্ষা কৰাৰ ক্ষেত্ৰত, লগতে মহাকাশৰ হিমশীতল ঠাণ্ডাৰ পৰা ৰক্ষা কৰাৰ ক্ষেত্ৰতো আকাশে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।


তলত দিয়া এই আয়াতটোত মহান আল্লাহে আমাক আকাশ সম্পৰ্কে চিন্তা-চৰ্চা কৰিবলৈ আহ্বান কৰিছেঃ

আৰু আমি আকাশক সুৰক্ষিত চাদ বনাইছোঁ; কিন্তু সিহঁতে আকাশত অৱস্থিত নিদৰ্শনাৱলীৰ পৰা মুখ ঘূৰাই লয়। (কোৰআন ২১:৩২)

কোৰআনে আকাশৰ এই সুৰক্ষা ব্যৱস্থাক মহান আল্লাহৰ ক্ষমতাৰ এটা প্ৰতীক হিচাপে ইংগিত কৰিছে, এইবোৰ সুৰক্ষামূলক বিশেষত্ব বিংশ শতিকাত কৰা বৈজ্ঞানিক গৱেষণাৰ দ্বাৰাহে আৱিষ্কাৰ হৈছে।


CONTENTS




























## ৬ পৰ্বতসমূহ


পৰ্বতৰ এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্যৰ প্ৰতি আমাৰ মনোযোগ আকৰ্ষণ কৰি মহান আল্লাহে কৈছেঃ

> আমি পৃথিৱীখনক শয্যা বনোৱা নাইনে? আৰু পৰ্বতসমূহক পেৰেক? (কোৰআন ৭৮:৬-৭)

কোৰআনে "পেৰেক বা গজাল" শব্দটো ব্যৱহাৰ কৰি পাহাৰৰ গভীৰ শিপাৰ সঠিক বৰ্ণনা দাঙি ধৰিছে। উদাহৰণস্বৰূপে মাউণ্ট এভাৰেষ্টৰ উচ্চতা মাটিৰ ওপৰত প্ৰায় ৯ কিলোমিটাৰ, আনহাতে ইয়াৰ তলভাগ (শিপা)ৰ গভীৰতা হৈছে ১২৫ কিলোমিটাৰতকৈও অধিক!

নক্সা বা চিত্ৰ

বাস্তৱতে পাহাৰৰ গভীৰ শিপাটো ‘পেৰেক বা গজাল’ৰ দৰে, আৰু এই কথাটো মানুহে গমেই পোৱা নাছিল, বিংশ শতিকাৰ আৰম্ভণিত প্লেট টেকটনিক্সৰ তত্ত্ব বিকাশৰ পিছতহে এই কথা পোহৰৈ আহিছে। মহান আল্লাহে কোৰআনত (১৬:১৫) এই কথাও উল্লেখ কৰিছে যে, পৃথিৱীখনক সুস্থিৰ ৰখাৰ ক্ষেত্ৰত পাহাৰৰ ভূমিকা আছে "...পাহাৰক এই কাৰণে স্থাপন কৰা হৈছে যাতে পৃথিৱীখন কঁপি নাথাকে," যিটো বিজ্ঞানীসকলে এতিয়াহে বুজি পাইছে।




## ৭ সূৰ্য্যৰ কক্ষপথ

১৫১২ চনত জ্যোতিৰ্বিজ্ঞানী নিকোলাছ কপাৰনিকাছে তেওঁৰ তত্ত্ব আগবঢ়াই কয় যে, সৌৰজগতৰ কেন্দ্ৰস্থলত সূৰ্য্য নিশ্চল অৱস্থাত স্থাপিত, আৰু ইয়াৰ চাৰিওফালে গ্ৰহবোৰ ঘূৰি আছে। এই বিশ্বাসটো বিংশ শতিকালৈকে জ্যোতিৰ্বিজ্ঞানীসকলৰ মাজত ব্যাপকভাৱে প্ৰচলিত আছিল।

কিন্তু বৰ্তমানৰ সুপ্ৰতিষ্ঠিত মতটো হৈছে এই যে, সূৰ্য্য স্থিৰ নহয়, বৰং আমাৰ মিল্কিৱে গেলাক্সীৰ মাজমজিয়াত নিজৰ কক্ষপথত গতি কৰি আছে।

> কোৰআনত উল্লেখ আছে যে-
> আৰু আল্লাহেই সৃষ্টি কৰিছে ৰাতি আৰু দিন, সূৰ্য আৰু চন্দ্ৰ; প্ৰত্যেকেই নিজ নিজ কক্ষপথত বিচৰণ কৰি আছে (বা সাতুৰি আছে)। (কোৰআন ২১:৩৩)

## ৮ মহাসাগৰৰ আভ্যন্তৰীণ ঢৌ

সাধাৰণতে ভবা হয় যে, ঢৌ কেৱল সাগৰৰ পৃষ্ঠতহে দেখা যায়। কিন্তু সাগৰবিজ্ঞানীসকলে আৱিষ্কাৰ কৰিছে যে, সাগৰ পৃষ্ঠৰ তলভাগতো আভ্যন্তৰীণ ঢৌ দেখিবলৈ পোৱা যায়, যিবোৰ মানৱ দৃষ্টিৰে দেখা পোৱা সম্ভৱ নহয়, বিশেষ সঁজুলি নোহোৱাকৈ এইটো আৱিষ্কাৰ কৰাও অসম্ভৱ।

CONTENTS


ইছলাম পৰিচিতি
নবী মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম
যীচু বা ঈছা মছীহঃ আল্লাহৰ এজন ৰাছুল
ইছলামত উপাস্যৰ ধাৰণা
আল-কোৰআন
জীৱনৰ উদ্দেশ্য কি?
ইছলাম সম্পৰ্কে কিছুমান ভুল ধাৰণা
ইছলামত নাৰীৰ অধিকাৰ
কোৰআনৰ বৈজ্ঞানিক অলৌকিকতা
ইছলামৰ দৃষ্টিত মৃত্যু আৰু পৰকাল




কোৰআনত এইদৰে উল্লেখ আছে-

......গভীৰ সাগৰৰ তলভাগক ঢৌৱে আৱৰি ধৰে, তৰংগৰ ওপৰত তৰংগই, যাৰ উৰ্দ্ধত আছে মেঘপুঞ্জ, অন্ধকাৰযুক্ত মেঘপুঞ্জ স্তৰৰ ওপৰত স্তৰ,..... (কোৰআন ২৪:৪০)

এই বৰ্ণনাটো আচৰিত নহয়নে, কাৰণ ১৪০০ বছৰ আগতে সাগৰৰ গভীৰতম আভ্যন্তৰীণ ঢৌ আৱিষ্কাৰ কৰিবলৈ তেতিয়া কোনো বিশেষ সঁজুলিৰ অস্তিত্বই নাছিল।

## ৯ মিছা কথা কোৱা আৰু গতিবিধি

নবী মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লামৰ সময়ত এজন অত্যাচাৰী নিষ্ঠুৰ গোত্ৰীয় নেতা আছিল, মহান আল্লাহে তাক সতৰ্ক কৰিবলৈ এই আয়াতটো অৱতীৰ্ণ কৰিলেঃ

সাৱধান! যদি সি বিৰত নাথাকে, তেন্তে নিশ্চয় আমি তাক তাৰ কপালত (আগচুলিত) ধৰি টানি আনিম। মিছলীয়া, পাপিষ্ঠ কপাল (আগচুলি)। (কোৰআন ৯৬:১৫-১৬)


মহান আল্লাহে সেই ব্যক্তিজনক মিছলীয়া বুলি কোৱা নাই, বৰং তাৰ কপালখনক (মগজুৰ আগফালৰ অংশ)ক 'মিছা' আৰু 'পাপী' বুলি কৈছে, আৰু তাক সতৰ্ক কৰিছে যাতে সি পাপকৰ্মৰ পৰা বিৰত থাকে। কেইবাটাও গৱেষণাৰ পৰা এই কথা পোহৰলৈ আহিছে যে, আমাৰ মগজুৰ সন্মুখৰ অংশ (frontal lobe) মিছা কথা কোৱা আৰু স্বেচ্ছামূলক গতিবিধি উভয়ৰ বাবে দায়ী, এইদৰে পাপকৰ্মৰ বাবেও। বিংশ শতিকাত বিকশিত হোৱা চিকিৎসা ইমেজিং সঁজুলিৰ সহায়তহে এইবোৰ বিষয় আৱিষ্কাৰ হৈছে।

## ১০ দুখন সাগৰ একেলগে বৈ যায় কিন্তু পানী মিশ্ৰিত নহয়

সাগৰ সম্পৰ্কে আমাৰ সৃষ্টিকৰ্তাই কৈছেঃ

তেৱেঁ দুই সাগৰক প্ৰবাহিত কৰে, উভয়ে পৰস্পৰ মিলিত হয়, কিন্তু সিহঁত উভয়ৰ মাজত আছে এটা অন্তৰাল, যিটো সিহঁতে অতিক্ৰম কৰিব নোৱাৰে। (কোৰআন ৫৫:১৯-২০)

ভৌতিক বল যিটোক surface tension বোলা হয়, ইয়াৰ প্ৰতিৰোধৰ কাৰণে ওচৰৰ সাগৰৰ পানী মিশ্ৰিত হ'ব নোৱাৰে, লগতে দুয়োটা পানীৰ ঘনত্বৰ মাজত পাৰ্থক্য থকাৰ কাৰণে মিশ্ৰিত নহয়। এনেকুৱা লাগে যেনিবা দুয়োখন সাগৰৰ মাজত এখন পাতল বেৰ আছে। সাগৰবিজ্ঞানীসকলে অতি শেহতীয়াকৈহে এই কথা আৱিষ্কাৰ কৰিব পাৰিছে।



CONTENTS






## মুহাম্মদৰ পক্ষে কোৰআন ৰচনা কৰাটো সম্ভৱ আছিলনে বাৰু?

ইতিহাসত এই কথা স্পষ্টভাৱে লিপিবদ্ধ আছে যে, মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম আছিল এজন নিৰক্ষৰ ব্যক্তি; তেখেতে লিখা পঢ়া একো জনা নাছিল। ইমান সঠিকভাৱে কোৰআনত বৈজ্ঞানিক ব্যাখ্যা দিব পৰা তেখেতৰ ওচৰত কোনো শিক্ষাই নাছিল।

কিছুমানে হয়তো এইটো দাবী কৰিব পাৰে যে, তেখেতে চাগে সেই সময়ৰ বিদ্বান লোকসকলৰ পৰা বা বিজ্ঞানীসকলৰ পৰা নকল কৰিছিল। যদি ইয়াক আনৰ পৰা কপি কৰাই হ'লহেঁতেন তেন্তে নিশ্চয় আমি ইয়াত সেই সময়ৰ সকলো বৈজ্ঞানিক ভুল ধাৰণাবোৰো দেখা পালোহেঁতেন। কিন্তু আমি দেখিবলৈ পাওঁ যে, কোৰআনত কোনো ধৰণৰ ভুল নাই, সেয়া বৈজ্ঞানিক ভুল হওক বা অন্যান্য কোনো ক্ষেত্ৰতেই হওক।

কিছুমানে হয়তো এইটোও দাবী কৰিব পাৰে যে, নতুন বৈজ্ঞানিক তথ্য আৱিষ্কাৰ হোৱাৰ লগে লগে কোৰআনো চাগে সলনি হৈছে। এইটো কেতিয়াও হ'ব নোৱাৰে, কাৰণ এইটো ঐতিহাসিকভাৱে প্ৰমাণিত সত্য যে, কোৰআন যি ভাষাত অৱতীৰ্ণ হৈছে সেই ভাষাতে প্ৰতিটো আখৰৰ সৈতে সংৰক্ষিত হৈ আছে- যিটো স্বয়ং এক অলৌকিকতা!

## এইটো কেৱলমাত্ৰ এটা কাকতলীয়া ঘটনা নেকি?

এই পামফ্লেটখনে কেৱলমাত্ৰ সম্ভাব্য বৈজ্ঞানিক অলৌকিকতাৰ ওপৰতহে গুৰুত্ব আৰোপ কৰিছে, ইয়াৰ বাহিৰেও কোৰআনত আৰু বহুতো প্ৰতিষ্ঠিত অলৌকিকতাৰ উল্লেখ আছে: যেনে- ঐতিহাসিক অলৌকিকতা; এনেকুৱা ভৱিষ্যদ্বাণী যিবোৰ সত্য প্ৰমাণিত হৈছে; কোৰআনৰ ভাষিক আৰু সাহিত্যিক শৈলী, যাৰ কোনো তুলনা নাই; মানুহৰ ওপৰত ইয়াৰ প্ৰভাৱৰ কথা নকওঁৱেই বাৰু। এই সকলো অলৌকিক বিষয়বোৰ কাকতলীয়াভাৱে হোৱাটো সম্ভৱ নহয়। এইবোৰে স্পষ্টভাৱে ইংগিত দিয়ে যে, এই কোৰআনখন মহান আল্লাহৰ ফালৰ পৰা অৱতীৰ্ণ হৈছে, যিয়ে বিজ্ঞানৰ সকলো নিয়ম সৃষ্টি কৰিছে।

> অনতিপলমে আমি সিহঁতক আমাৰ নিদৰ্শনাৱলী দেখুৱাম, বিশ্বজগতৰ প্ৰান্তসমূহত আৰু সিহঁতৰ নিজৰ মাজতো; যাতে সিহঁতৰ ওচৰত সুস্পষ্ট হৈ উঠে যে, নিশ্চয় এইখন (কোৰআন) সত্য।
> (কোৰআন ৪১:৫৩)

তেৱেঁই একক তথা অদ্বিতীয় সত্য উপাস্য, যিয়ে সকলো নবীক একেটা বাৰ্তা দি প্ৰেৰণ কৰিছে- সেই বাৰ্তাটো হৈছে, একমাত্ৰ আল্লাহৰ ইবাদত কৰা আৰু তেওঁৰ ৰাছুলে দিয়া শিক্ষাৰ অনুসৰণ কৰা।

কোৰআন হৈছে এখন হিদায়তৰ (পথ প্ৰদৰ্শনৰ) কিতাপ, যিয়ে স্পষ্ট কৰে যে, আল্লাহে মানুহক লক্ষ্যহীনভাৱে বিচৰণ কৰিবলৈ সৃষ্টি কৰা নাই। বৰং কোৰআনে আমাক শিকায় যে, আমাৰ জীৱনৰ এটা অৰ্থপূৰ্ণ আৰু সুউচ্চ উদ্দেশ্য আছে- সেয়া হৈছে, মহান আল্লাহক একক বুলি স্বীকাৰ কৰা, তেওঁক পূৰ্ণাংগ গুণেৰে গুণান্বিত কৰা, আৰু তেওঁৰ আনুগত্য কৰা।

এইটো প্ৰতিজন ব্যক্তিৰ ওপৰতে এৰি দিয়া হৈছে যে, সিহঁতে আল্লাহৰ আয়াত আৰু নিদৰ্শনসমূহৰ প্ৰতি চিন্তা-চৰ্চা কৰিবলৈ আল্লাহে দিয়া বুদ্ধিমত্তা আৰু যৌক্তিক ক্ষমতাক ব্যৱহাৰ কৰক। কোৰআনেই হৈছে তেওঁৰ আটাইতকৈ গুৰুত্বপূৰ্ণ নিদৰ্শন। পঢ়ক আৰু আৱিষ্কাৰ কৰক কোৰআনৰ সৌন্দৰ্য্য আৰু ইয়াৰ সত্যতা, যাতে আপুনি সফলতা লাভ কৰিব পাৰে!

HOTLINE
+971 56 204 2045
islamicicdxb
islamicic.com info@islamicic.com +971 4 355 5223
DOWNLOAD ASSAMESE FLYER
www.iicdxb.com/assam

CONTENTS


ইছলাম পৰিচিতি
নবী মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম
যীচু বা ঈছা মছীহঃ আল্লাহৰ এজন ৰাছুল
ইছলামত উপাস্যৰ ধাৰণা
আল-কোৰআন
জীৱনৰ উদ্দেশ্য কি?
ইছলাম সম্পৰ্কে কিছুমান ভুল ধাৰণা
ইছলামত নাৰীৰ অধিকাৰ
কোৰআনৰ বৈজ্ঞানিক অলৌকিকতা
ইছলামৰ দৃষ্টিত মৃত্যু আৰু পৰকাল


# ইছলামৰ দৃষ্টিত মৃত্যু আৰু পৰকাল


ASSAMESE (INDIA) (10/10) الموت والآخرة في الإسلام FREE COPY


"প্ৰতিটো জীৱই মৃত্যুৰ সোৱাদ গ্ৰহণ কৰিব, তাৰ পিছত তোমালোকে আমাৰ ওচৰলৈকেই প্ৰত্যাৱৰ্তিত হ'বা।"
(ছুৰা আল-আনকাবূতঃ ৫৭)


جمعية دار البر
Dar Al Ber Society
www.daralber.ae
الإمارات
THE EMIRATES
Your Path To Peace..
مركز المعلومات الإسلامي
Islamic Information Center
www.islamicic.com
تصريح رقم:
(2017/139)
دائرة الشؤون الإسلامية والعمل الخيري
Islamic Affairs & Charitable Activities Department

CONTENTS






# মৃত্যু অতি সন্নিকট

> "তোমালোকে য'তেই নাথাকা কিয় মৃত্যুৱে তোমালোকক লগ পাবই, যদিও তোমালোকে সুউচ্চ সুদৃঢ় দুৰ্গত অৱস্থান নকৰা কিয়"। (ছুৰা আন-নিছাঃ ৭৮)

মৃত্যু হৈছে এনেকুৱা এটা বাস্তৱতা, যাৰ পৰা কোনেও সাৰি যাব নোৱাৰে। ই প্ৰতিদিনে ওচৰ চাপি আহি আছে; বৰং প্ৰতি ঘণ্টাত; প্ৰতি মিনিটত নিকটৱৰ্তী হৈ আছে। চিআইএৰ দ্য ৱৰ্ল্ড ফেক্টবুক ২০০৭ৰ মতে প্ৰতি ছেকেণ্ডত প্ৰায় দুজন লোকৰ মৃত্যু হয়। অৰ্থাৎ প্ৰতি বছৰে ৫৭.৯ মিলিয়ন লোকৰ মৃত্যু হয়! বয়স, স্বাস্থ্য, পটভূমি, সামাজিক মৰ্যাদা বা ধৰ্মপৰায়ণতা যিয়েই নাথাকক কিয়, প্ৰতিটো সত্তাই এই বাস্তৱতাৰ সোৱাদ লবই লাগিব, ইয়াৰ পৰা ৰক্ষা পোৱাৰ কোনো উপায় নাই।

অতীতৰ সেই ৰজা-মহাৰজাসকল আজি ক'ত, কোটিপতি আৰু ক্ষমতাশীলসকল আজি ক'ত? এসময়ৰ সৌন্দৰ্য্যৰ অধিকাৰী, বিখ্যাত, বৌদ্ধিক অভিজাত শ্ৰেণীৰ লোকসকল আজি ক'ত?

# মৃত্যুৰ বাস্তৱতা

মৃত্যু কোনো দুৰ্যোগ নহয়, বৰং এইটো হৈছে ইহজগতৰ পৰা পৰলোকলৈ যোৱাৰ এটা পৰ্যায়। গতিকে আমি আমাৰ জীৱনৰ উদ্দেশ্য সম্পৰ্কে চিন্তা-চৰ্চা কৰা উচিত আৰু মৃত্যুৰ পিছত আমাৰ কি হ'ব সেই বিষয়ে পদক্ষেপ লোৱা উচিত।

মহান আল্লাহে কোৰআনত আমাক জনাইছে যে, তেওঁ আমাক কেৱল তেওঁৰ ইবাদত কৰাৰ উদ্দেশ্যেহে সৃষ্টি কৰিছে, আৰু তেওঁ এই জীৱনটোক পৰীক্ষা বনাইছে, এইটো চাবলৈ যে, কোনে এই মহান উদ্দেশ্য পূৰণ কৰিব পাৰে:

> "আৰু মই জিন আৰু মানুহক কেৱল এইকাৰণেই সৃষ্টি কৰিছোঁ যে, সিহঁত কেৱল মোৰেই ইবাদত কৰিব।" (ছুৰা আজ-জাৰিয়াতঃ ৫৬)

সৰ্বশক্তিমান আল্লাহে জীৱন মৰণ সৃষ্টি কৰাৰ আঁৰৰ ৰহস্য সম্পৰ্কেও আমাক এইদৰে জনাইছেঃ

> "তেৱেঁই মৃত্যু আৰু জীৱন সৃষ্টি কৰিছে, যাতে তোমালোকক পৰীক্ষা কৰিব পাৰে যে, তোমালোকৰ মাজত কোন আটাইতকৈ উত্তম আমলকাৰী?" (ছুৰা আল-মুল্কঃ ২)

মানুহে নিজৰ জানাজা বা অন্ত্যেষ্টিক্ৰিয়াৰ বাবে আগতীয়াকৈ ধন দি অথবা আগতীয়াকৈ কফিন কিনি মৃত্যুৰ বাবে প্ৰস্তুতি নকৰে। বৰং জীৱনৰ প্ৰকৃত উদ্দেশ্য পূৰণ কৰাটো হৈছে মৃত্যুৰ আচল প্ৰস্তুতি– সেইটো হৈছে একমাত্ৰ আল্লাহৰ ইবাদত কৰা, তেওঁৰ নিৰ্দেশনা মতে জীৱন-যাপন কৰা আৰু সৎকৰ্ম কৰা। ইছলামত জীৱনৰ প্ৰতিটো ক্ষেত্ৰকে ইবাদতৰ অন্তৰ্ভুক্ত কৰা হৈছে, ইবাদত কেৱল নামাজ ৰোজাতেই সীমাবদ্ধ নহয়। বৰং প্ৰত্যেক সেই আমল যিটোৰ দ্বাৰা আল্লাহ সন্তুষ্ট হয় সেইটোৱে হৈছে ইবাদতৰ এটা প্ৰকাৰ। ইয়াৰ ফলত ব্যক্তিয়ে দুনিয়া অথবা আখিৰাতত ইয়াৰ পুৰস্কাৰ লাভ কৰে।

CONTENTS


ইছলাম পৰিচিতি
নবী মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লাম
যীচু বা ঈছা মছীহঃ আল্লাহৰ এজন ৰাছুল
ইছলামত উপাস্যৰ ধাৰণা
আল-কোৰআন
জীৱনৰ উদ্দেশ্য কি?
ইছলাম সম্পৰ্কে কিছুমান ভুল ধাৰণা
ইছলামত নাৰীৰ অধিকাৰ
কোৰআনৰ বৈজ্ঞানিক অলৌকিকতা
ইছলামৰ দৃষ্টিত মৃত্যু আৰু পৰকাল




# মৃত্যুৰ মূহুৰ্ত

"আৰু প্ৰত্যেকেৰে চিন্তা কৰা উচিত যে, অহাকালিৰ বাবে সি কি প্ৰেৰণ কৰিছে।" (ছুৰা আল-হাশ্বৰঃ ১৮)

প্ৰতিদিনে আমি মৃত্যুৰ উদাহৰণ দেখিবলৈ পাওঁ। সচৰাচৰ কোনো যন্ত্ৰণা বা হিংসা নথকা মৃত্যুক আমি শান্তিপূৰ্ণ মৃত্যু হিচাপে গ্ৰহণ কৰোঁ। কিন্তু প্ৰকৃত অৱস্থাৰ সৈতে ইয়াৰ মিল থকাটো জৰুৰী নহয়। মানুহ এজনৰ যেতিয়া মৃত্যু হয়, তেতিয়া আত্মাই শৰীৰ ত্যাগ কৰে, গতিকে শাৰীৰিক অৱস্থাই আত্মাৰ অৱস্থাক প্ৰতিফলিত নকৰিবও পাৰে। আত্মাৰ শান্তি বা অস্বস্তিৰ বিষয়টো প্ৰত্যক্ষভাৱে সম্পৃক্ত থাকে ব্যক্তিজনে এই জীৱনত নিজৰ উদ্দেশ্য কিমান ভালদৰে পূৰণ কৰিছিল। মৃত্যুৰ সৈতে ইয়াৰ সম্পৰ্ক খুবেই কম।

বলক আমি দুজন ব্যক্তিৰ উদাহৰণ লওঁ, দুয়োজনৰ ওচৰত এনেকুৱা এটা স্থানত যাবলৈ একমুখী টিকট আছে, য'ত তেওঁলোকে কেতিয়াও যোৱা নাছিল। তাৰে এজন ব্যক্তিয়ে সময় উলিয়াই গন্তব্যস্থানৰ লগত জড়িত ভাষা, সংস্কৃতি আৰু আচাৰ-ব্যৱহাৰৰ বিষয়ে শিকি ল'লে। সেই ঠাইৰ মুদ্ৰা সংগ্ৰহ কৰিলে আৰু সঠিক টিকাকৰণো কৰি ল'লে, ফলত যেতিয়া ভ্ৰমণৰ সময় আহিল, সেই ব্যক্তিজনে কোনো ধৰণৰ অসুবিধা নোহোৱাকৈয়ে গন্তব্যস্থানত গৈ উপস্থিত হ'ল, তেওঁ নিৰাপদ আৰু সন্তুষ্ট আছিল, কাৰণ তেওঁ আগতীয়াকৈ ভালদৰে প্ৰস্তুতি লৈছিল।

ইয়াৰ বিপৰীতে দ্বিতীয় ব্যক্তিজনে নিজৰ প্ৰস্তুতিৰ ক্ষেত্ৰত অসাৱধানতা অৱলম্বন কৰিলে আৰু ভ্ৰমণৰ সেই মুহূৰ্ত নহালৈকে বৰ্তমানৰ জীৱনকলৈয়ে ব্যস্ত থাকিলে। ফলত ভ্ৰমণৰ সময়ত সি ভয়-চিন্তা আশংকা আদিৰ সৈতে সেই অচিনাকি গন্তব্যস্থানলৈ গৈ উপস্থিত হ'ল। তাৰ এই অপ্ৰস্তুতিৰ বাবে শেষত সি এনেকুৱা এক ভয়ংকৰ পৰিৱেশৰ সন্মুখীন হ'ল, যি পৰিৱেশত সি লৈ অহা কোনো বস্তুৱে কামত নাহিল।

এনে অসাৱধান ব্যক্তিৰ বিষয়ে বৰ্ণনা কৰি মহান আল্লাহে পৱিত্ৰ কোৰআনত কৈছে:

"অৱশেষত যেতিয়া সিহঁতৰ কাৰোবাৰ ওচৰলৈ মৃত্যু আহে, তেতিয়া সি কয়, হে মোৰ প্ৰতিপালক! মোক আকৌ (পৃথিৱীলৈ) ওভতাই দিয়া, যাতে মই সৎকৰ্ম কৰিব পাৰোঁ যিটো মই আগতে কৰা নাছিলোঁ। নহয়, এইটো কেতিয়াও নহ'ব। সি যি কৈছে নিশ্চয় সেইটো হৈছে এটা বাক্যমাত্ৰ।" (ছুৰা আল-মুমিনূনঃ ৯৯-১০০)

আমি কোৰআনত দেখিবলৈ পাওঁ যে, জাহান্নামীসকলক যেতিয়া সিহঁতৰ জাহান্নামত প্ৰৱেশ কৰাৰ কাৰণ সম্পৰ্কে প্ৰশ্ন কৰা হ'ব যে, কি কাৰণত জাহান্নামত প্ৰৱেশ কৰিছা, তেতিয়া সিহঁতে ক'ব:

"সিহঁতে ক'ব, 'আমি ছালাত আদায়কাৰীসকলৰ অন্তৰ্ভুক্ত নাছিলোঁ, 'আৰু আমি দুখীয়াক খাদ্য দান কৰা নাছিলোঁ, লগতে আমি অনৰ্থক আলোচনাকাৰীসকলৰ লগত বেহুদা আলচ কৰাত মগ্ন আছিলোঁ। আৰু আমি প্ৰতিদান দিৱসক অস্বীকাৰ কৰিছিলোঁ, অৱশেষত আমাৰ ওচৰত মৃত্যু আহি পালে'।" (ছুৰা আল-মুদ্দাছ্ছিৰঃ ৪৩-৪৭)

মৃত্যুৰ সৈতে লগ কৰিবলৈ আমাৰ সকলোৰে এটা নিৰ্দিষ্ট সময় আছে, আৰু আমি সকলোৱে সেই অচিনাকি গন্তব্যস্থানলৈ যাত্ৰা কৰিম। গতিকে আপুনি নিজকে সুধি চাওকচোন – আপুনি ইয়াৰ বাবে সাজু হৈছেনে?

CONTENTS






# জীৱনৰ উদ্দেশ্য

জীৱন হৈছে এনেকুৱা এটা পৰীক্ষা, যাৰ অন্ত হয় মৃত্যুৰ দ্বাৰা, কিন্তু ইয়াৰ দ্বাৰা মানুহৰ অস্তিত্বৰ অন্ত নহয়। বৰং মৃত্যুৰ ফলত ভাল কাম কৰাৰহে সুযোগ বন্ধ হৈ যায়, অনুতাপ তথা ক্ষমা প্ৰাৰ্থনাৰ সুবিধা নাইকীয়া হৈ যায়, আৰু আমাৰ বৰ্তমানৰ জীৱনত পোষণ কৰা আমাৰ আক্বীদাহ আৰু কৰ্মৰাজিৰ ভিত্তিত আমাৰ ঠিকনা নিৰ্ধাৰণ হয়। মানুহৰ জীৱন দুটা ভাগত বিভক্ত: এটা হৈছে পাৰ্থিৱ জীৱনৰ ক্ষন্তেকীয়া সময়, আৰু আনটো হৈছে আখিৰাতৰ অনন্ত জীৱন। সুস্থ বিবেকৰ ওচৰত এই কথা পোহৰৰ দৰে স্পষ্ট যে, পৃথিৱীৰ ক্ষন্তেকীয়া সুখতকৈ চিৰন্তন আনন্দ বহুত বেছি উপকাৰী।

“তোমালোকে ভাবিছিলা নেকি যে, আমি তোমালোকক অনৰ্থক সৃষ্টি কৰিছোঁ আৰু তোমালোকক আমাৰ ওচৰলৈকে ওভোতাই আনা নহ’ব?” (ছুৰা আল-মুমিনূনঃ ১১৫)

আল্লাহে আমাক সৃষ্টি কৰিছে আৰু আমাক পছন্দ-অপছন্দৰ স্বাধীনতা প্ৰদান কৰিছে, লগতে উচিত-অনুচিতৰ মাজত পাৰ্থক্য কৰিবলৈ আমাক বুদ্ধিমত্তা প্ৰদান কৰি আমাৰ কৰ্মৰ বাবে আমাক দায়ী কৰিছে। যদি আখিৰাতৰ জীৱন নাথাকিলহেঁতেন, য’ত পূণ্যৱানসকলক পুৰস্কাৰ দিয়া হয় আৰু পাপিষ্ঠসকলক শাস্তি বিহা হয়, তেন্তে ইয়াৰ দ্বাৰা সৰ্বশক্তিমান আল্লাহৰ নিৰপেক্ষ ন্যায়ৰ বিৰোধিতা হ’লহেঁতেন।

গতিকে এইটো ন্যায়ৰ এক নিৰপেক্ষ দাবী যে, বিচাৰৰ এনেকুৱা এটা দিন হোৱা উচিত, য’ত প্ৰতিজন ব্যক্তিকে জবাবদিহি কৰা হ’ব।

“আমি মুছলিমসকলক (অনুগতসকলক) অপৰাধীসকলৰ দৰে গণ্য কৰিম নেকি? তোমালোকৰ কি হৈছে, এইটো তোমালোকৰ কেনেকুৱা সিদ্ধান্ত?” (ছুৰা আল-কলমঃ ৩৫-৩৬)

# কিয়ামত দিৱস (বিচাৰ দিৱস)

এই জীৱনৰ প্ৰত্যেকৰে কাম-কাজ নিখুঁতভাৱে লিপিবদ্ধ কৰা হয় তথা সংৰক্ষণ কৰা হয়, যেনে- মহান আল্লাহে কৈছে:


“কোৱা, যি মৃত্যুৰ পৰা তোমালোকে পলায়ন কৰা, সেয়া নিশ্চয় তোমালোকৰ লগত সাক্ষাৎ কৰিব। তাৰ পিছত তোমালোকক প্ৰত্যাৱৰ্তন কৰোৱা হ’ব গায়েব আৰু প্ৰকাশ্যৰ জ্ঞানী আল্লাহৰ ওচৰত। তেওঁ তোমালোকক জনাই দিব তোমালোকে যি আমল কৰিছিলা।” (ছুৰা আল-জুমুআহঃ ৮)

“(সেইদিনা প্ৰত্যেকৰে হাতত) ৰখা হ’ব আমলনামা, তেতিয়া তাত যি লিপিবদ্ধ আছে তাৰ বাবে তুমি অপৰাধীবিলাকক আতংকগ্ৰস্ত দেখিবলৈ পাবা আৰু সিহঁতে ক’ব, ‘হায়,

CONTENTS































দুৰ্ভাগ্য আমাৰ! এইখন কেনেকুৱা গ্ৰন্থ! য'ত সৰু-বৰ কোনো বিষয়েই বাদ পৰা নাই'। সিহঁতে যি আমল কৰিছিল সেইবোৰ সিহঁতে সন্মুখত উপস্থিত পাব; আৰু তোমাৰ প্ৰতিপালকে কাৰো প্ৰতি অন্যায় নকৰে।" (ছুৰা আল-কাহাফঃ ৪৯)

সেই ৰেজিষ্টাৰসমূহ চাই আমি সকলোৱে আশ্চৰ্য্য প্ৰকাশ কৰিম, য'ত সুক্ষ্ম তথা নিখুঁতভাৱে আমাৰ প্ৰতিটো কৰ্মক লিপিবদ্ধ কৰা হৈছে, কিয়নো সেই ৰেজিষ্টাৰসমূহৰ দ্বাৰা আমাক সেই সকলোবোৰ কথা সোঁৱৰাই দিয়া হ'ব, যিবোৰ কথা আমি বহুত দিন আগতেই পাহৰি গৈছোঁ। মহান আল্লাহে কৈছেঃ

"আল্লাহে সেইবোৰ হিচাপ কৰি ৰাখিছে যদিও সিহঁতে পাহৰি গৈছে।" (ছুৰা আল-মুজাদালাহঃ ৬)

এই বিষয়ে গভীৰভাৱে চিন্তা কৰিলে নিশ্চয় আমি যিকোনো পাপ কৰাৰ ক্ষেত্ৰত লজ্জিত হ'ম, কাৰণ আমাৰ মনত পৰিব যে, যদি আমি এইটো কাম কৰোঁ তেন্তে এইটো আমাৰ বিৰুদ্ধে লিপিবদ্ধ হ'ব আৰু কিয়ামতৰ দিনা আল্লাহৰ সন্মুখত উপস্থাপন কৰা হ'ব।

যিসকলে মৃতসকলক পুনৰুত্থিত কৰিব পৰা আল্লাহৰ ক্ষমতাৰ প্ৰতি আৰু আল্লাহৰ বিচাৰ ক্ষমতাৰ প্ৰতি সন্দেহ কৰে, সেইসকল অবিশ্বাসী ব্যক্তিৰ বিষয়ে মহান আল্লাহে উদ্ধৃতি দি কৈছে:

"সি কয়, 'হাড়ৰ ভিতৰত কোনে প্ৰাণ সঞ্চাৰ কৰিব যেতিয়া ই জহি-খহি, গেলি-পচি যাব'? কোৱা, 'তেৱেঁই তাত প্ৰাণ সঞ্চাৰ কৰিব যিজনে ইয়াক প্ৰথমবাৰ সৃষ্টি কৰিছে, আৰু তেওঁ প্ৰতিটো সৃষ্টি সম্পৰ্কে সম্যক পৰিজ্ঞাত'।" (ছুৰা ইয়াছীনঃ ৭৮-৭৯)

# জান্নাত আৰু জাহান্নাম

যিসকলে একক তথা অদ্বিতীয় আল্লাহৰ প্ৰতি ঈমান পোষণ কৰে আৰু তেৱেঁই একমাত্ৰ ইবাদতৰ যোগ্য বুলি বিশ্বাস কৰে, লগতে সৎকৰ্ম কৰে, তেওঁলোকৰ প্ৰতিদান হ'ব জান্নাত।

নবী মুহাম্মদ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে যে, সৰ্বশক্তিমান আল্লাহে কৈছেঃ


মই মোৰ পূণ্যৱান বান্দাসকলৰ বাবে এনেকুৱা নিয়ামত সৃষ্টি কৰি ৰাখিছোঁ, যিবোৰ কোনো চকুৱে কেতিয়াও চোৱা নাই, কোনো কাণেও শুনা নাই, আনকি কোনো অন্তৰে কল্পনাও কৰিব নোৱাৰে।

পক্ষান্তৰে যিসকলে আল্লাহৰ একত্বক অস্বীকাৰ কৰে, সিহঁতক জাহান্নামৰ প্ৰতিদান দিয়া হ'ব, য'ত সিহঁতক কোৱা হ'ব:

মহান আল্লাহে পৱিত্ৰ কোৰআনত এই বিষয়ে উল্লেখ কৰি কৈছেঃ "নিশ্চয় জান্নাতবাসীসকল আজি আনন্দত ব্যস্ত থাকিব, তেওঁলোক আৰু তেওঁলোকৰ স্ত্ৰীসকলে সুশীতল ছাঁৰ তলত সুসজ্জিত আসনত আউজি বহিব। তাত থাকিব তেওঁলোকৰ বাবে ফলমূল, আৰু তেওঁলোকে যিটো বিচাৰিব সেইটোৱেই পাব।" (ছুৰা ইয়াছীনঃ ৫৫-৫৭)


CONTENTS



























“এইখনেই হৈছে সেই জাহান্নাম, যাৰ প্ৰতিশ্ৰুতি তোমালোকক দিয়া হৈছিল। আজি তোমালোকে ইয়াত দগ্ধ হোৱা, কিয়নো তোমালোকে কুফৰী (অবিশ্বাস) কৰিছিলা।” (ছুৰা ইয়াছীনঃ ৬৩-৬৪)

আৰু কাফিৰসকলক (অবিশ্বাসীসকলক) কঠোৰ শাস্তি বিহা হ’ব

মহান আল্লাহে কৈছেঃ “নিশ্চয় জাহান্নাম খাপ পাতি ৰৈ আছে। সীমালংঘনকাৰীসকলৰ বাবে প্ৰত্যাৱৰ্তনস্থল হিচাপে। তাত সিহঁতে যুগ যুগ ধৰি (সীমাহীন সময়) অৱস্থান কৰিব। তাত সিহঁতে শীতল (বস্তুৰ) সোৱাদ গ্ৰহণ কৰিব নোৱাৰিব, লগতে উপযুক্ত পানীও নাপাব। উতলা পানী আৰু দুৰ্গন্ধময় পুঁজৰ বাহিৰে। এইটোৱেই (সিহঁতৰ) উপযুক্ত প্ৰতিফল। নিশ্চয় সিহঁতে কেতিয়াও হিচাব-নিকাচৰ আশা কৰা নাছিল। আৰু সিহঁতে আমাৰ নিদৰ্শনাৱলীক কঠোৰভাৱে মিথ্যাৰোপ কৰিছিল। আৰু আমি প্ৰতিটো বস্তু লিখিতভাৱে সংৰক্ষণ কৰি ৰাখিছোঁ। এতেকে ভোগ কৰা, আমি তোমালোকৰ বাবে শাস্তিৰ বাহিৰে আন একো বৃদ্ধি নকৰোঁ।” (ছুৰা আন-নাবাঃ ২১-৩০)

# উপসংহাৰ

“হে মানৱ! কিহে তোমাক তোমাৰ প্ৰতিপালক সম্পৰ্কে বিভ্ৰান্ত কৰিছে? যিজনে তোমাক সৃষ্টি কৰিছে, তাৰ পিছত তোমাক সুঠাম কৰিছে আৰু সুসামঞ্জস্য কৰিছে, আৰু যি আকৃতিত বিচাৰিছে, তেওঁ তোমাক (সেই আকৃতিতে) গঠন কৰিছে। কেতিয়াও নহয়, বৰং তোমালোকে প্ৰতিদান দিৱস (ত দিবলগীয়া নেক আমলৰ ছোৱাবক আৰু বেয়া কামৰ শাস্তি)ক অস্বীকাৰ কৰিছা।”

(ছুৰা আল-ইনফিতাৰঃ ৬-৯)

মৃত্যু অনিবাৰ্য, ইয়াৰ পৰা ৰক্ষা পোৱাৰ কোনো উপায় নাই। আমাৰ জীৱনৰ উদ্দেশ্য হৈছে একমাত্ৰ আল্লাহৰ ইবাদত কৰা, সৎকৰ্ম কৰা আৰু অসৎকৰ্মৰ পৰা বা হাৰাম কামৰ পৰা বিৰত থকা। আমাৰ বৰ্তমানৰ কাৰ্য্যৰ ভিত্তিতহে আমাৰ ঠিকনা নিৰ্ধাৰিত হ’ব। গতিকে আমি পৃথিৱীৰ এই সুবৰ্ণ সুযোগক সদ্ব্যৱহাৰ কৰি নিজৰ বাবে জান্নাতত চিৰন্তন স্থান নিশ্চিত কৰিব পাৰোঁ, নাইবা এই সুযোগক বিনষ্ট কৰি আমি নিজকে জাহান্নামত শাস্তিৰ সন্মুখীন কৰিব পাৰোঁ।

“নিশ্চয় সৎকৰ্মপৰায়ণসকল থাকিব পৰম সুখ-শান্তিত, আৰু নিশ্চয় পাপীসকল থাকিব জাহান্নামত।”
(ছুৰা আল-ইনফিতাৰঃ ১৩-১৪)

HOTLINE
+971 56 204 2045
islamicicdxb
islamicic.com @ info@islamicic.com +971 4 355 5223
DOWNLOAD ASSAMESE FLYER
www.iicdxb.com/assam

مركز المعلومات الإسلامي
Islamic Information Center
للتعريف بالإسلام

Part of the

# ISLAMIC e-LIBRARY

Learn more about Islam with our informative and educational materials, translated to over 50+ languages

Quran | Flyers | Books

**iicdxb.com/flyers**

@islamicicdxb